www.epaper.asombarta.in

শুদ্ধ আৰু আপোচহীন বার্তাৰ প্রতীক

PRGI REGD. NO. (Title) : ASSASS01389

অসম বার্তা

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্রতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বার্তা' কাকতৰ জৰিয়তে প্রচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বার্তা' গোষ্ঠী -

মনবোৰ শুদ্ধ হ'লে পৃথিবীত সংকোচ কৰিবলগীয়া একোনাই। কলুষিত মনেহে সকলোতে কলুষ দেখে। — হেম বৰুৱা

ষষ্ঠ বছৰ ❐ সংখ্যা - ১৭৬ ❐ সোমবাৰ ❐ ১৮ আগষ্ট, ২০২৫ চন ❐ ১ ভাদ, ১৯৪৭ শক ❐ VOL - 6 ❐ NO.- 176 ❐ Monday ❐ 18th August, 2025 ❐ মূল্য ঃ ১০.০০ টকা ❐ মুঠ পৃষ্ঠা ঃ ৮

মহাৰাষ্ট্রৰ বর্তমানৰ ৰাজ্যপাল চন্দ্রপুৰম পন্নুছামী ৰাধাকৃষ্ণন

এন.ডি.এ.ৰ উপ-ৰাষ্ট্রপতি পদৰ প্রার্থী চি.পি. ৰাধাকৃষ্ণন

জে.পি. নাড্ডাৰ সংবাদমেলযোগে ঘোষণা

অনলাইন বার্তা, অসম বার্তা, ১৭ আগষ্ট ঃ ভাৰতীয় জনতা পার্টিৰ ৰাষ্ট্রীয় সভাপতি জে পি নাড্ডাই দেওবাৰে এক সংবাদমেলত ঘোষণা কৰে যে মহাৰাষ্ট্রৰ বর্তমানৰ ৰাজ্যপাল চন্দ্রপুৰম পন্নুছামী ৰাধাকৃষ্ণনক এনডিএৰ উপ-ৰাষ্ট্রপতি পদৰ প্রার্থী হিচাপে মনোনীত কৰা হৈছে। ২০২৪ চনৰ ৩১ জুলাইৰ পৰা মহাৰাষ্ট্রৰ ২৪তম ৰাজ্যপাল হিচাপে দায়িত্ব পালন কৰি অহা ৰাধাকৃষ্ণন তামিলনাড়ুৰ ৰাজনীতিৰ এক প্রভাৱশালী ব্যক্তি। তেওঁৰ চাৰি দশকৰো অধিক সময়ৰ ৰাজনৈতিক অভিজ্ঞতা আৰু তামিলনাড়ুৰ সামাজিক জীৱনত গভীৰ প্রভাৱে তেওঁক

▸▸৬ পৃষ্ঠাত

দেশ বিভাজনৰ বাবে দায়ী মুহাম্মদ আলী জিন্না, ভাৰতীয় জাতীয় কংগ্রেছ আৰু লর্ড মাউণ্টবেটেন



NCERTৰ নতুন পাঠ্যক্রমত দেশ বিভাজনৰ নতুন ব্যাখ্যা

নেশ্যনেল ডেস্ক, অসম বার্তা, ১৭ আগষ্ট ঃ নেচেনেল কাউন্সিল অফ এডুকেচনেল বিচার্চ এণ্ড ট্রেইনিং (এনচিইআৰটি)ই ষষ্ঠৰ পৰা দ্বাদশ শ্রেণীৰ বাজনীতি বিজ্ঞানৰ পাঠ্যপুথিত ভাৰত বিভাজনৰ নতুন ব্যাখ্যা আগবঢ়াই বিতর্কৰ সৃষ্টি কৰিছে। 'বিভাগ কে দোষী' শীর্ষক নতুন মডিউলটোত দেশ বিভাজনৰ বাবে মুহাম্মদ আলী জিন্না, ভাৰতীয় জাতীয় কংগ্রেছ আৰু লর্ড মাউণ্টবেটেনক প্রত্যক্ষভাৱে দায়ী কৰা হৈছে। পাঠ্যক্রমত উল্লেখ কৰা হৈছে যে জিন্নাই পাকিস্তান সৃষ্টিৰ দাবী আগবঢ়োৱাৰ পিছত কংগ্রেছে ইয়াক

▸▸৬ পৃষ্ঠাত

সংকটজনক অৱস্থাত চিকিৎসাধীন, উত্তেজনা বৃদ্ধি

সীমান্তত নগাৰ দাদাগিৰি! বনভোজ খাবলৈ যোৱা যুৱকৰ ওপৰত গুলীচালনা

অসম বার্তা, মেৰাপানী, ১৭ আগষ্ট ঃ গোলাঘাট জিলাৰ অসম নগালেণ্ডৰ মেৰাপানী সীমান্তৰৰ সন্ধপানীৰ জ্যোতি পথাৰত কালি নগাই সংঘটিত কৰা গুলী চালনা ঘটনাক কেন্দ্র কৰি সমগ্র সীমান্তৰতেই এক উত্তেজনা সৃষ্টি হৈছে। তথ্য মতে গাৰৰে কেইবাজনো যুবক মিলিত হৈ সমিপৰে

▸▸৬ পৃষ্ঠাত

পুনৰ বগা পোচাকত কর্তব্যত ব্যস্ত গুৱাহাটী যান-বাহন আৰক্ষী

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ১৭ আগষ্ট ঃ আজিৰ পৰা গুৱাহাটীৰ যান-বাহন আৰক্ষীয়ে

▸▸৬ পৃষ্ঠাত

চাউথ ব্লকৰ পৰা নতুন অত্যাধুনিক কার্যালয়লৈ

স্বাধীনতাৰ পিছৰ প্রথমবাৰৰ বাবে প্রধানমন্ত্রীৰ কার্যালয় স্থানান্তৰ

অনলাইন বার্তা, অসম বার্তা, ১৭ আগষ্ট ঃ ১৯৪৭ চনৰ স্বাধীনতাৰ পিছৰ প্রথমবাৰৰ বাবে ভাৰতৰ প্রধানমন্ত্রীৰ কার্যালয় (পিএমঅ') ইংৰাজ আমলৰ চাউথ ব্লকৰ পৰা নতুন স্থানলৈ স্থানান্তৰিত হ'ব। আগন্তুক ছেপ্টেম্বৰ মাহৰ পৰা এই নতুন কার্যালয়ত কার্যকলাপ আৰম্ভ হ'ব বুলি সূত্রৰ

▸▸৬ পৃষ্ঠাত



ৰাজ্যত এতিয়া 'মামী টেক্স' চলিছেঃ গৌৰৰ গগৈ

মুখ্যমন্ত্রীয়ে চাৰিটা ম'বাইল ফোন ব্যৱহাৰ কৰে, ইয়াৰে চতুর্থটো গোপনে কংগ্রেছৰ সৈতে যোগাযোগ ৰক্ষাৰ বাবে

নিউজ ডেস্ক, অসম বার্তা, ১৭ আগষ্ট ঃ অসম প্রদেশ কংগ্রেছ কমিটিৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে দেওবাৰে ৰাজ্যৰ ক'লাবাৰীত আয়োজিত এক জনসভাত মুখ্যমন্ত্রী ড' হিমন্ত বিশ্ব শর্মাৰ বিৰুদ্ধে তীক্ষ্ণ সমালোচনা কৰি তেওঁৰ চাৰিটা ম'বাইল ফোনৰ ব্যৱহাৰৰ বিষয়ে চাঞ্চল্যকৰ মন্তব্য প্রকাশ কৰে। সাংবাদিকৰ সৈতে কথোপকথনত গগৈয়ে অভিযোগ কৰে যে মুখ্যমন্ত্রী শর্মা চাৰিটা ম'বাইল ফোন

▸▸৬ পৃষ্ঠাত

মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাই গছৰোপণ কার্যসূচীত ল'ব অংশ

১৮ আগষ্টৰ পৰা উৰিয়ামঘাটত দ্বিতীয় পর্যায়ৰ উচ্ছেদ

নিউজ ডেস্ক, অসম বার্তা, ১৭ আগষ্ট ঃ গোলাঘাট জিলাৰ সীমান্তৰতী উৰিয়ামঘাটত ৰেমা সংৰক্ষিত বনাঞ্চলৰ ১১, ০০০ বিঘা ভূমি বেদখলমুক্ত কৰাৰ

▸▸৬ পৃষ্ঠাত

অৱসৰপ্রাপ্ত শিক্ষকৰ নিযুক্তিৰ বিৰুদ্ধে আছু আৰু শিক্ষক সংগঠনৰ তীব্র প্রতিবাদ

নিউজ ডেস্ক, অসম বার্তা, ১৭ আগষ্ট ঃ অৱসৰপ্রাপ্ত শিক্ষকৰ পুনৰ নিযুক্তিৰ চৰকাৰী সিদ্ধান্তৰ বিৰোধিতা কৰি ১৭ আগষ্ট, দেওবাৰে গুৱাহাটীৰ হোটেল প্রাগ কন্টিনেন্টেলত সদৌ

▸▸৬ পৃষ্ঠাত

বানপানী আৰু ভূমিস্খলনত বিধ্বংস

জম্মু-কাশ্মীৰৰ কাঠুৱাত ডাৰৰ বিস্ফোৰণ

নেশ্যনেল ডেস্ক, অসম বার্তা, ১৭ আগষ্ট ঃ জম্মু আৰু কাশ্মীৰৰ কাঠুৱা জিলাত শনিবাৰে মধ্যৰাতি সংঘটিত এক ডাৰৰ বিস্ফোৰণৰ ফলত জোধ গাঁৱত হঠাৎ বানপানী আৰু ভূমিস্খলনৰ সৃষ্টি হয়, যাৰ ফলত অন্ততঃ সাতজন লোকৰ মৃত্যু হয় আৰু ছয়জন আহত হয়। এই দুর্যোগে ৰে'লপথ, ৰাষ্ট্রীয় ঘাইপথ আৰু স্থানীয় আৰক্ষী থানাৰ ব্যাপক ক্ষতি কৰিছে। জোধ গাঁৱৰ কেইবাটাও

▸▸৬ পৃষ্ঠাত

ভূমিকেন্দ্রিক সংঘাত

ধর্ষণৰ গোচৰত জেল হাজোতৰ পৰা ওলাই আহি পুনৰ এজনক নৃশংস হত্যা

অসম বার্তা, ভুৰাগাঁও, ১৭ আগষ্ট ঃ মৰিগাঁও জিলাৰ ভুৰাগাঁও আৰক্ষী থানাৰ অন্তর্গত ভুৰাগাঁও নতুন বজাৰত আজি এক জঘন্য হত্যাকাণ্ড সংঘটিত

▸▸৬ পৃষ্ঠাত

আৰক্ষীৰ আটক বিদ্যালয়ৰ প্রধান শিক্ষয়িত্রীক

চামগুৰিত ভৰিৰে গচকি ৰাষ্ট্রীয় পতাকাক অৱমাননা

অসম বার্তা, পুৰবিগুদাম, ১৭ আগষ্ট ঃ ৰাষ্ট্রীয় পতাকাক অৱমাননা কৰি এগাৰাকী প্রধান শিক্ষয়িত্রী আৰক্ষীৰ হাতত আটক হ'বলগীয়া হোৱা ঘটনাই নগাঁও

▸▸৬ পৃষ্ঠাত

বহু বিতর্কৰ অন্ত পেলাই ক্ল'ক টাৱাৰসহ গান্ধী চ'ক উদ্বোধন মন্ত্রী ৰূপেশ গোৱালাৰ

ডুমডুমা ইনড'ৰ ষ্টেডিয়াম আৰু বহুমুখী ভবনৰ আধাৰশিলা স্থাপন কৰিবলৈ ডুমডুমালৈ আহিব মুখ্যমন্ত্রী

ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ১৭ আগষ্ট ঃ ৰাজ্যৰ লগতে ৰাষ্ট্রীয় বাতৰি কাকততো শিৰোনাম দখল কৰা ডুমডুমা নগৰৰ বহু বিতর্কিত ক্ল'ক টাৱাৰসহ মহাত্মা গান্ধীৰ নতুন প্রতিমূর্তিটো আজি

▸▸৬ পৃষ্ঠাত

বাঘ হাজৰিকা কাল্পনিক নহয়, এক ঐতিহাসিক চৰিত্র

বুৰঞ্জীক নচাৎ কৰা বিজেপিয়ে মহাবীৰ লাচিত বৰফুকনৰ কাষত থকা বাঘ হাজৰিকাৰ প্রতিমূর্তি বুলডেজাৰ লগাই ভাঙি দিয়ক!

উজনি অসম মুছলিম কল্যাণ পৰিষদৰ প্রত্যাহ্বান

ষ্টাফ ৰিপৰ্টাৰ, শিৰসাগৰ, ১৭ আগষ্ট ঃ কেন্দ্রীয় ৰাজিক মন্ত্রী পবিত্র মার্ঘেৰিটাই কালি সংবাদ মাধ্যমৰ সম্মুখত ঐতিহাসিক শৰাইঘাট ৰণৰ যোদ্ধা বাঘ হাজৰিকা ওৰফে ইছমাইল ছিদ্দিকিৰ নাম আহোম বুৰঞ্জী আৰু সাচিপতিয়া পুথিত উল্লেখ নাই বুলি পুনৰ এক বিতর্কৰ সৃষ্টি কৰিছে। কেন্দ্রীয় মন্ত্রী গৰাকীয়ে বাঘ হাজৰিকাৰ অস্তিত্ব অস্বীকাৰ কৰাৰ পাছতেই গৰজি উঠিছে উজনি অসম মুছলিম কল্যাণ পৰিষদ। বাতৰি কাকতলৈ প্রেৰণ কৰা এক বিবৃতিত উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্রীয় সমিতিৰ সভাপতি মনিৰুল ইছলাম বড়া আৰু প্রধান

▸▸৬ পৃষ্ঠাত

নাজিৰা সমজিলা প্ৰশাসনৰ উদ্যোগত ৭৯ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপন

অসম বার্তা, গোলেকী, ১৬ আগষ্ট ঃ সমগ্ৰ দেশৰ লগতে আজি নাজিৰা সমজিলাতো দেশৰ ৭৯ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰা হয়। নাজিৰা সমজিলা প্ৰশাসনৰ উদ্যোগত নাজিৰা জিলা ক্ৰীড়া সম্থাৰ যেলপথাৰত আয়োজিত স্বাধীনতা দিৱস কেন্দ্ৰীয় কাৰ্যসূচীত মুখ্য অতিথি ৰূপে অংশগ্ৰহণ কৰি নাজিৰা সমজিলা আয়ুক্ত কণিকাই আনুষ্ঠানিকভাবে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। পতাকা উত্তোলনৰ পূৰ্বে সমজিলা আয়ুক্তয়ে দেশৰ স্বাধীনতাৰ হকে হেলাৰপে প্ৰাণ আহুতি দিয়া বীৰ শ্ৰদ্ধীল সকলক স্মৰণ কৰি নাজিৰা গান্ধী ময়দানত অনুষ্ঠিত শ্ৰদ্ধাঁজ অৰ্পণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। সকলৰ চৰম ত্যাগ আৰু আত্মবলিদানৰ বিষয়ে শ্ৰদ্ধাবে আৰক্ষী আৰু আৰ সামৰিক বাহিনীৰ অভিবাদন গ্ৰহণ কৰে। এই কুচ - কাৱাজ কাৰ্যসূচীত নাজিৰাৰ বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ- ছাত্ৰী সকলে অংশগ্ৰহণ কৰে। নাজিৰা সমজিলা আৰক্ষী বিষয়া তুষাৰ দেশাইৰ উপস্থিতিত মুখ্য অতিথি ৰূপে প্ৰদান কৰা ভাষণত সমজিলা আয়ুক্তয়ে দেশৰ বীৰ শ্ৰদ্ধীল, মুক্তি-যুঁজাৰু সকলৰ চৰম ত্যাগ আৰু আত্মবলিদানৰ বিষয়ে শ্ৰদ্ধাবে সোঁৱৰাৰ লগাতে দেশৰ সীমাস্থ আৰু আভ্যন্তৰীণ সুৰক্ষাত নিয়োজিত নিৰাপত্তা বাহিনী সমূহৰ সাহস আৰু পৰাক্ৰমৰ কথা কৃতজ্ঞতাবে স্মৰণ কৰে। নিজ ভাষণত তেওঁ কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰে সমজিলা খনৰ সৰ্বাঙ্গীন উন্নতিৰ লক্ষ্যবে গ্ৰহণ কৰা জনকল্যাণকাৰী আঁচনি সমূহৰ বিষয়ে উল্লেখ কৰি এই সমূহৰ সফল ৰূপায়ণৰ বাবে জনসাধাৰণৰ পূৰ্ণ সহযোগিতা কামনা কৰে। তেওঁ সমজিলাতোৰ শিক্ষা, স্বাস্থ্য, গ্ৰামোন্নয়ণ, কৃষি তথা ইয়াৰ সহযোগী খণ্ড, শক্তি, পথ- যোগাযোগ, জনস্বাস্থ্য কাৰিকৰী, নগৰ উন্নয়ন আদি বিভাগৰ অধীনস্থ আঁচনি সমূহৰ দ্ৰুত আৰু ফলপ্ৰসূ ৰূপায়ণৰ ক্ষেত্ৰত সমজিলা প্ৰশাসনে অগ্ৰাধিকাৰ প্ৰদান কৰি আহিছে বুলি উল্লেখ কৰে। স্বাধীনতা দিৱস উপলক্ষে আয়োজিত পেৰেডত জহাৰৰ নবোদয় বিদ্যালয়ৰ এন. চি.চি দলে প্ৰথম, নাজিৰা মহাবিদ্যালয়ৰ এন. চি.চি দলে দ্বিতীয় আৰু নাজিৰা উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ৰ এন. চি.চি দলে তৃতীয় স্থান লাভ কৰে। তদুপৰি, স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা বিভিন্ন প্ৰতিযোগিতাৰ বিজয়ী সকলকো আজি পুৰস্কৃত কৰা হয়। উল্লেখ্য যে, স্বাধীনতা দিৱস উপলক্ষে পুৱা ৫ বজাৰ পৰা ৬ বজালৈ প্ৰভাতী ফেৰী আৰু দেশপ্ৰেমমূলক গীত-মাত প্ৰচাৰ, পুৱা ৭ বজাত নিজ নিজ বাসগৃহত ৰাষ্ট্ৰীয় পতাকা উত্তোলন, পুৱা ৭-৩০ বজাত সকলো শিক্ষানুষ্ঠান, চৰকাৰী, বে-চৰকাৰী, অৰ্ধ-চৰকাৰী কাৰ্য্যালয়ত ৰাষ্ট্ৰীয় পতাকা উত্তোলন আৰু সংবাদ সম্মেলন উপস্থিত থাকে। অনুষ্ঠানৰ অন্তত সমজিলাবাসী ৰাইজে যি ধৰণে প্ৰশাসনক সঁহাৰি জনালে তাৰ বাবে সমূহ ৰাইজক সমজিলা আয়ুক্ত কণিকাই কৃতজ্ঞতা জ্ঞাপন কৰে।

মৰিগাঁৱতো উলহ-মালহৰে দেশৰ ৭৯ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপন

ষ্টাফ ৰিপৰ্টাৰ মৰিগাঁও, ১৬ আগষ্ট ঃ সমগ্ৰ দেশবাসীয়ে আজু স্বৰ্ণ-পূৰ্ণতাৰে ৭৯ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰাব সমাম্ভৰালকৈ মৰিগাঁও জিলা প্ৰশাসনৰ উদ্যোগত তৰুণ বাম ফুকন যেলপথাৰত কেন্দ্ৰীয় ভাৰে স্বাধীনতা দিৱস উদযাপন কৰা পৰিবেশত পতাকা উত্তোলন কৰি মন্ত্ৰী পীযূষ হাজৰিকাই দেশৰ স্বাধীনতা আন্দোলনত প্ৰাণ আহুতি দিয়া বীৰ বীৰাংগণা সকলক স্মৰণ কৰি শ্ৰদ্ধা নিবেদন কৰাব লগতে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন উন্নয়নমূলক আঁচনি সমূহৰ সফলতাৰ বিষয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে। আনহাতে জিলা খনৰ বিভিন্ন ক্ষেত্ৰত বিশেষ অৱদান আগবঢ়োৱা কেই বাজনো বিশেষ ব্যক্তিক মৰিগাঁও জিলা প্ৰশাসনে সম্বৰ্দনা জনোৱাৰ উপৰিও পদ্মশ্ৰী সম্মাননে সম্মানিত সুৰঞ্জানী ওজাপালিৰ ওজা গুৰু দ্ৰোণ ভূঞাক সম্বৰ্দনা জনাই মন্ত্ৰী পীযূষ হাজৰিকাই।

স্বাধীনতা দিৱসৰ দিনা কচুৰা আৰক্ষীৰ আৰু নাগৰিক সমিতিৰ সজাগতা সভা

অসম বার্তা, কচুৰা, ১৬ আগষ্ট ঃ ৭৯ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰি কচুৰা থানা আৰু কচুৰা থানাৰ নাগৰিক সমিতিৰ বিশেষ পদক্ষেপ। সমাজৰ বিভিন্ন অসামাজিক কাৰ্যকলাপ, ড্ৰাগছ আৰু পথ সুৰক্ষাৰ ওপৰত মাধৱপাবা গাওঁ পঞ্চায়তৰ সভাগৃহত আজি পুৱা ১০ বজাত বিশেষ সজাগতা মূলক সভা অনুষ্ঠিত কৰে। কচুৰা থানাৰ নাগৰিক সমিতিৰ সভাপতি জুটি দেৱানাধৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত কচুৰা থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মূদুল বৰা, কচুৰা গ্ৰেছ ক্লাবৰ সভাপতি বাহাকন ইছলাম,শিক্ষক মতিউৰ বহমান, সমাজকর্মী তাপস দেৱনাথ,জব্বৰ আলী,এমৰ আলী,মৃণাল বৰা, উদীয়মান যুৱ নেতা মতিউৰ বহমানসহ অঞ্চলটোৰ প্ৰায় ১০০ গৰাকী বিশিষ্ট ব্যক্তিয়ে এই সজাগতা মূলক সভাত উপস্থিত থাকে। সভাত নিম্নিদ্ৰ ড্ৰাগছৰ বিৰুদ্ধে আৰু পথ সুৰক্ষাৰ ওপৰত কচুৰা থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মূদুল বৰা, কচুৰা গ্ৰেছ ক্লাবৰ সভাপতি বাহাকন ইছলাম, সমাজকর্মী তাপস দেৱনাথে বহু মূল্যবান বক্তব্য প্ৰদান কৰে।

স্বাধীনতা দিৱস উপলক্ষে চেঙা শালদিয়া পাৰাত এদিনীয়া প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা

অসম বার্তা, চেঙা, ১৬ আগষ্ট ঃ স্বাধীনতাৰ ৭৯তম দিৱস উপলক্ষে ৰবপেটা জিলাৰ চেঙা শালদিয়া পাৰাৰ যুব সংঘৰ উদ্যোগত আজি অনুষ্ঠিত হয় এদিনীয়া প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা। খেলখনত অঞ্চলৰ বিভিন্ন দলৰ ফুটবল খেলু�ৰৈসকলে অংশগ্ৰহণ কৰে। দিনটোৰ পূৰ্বাহ্নৰ পৰা খেলপথাৰত উপস্থিত থাকে উৎসাহী জনতা আৰু স্থানীয় ৰাইজ। প্ৰথম পুৰস্কাৰ হিচাপে ৭,০০১ টকা আৰু ট্ৰফী প্ৰদান কৰে আয়োজক সমিতিয়ে। এই পুৰস্কাৰ দান কৰে দেৱাশিস মেধি, দ্বিপেন তালুকদাৰ আৰু কণম তালুকদাৰে। দ্বিতীয় পুৰস্কাৰ হিচাপে ৫, ০০১ টকা আৰু ট্ৰফী প্ৰদান কৰা হয় স্বৰ্গীয় ৰবিত দাসৰ সোঁৱৰণত, ৰিণাজ দাসে অনুষ্ঠান উপস্থিত অতিথি, সংগঠক আৰু সমৰ্থকসকলে অংশগ্ৰহণকাৰী খেলুৰৈসকলক অভিনন্দন জনাই ভবিষ্যতে এই ধৰণৰ ক্ৰীড়া প্ৰতিযোগিতা অব্যাহত ৰাখি গাঁও-সমাজৰ ক্ৰীড়া মনোভাব আৰু ঐক্য বৃদ্ধিৰ বাবে আহ্বান জনায়।

স্বাধীনতা দিৱস উপলক্ষে আয়োজন কৰা চিত্ৰাংকন প্ৰতিযোগিতা সম্পন্ন

অসম বার্তা, উজনী মাজুলী, ১৬ আগষ্ট ঃ মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উদ্যোগত স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি "হয় ঘৰ ত্ৰিৰংগা" কাৰ্যসূচী অধীনত আজি আয়োজন কৰা চিত্ৰাংকন প্ৰতিযোগিতা সম্পন্ন হয়। সেই উপলক্ষে আজি পুৱা ১০ বজাত বিশ্ব বিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজন কৰা উদ্বোধনী অনুষ্ঠানত প্ৰতিযোগিতা খনিত আনুষ্ঠানিক ভাবে উদ্বোধন কৰে পঞ্জীয়ক ডাঃ বিনোদ বৰাইে। বিশ্ববিদ্যালয় কৰ্মচাৰী ডঃ ভাস্কৰ বৰাইে আৰু বৰা উদ্বোধনী অনুষ্ঠানত উপাচাৰ্য ডঃ নিৰোদ বৰুৱা , মাধৱদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ অৰুণ জ্যোতি চৌধুৰী ,ৰূপ বৰণ, মাজুলীৰ অধ্যক্ষ দীপু বৰা, মাজুলী জিলা প্ৰশাসনৰ দুৰ্যোগ ব্যবস্থাপনা বিষয়া দিব্যজ্যোতি শইকীয়া, বিশ্ববিদ্যালয়ৰ অধ্যাপক, কৰ্মচাৰী আৰু প্ৰতিযোগী সকলে উপস্থিত থাকে। দু'টা শাখাত ছাত্ৰ-ছাত্ৰী সকলৰ মাজত অনুষ্ঠিত হোৱা চিত্ৰাংকন প্ৰতিযোগিতাত ক শাখাত প্ৰথম অপূর্ব দেব নাথ, দ্বিতীয় অমৃত পায়েং, তৃতীয় টিংকু পায়েং, উদংগিনি প্ৰজ্ঞান জ্যোতি বৰুৱা,ৰক্তিম কলিতা আৰু জ্বিবলী দাস, ক শাখাত প্ৰথম জ্যোতিষ্মান শইকীয়া, দ্বিতীয় শুভ্ৰ কিংকৰ বড়ো, তৃতীয় বিষ্ণু চৰকাৰ, উদংগিনি মূলক সকত ছুপ্তিম দাস, অৱণ্যা দীপু বৰা আৰু মৌকুহি ভড়ালীয়ে স্থান লাভ কৰে। স্থান লাভ কৰা ছাত্ৰ ছাত্ৰীসকলক আজি বিয়ালি বিশ্ববিদ্যালয়ৰ নৱাগত আদৰণি সভাত মানপত্ৰ, আৰু ট্ৰফিৰে পুৰস্কৃত কৰে।

নৱ প্ৰত্যয় ফাউণ্ডেচনৰ উদ্যোগত স্বাধীনতা দিৱস উদ্‌যাপন

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ১৬ আগষ্ট ঃ বেচৰকাৰী স্বেচ্ছাসেৱী সংস্থা নৱ প্ৰত্যয় ফাউণ্ডেচনৰ উদ্যোগত আৰু হক্তিনাপুৰ জান বিকাশ বিদ্যালয়ৰ সহযোগত ৭৯তম স্বাধীনতা দিৱস ওৱাহাটী নমাইস্থিত হক্তিনাপুৰ জ্ঞান বিকাশ বিদ্যালয়ত উদযাপন কৰা হয়। পুৱাৰ ভাগত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰাৰ পিছত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত দেশভক্তিমূলক গীতত নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতাত শ্ৰেষ্ঠ ছাত্ৰ-ছাত্ৰী সকলক মানপত্ৰ ৰ লগতে পুৰস্কাৰ প্ৰদান কৰা হয়। উক্ত অনুষ্ঠানত নৱ প্ৰত্যয় ফাউণ্ডেচনৰ বিষয়ৰবীয়া সকল, বিদ্যালয় পৰিচালনা সমিতিৰ বিষয়-বৰীয়া সকলৰ লগতে শিক্ষক-শিক্ষয়িত্ৰী আৰু স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে।

মাকুম সমজিলা প্ৰশাসনৰ উদ্যোগত স্বাধীনতা দিৱস পালন

অসম বার্তা, মাকুম, ১৬ আগষ্ট ঃ মাকুমবাসী ৰাইজৰ বাবে আজি এটা ঐতিহাসিক দিন। যোৱা ১২ আগষ্ট আনুষ্ঠানিকভাবে কাযাক্ষম হোৱা নবগঠিত মাকুম সম-জিলা প্ৰশাসনৰ উদ্যোগত আৰু মাকুম পৌৰ সভাৰ সহযোগত পোনপথমবাৰ মাকুম ৰত্নাকীয়ত বৰদৈ থকা খেলপথাৰত বিস্তৃত কাৰ্যসূচীৰে ৭৯ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰা হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে মাকুম সম-জিলাৰ আয়ুক্ত পংকজ চমুৱাই উপস্থিত থাকি বস্তি প্ৰজ্জ্বলন,মাল্যৰ্পণ আৰু ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰাৰ লগতে ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী, স্কাউট এণ্ড গাইড ৰে কেডেট সকলৰ কুচ-কাৱাজৰ অভিবাদন গ্ৰহণ কৰে। স্বাধীনতা দিৱসৰ উপলক্ষে প্ৰদান কৰা ভাষণত মুখ্য অতিথি পংকজ চমুৱাই মাকুম সম-জিলাৰ উন্নয়ন ৰাবে চৰকাৰে গ্ৰহণ কৰা বিভিন্ন উন্নয়নমূলক আঁচনি সুমৰৰ বিষয়ে, মাকুম সম্পৰ্কি অভাৱতী অন্যান্য জন কল্যাণমূলক কাম সমূহৰ খতিয়ান দাঙি ধৰে। আজিৰ অনুষ্ঠানত মাকুম অঞ্চলৰ কেইবাগৰাকী বিশিষ্ট ব্যক্তি সকলক একোটিকৈ গছপুলি যাচি বিশেষ ভাৱে সম্বৰ্দনা জনোৱা হয়। স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি স্থানীয় বিভিন্ন বিদ্যালয়ৰ শিক্ষাৰ্থী সকলে, কেই বাটাও সাংস্কৃতিক কাৰ্যসূচী পৰিবেশন কৰে। মাকুম সম জিলাত বিভিন্ন চৰকাৰী আঁচনি সমূহ প্ৰতিটো আঁচনিৰ কাম তড়িৎ গতিত কাপায়িত হব আৰু মাকুম সম জিলাৰ অন্তৰ্গত অঞ্চলসমূহ উন্নয়নৰ দিশত আগবাই যাব বুলি সংবাদ মাধ্যমৰ জৰিয়তে আশা প্ৰকাশ কৰে মাকুম সম-জিলাৰ আয়ুক্ত পংকজ চমুৱাই। আজিৰ অনুষ্ঠানত সম জিলাৰ আয়ুক্তৰ উপৰিও সম জিলাৰ সহ আৰক্ষী অধীক্ষক অৰুণ জ্যোতি তেৱন, অসম গৃহ নিৰ্মাণৰ অধ্যক্ষ পুলক গোহাঁই,মাকুম পৌৰ সভাৰ কাৰ্যবাহী বিষয়া ৰক্তিমা গগৈ,পৌৰপতি অৰ্চনা শইকীয়া, উপ-পৌৰপতি তীৰ্থবাজ প্ৰসাদ,মাকুম মণ্ডলৰ সভাপতি উদয় বড়া, মাকুম আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী ৰাধা গগৈ প্ৰমুখে৷ কবি অঞ্চলটোৰ বহুবিশিষ্ট জনগণা-মান্য ব্যক্তি সকল উপস্থিত থাকে। ইপিনে মাকুম পৌৰসভাই স্বাধীনতা দিৱস উপলক্ষে পুৱা ৬ বজাত প্ৰভাত ফেৰীৰে সমগ্ৰ মাকুম চৰৰ পৰিক্ৰমণ কৰাৰ লগতে মাকুম পৌৰ সভাৰ কাৰ্যালয়ত স্বাধীনতা দিৱস উপলক্ষে বস্তি প্ৰজ্জ্বলন,মাল্যৰ্পণ আৰু ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। উপস্থিত থাকে মাকুম পৌৰপতি অৰ্চনা শইকীয়া , উপ পৌৰপতি তীৰ্থবাজ প্ৰসাদ,কাৰ্যবাহী বিষয়া ৰক্তিমা গগৈ প্ৰমুখে৷ কবি ৰাৰ্ড আয়ুক্ত সকলে।

স্বাধীনতা দিৱস উপলক্ষে পাকা বেতবাৰীত কংগ্ৰেছৰ বিশাল ত্ৰিৰংগা যাত্ৰা

অসম বার্তা, ৰুমাকুছি, ১৬ আগষ্ট ঃ বিধায়ক জাকিৰ হুছেইন শিকদাৰৰ নেতৃত্বত কংগ্ৰেছৰ ত্ৰিৰংগা যাত্ৰা। ত্ৰিৰংগা যাত্ৰাত অংশ গ্ৰহণ কৰে তিনি হাজাৰাধিক কংগ্ৰেছ কৰ্মী। দেশৰ ৭৯ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে বৰপেটা জিলাৰ নবগঠিত পাকা বেতবাৰী সমষ্টিৰ অন্তৰ্গত পাকা বেতবাৰী ব্লক কংগ্ৰেছৰ উদ্যোগত শুকুৱবাৰে ত্ৰিৰংগা যাত্ৰা শীৰ্ষক এক বিশাল মটৰ চাইকেল ৰেলী বাহিৰ কৰা হয়। দক্ষিণ পাকা গাঁও পঞ্চায়তৰ পিঠাৰি হাইস্কুল খেল পথাৰৰ পৰা আৰম্ভ হোৱা এই মটৰ চাইকেল ৰেলী সামৰণি পৰে বববালা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত। সৰু-কেন্দ্ৰী সমষ্টিৰ বিধায়ক তথা অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ কাৰ্যকৰী সভাপতি জুবিন গাৰ্গ উপস্থিত থকা শিকদাৰৰ নেতৃত্বত বাহিৰ কৰা এই বিশাল মটৰ চাইকেল ৰেলীত প্ৰায় তিনি হাজাৰৰো অধিক কংগ্ৰেছ কৰ্মী আৰু সমৰ্থকে অংশ গ্ৰহণ কৰে। উল্লেখ্য যে এই ত্ৰিৰংগা যাত্ৰা শীৰ্ষক মটৰ চাইকেল ৰেলীত পাকা বেতবাৰী ব্লক কংগ্ৰেছ কমিটীৰ অধিনস্থ ১৫খন গাওঁ পঞ্চায়তৰ কংগ্ৰেছ কৰ্মী আৰু সমৰ্থকে অংশ কৰে।

গুৰুফেলাৰ গৃহৰক্ষী জোৱানক বিশেষ সন্মান প্ৰদান

অসম বার্তা, শ্ৰীৰামপুৰ, ১৬ আগষ্ট ঃ গোসাইগাঁও মহকুমাৰ গুৰুফেলা আৰক্ষী চকীত কৰ্মৰত গৃহৰক্ষী জোৱান মহেশ্বৰ গয়াৰীক আজিৰ স্বাধীনতা দিৱসত বিটিচ কাৰ্যাবাহী সদস্য সজল কুমাৰ সিংহই বিশেষ সম্বৰ্দনা জ্ঞাপন কৰে। যোৱা ১৩ আগষ্টত গোসাঁইগাঁৱৰ সত্যপুৰত বিজয় সংক্ৰান্ত সভা অনুষ্ঠিত হয়,যত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা অংশগ্ৰহণ কৰিছিল। সেই সময়ত কৰ্মৰত অৱস্থাত জোৱান গৰাকীয়ে প্ৰবল বৰষুণৰ মাজত এজন বিশেষভাবে সক্ষম ব্যক্তিক সহায় কৰিছিল। বৰষুণৰ পৰা ৰক্ষা কৰিবলৈ ৰুইলচেয়াৰত বহি থকা ব্যক্তিজনৰ ওপৰত ছাতি বান্ধি দিয়া এই মানবিক দৃশ্য সামাজিক মাধ্যমত ব্যাপক ভাইৰেল হয়। আজিৰ পবিত্ৰ দিনত কাৰ্যবাহী সদস্য সজল কুমাৰ সিংহ গুৱকলৈ আৰক্ষী চকীত উপস্থিত হৈ মানপত্ৰ, আৰণাই আৰু অন্যান্য সামগ্ৰী প্ৰদান কৰি জোৱানজনক সন্মানিত কৰে। তেওঁ এই পদক্ষেপক জনসেৱাৰ প্ৰকৃত উদাহৰণ বুলি অভিহিত কৰে সজল কুমাৰ সিংহই।

দেৰগাঁও সমজিলা প্ৰশাসনৰ উদ্যোগত ৭৯ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপন

অসম বার্তা, দেৰগাঁও, ১৬ আগষ্ট ঃ দেৰগাঁও সমজিলা প্ৰশাসনৰ উদ্যোগত আৰু দেৰগাঁওবাসী ৰাইজৰ সহযোগত দেৰগাঁও নিউ ফিল্ডত ৭৯ সংখ্যক স্বাধীনতা দিৱস বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন কৰা হয়। পুৱা ৯ বজাত ৰাষ্ট্ৰীয় পতাকা উত্তোলন আৰু আৰক্ষী আৰু কুচকাৱাজ দলৰ অভিবাদন গ্ৰহণ কৰে স্বাধীনতা দিৱস উদযাপন কাৰ্যসূচীৰ মুখ্য অতিথি দেৰগাঁও সমজিলা সমজিলা আয়ুক্ত শ্ৰীমতী সক্ষমাই। মুখ্য অতিথিৰ ভাষণত সমজিলা আয়ুক্ত গৰাকীয়ে দেশৰ স্বাধীনতাৰ বাবে আত্মবলিদান দিয়া তথা ত্যাগৰ নিদৰ্শনেৰে অহোপুৰুষাৰ্থ কৰা সকলো মুক্তিযোদ্ধাক শ্ৰদ্ধাৰে সুঁবৰি দেৰগাঁও অঞ্চলৰ গৌৰবোজ্জ্বল ইতিহাস কথা উল্লেখ কৰে। তেখেতে ভাষণত দেৰগাঁও সমজিলা স্থাপন হোৱাৰ পৰা বিগত ১১ মাহত বিভিন্ন বিভাগৰ কামৰ খতিয়ান তথা কামৰ অগ্ৰগতি সম্পৰ্কে বিষদভাৱে উল্লেখ কৰে। আজিৰ এই অনুষ্ঠানতেই দেৰগাঁও সমজিলাৰ অন্তৰ্গত মুক্তিযুঁজাৰু তথা মুক্তিযুঁজাৰু পৰিয়ালৰ বাক্তিক সম্বৰ্দনা জ্ঞাপন কৰা হয়। ইয়াৰ পিছতে জিলা আৰক্ষী আৰু ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ কুচকাৱাজ প্ৰদৰ্শন কৰা হয় আৰু কেই বাটাও বাবেৰুনীয়া সাংস্কৃতিক কাৰ্যসূচীও আয়োজন কৰা হয়। অনুষ্ঠানত কুচকাৱাজত অংশ গ্ৰহণ কৰা ২৬টা দলৰ ভিতৰত শ্ৰেষ্ঠ তিনিটা দলক পুৰস্কৃত কৰা হয়। অনুষ্ঠানত দেৰগাঁও বিধান সভা সমষ্টিৰ মাননিয় বিধায়ক ভবেন্দ্ৰনাথ ভৰালী, দেৰগাঁৱৰ বিশিষ্ট ব্যক্তিসকল, জেষ্ঠ নাগৰিক সকল, বিভিন্ন বিভাগৰ বিষয়া কৰ্মচাৰী, আৰক্ষী তথা নিৰাপত্তা বাহিনীৰ সদস্যকে ধৰি প্ৰায় চাৰি হাজাৰ দেৰগাঁওবাসী ৰাইজ উপস্থিত আছিল। স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি আজি পুৰাই দেৰগাঁৱৰ বাপুজী মন্দিৰ প্ৰাংগণত জাতিৰ পিতা মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত দেৰগাঁও সমজিলা আয়ুক্তই মাল্যাৰ্পণ কৰে শ্ৰদ্ধাজ্ঞলি জনায়। ইয়াৰ লগতে দেৰগাঁও সামুহিক স্বাস্থ্য কেন্দ্ৰত বেগীসকলৰ মাজত ফল-মূল বিতৰণ কৰা হয়। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি বিয়লি নিউ ফিল্ড প্ৰাংগনত সমজিলা একাদশ আৰু দেৰগাঁও ক্ৰীড়া সংস্থাৰ মাজত এখন প্ৰীতি ফুটবল খেল অনুষ্ঠিত কৰা হয়।

ৰৰপেটাত ৭৯ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপন

অসম বার্তা, ৰৰপেটা সদৰ, ১৬ আগষ্ট ঃ ৰৰপেটাৰ পৌৰসভাৰ খেলপথাৰত উৎসাহেৰে পালন কৰা হয় ৭৯ সংখ্যক স্বাধীনতা দিৱস। অনুষ্ঠানৰ আৰম্ভণিতে ৰবপেটাৰ জিলা উপায়ুক্ত (ডি চি) ৰোহন কুমাৰ ঝা মুখ্য অতিথি হিচাপে উপস্থিত হয়। ৰবপেটা পৌৰসভাৰ ৰ্ডত তেওঁ আৰু অন্যান্য বিশিষ্ট ব্যক্তিসকলে মহান্না গান্ধীৰ প্ৰতিমূৰ্তিত ফুলৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে আনুষ্ঠানিকভাবে বস্তি প্ৰজ্বলন কৰে। পুৱা ৯:০০ বজাত উপায়ুক্তই ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে, তাৰ পিছতে ৰাষ্ট্ৰীয় সংগীত গায়। ভাষণত উপায়ুক্তগৰাকীয়ে যোৱা এটা বছৰত জিলাখনৰ কৃতিৰ বিষয়ে কয়, ৰ'ত পথ আৰু আন্তঃগাঁথনি, স্বাস্থ্যসেবা, শিক্ষা, কৃষি, সমাজ কল্যাণ ক্ষেত্ৰত অগ্ৰগতিও অন্তৰ্ভুক্ত। ৰবপেটাৰ সকলো মানুহৰ উন্নয়ন আৰু কল্যাণৰ বাবে প্ৰশাসনে কাম কৰি যাব বুলিও তেওঁ আশ্বাস দিয়ে। পেৰেডৰ পিছত জিলাখনৰ ঐতিহ্য প্ৰদৰ্শন কৰি এক ৰঙীনা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। কলগাঁমে দেশপ্ৰেমমূলক নৃত্য প্ৰদৰ্শন, ৰবপেটা টাইকোৱাণ্ডো একাডেমীয়ে টাই কোৱাণ্ডো প্ৰদৰ্শন, দিপাঞ্জলি ডান্স একাডেমীয়ে লোকনৃত্য,গজিয়া সাংস্কৃতিক বিকাশ কেন্দ্ৰই নাওখেলৰ গীত, আৰু সত্ৰীয়া নৃত্য প্ৰশিক্ষা কেন্দ্ৰ, মাজোৰহাটীয়ে ভোৱতল নৃত্য প্ৰদৰ্শন কৰে ৰৈয়াৰ পিছতে মাৰ্চ পাষ্ট প্ৰতিযোগিতাৰ পুৰস্কাৰ বিতৰণ কৰা হয়। বিবিকে কলেজৰ দলটোৱে নান-ইউনিফৰ্ম শাখাত প্ৰথম পুৰস্কাৰ লাভ কৰে উদযাপনত উপস্থিত থাকে ৰবপেটাৰ এছ ডছ পি, ৰবপেটা সত্ৰৰ সত্ৰাধিকাৰ, ডিডিচি, মুখ্য কাৰ্যবাহী বিষয়া, সকলো এডিচি, জিলা প্ৰশাসনৰ বিষয়া, ৰবপেটা উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ, সমাজকর্মী আৰু অন্যান্য বিশিষ্ট অতিথি সকল।

বানিয়াৰাপাৰা, গৰেমাৰীৰ একাধিক ধর্মীয় মাদ্রাছাত উত্তোলন কৰা হয় স্বাধীনতা দিৱসৰ পতাকা

অসম বার্তা, জনীয়া, ১৬ আগষ্ট ঃ নবগাঁত মন্দিয়া সমষ্টিৰ অন্তৰ্গত বানিয়াৰাপাৰা গৰেমাৰীৰ দুখনকৈ ধর্মীয় শিক্ষা অনুষ্ঠান ক্ৰমে খাজা মাইনুদ্দিন চিশতী (ৰহঃ) হাফিজীয়া মাদ্রাছা আৰু আশ্ৰাফুল উলুম হাফিজীয়া মাদ্রাছাত আজি উলহ মালহেৰে ৭৯ সংখ্যক স্বাধীনতা দিৱসৰ পতকা উত্তোলন কাৰ্যসূচী অনুষ্ঠিত হয়। চৰকাৰৰ নির্দেশৰ প্ৰতি সঁহাৰি জনাই খাজা মাইনুদ্দিন চিশতী (ৰহঃ) হাফিজীয়া মাদ্রাছা আৰু আশ্ৰাফুল উলুম হাফিজীয়া মাদ্রাছাত এইবেলি উলহ মালহেৰে উদযাপন কৰা হয় স্বাধীনতা দিৱস। উল্লেখযোগ্য যে সম্পূৰ্ণ চৰকাৰী নীতি-নিয়ম মানি ধর্মীয় শিক্ষা প্ৰদান কৰা খাজা মাইনুদ্দিন চিশতী (ৰহঃ) হাফিজীয়া মাদ্রাছাৰ পতাকা উত্তোলন কৰে মাদ্রাছা পৰিচালনা সমিতিৰ সভাপতি মৌলবী সামিছ উদ্দিন আৰু কার্যকৰী সভাপতি অৱসৰ প্ৰাপ্ত অধাক্ষ এম নেৰাজুল হক, লগতে আশ্ৰাফুল উলুম হাফিজীয়া মাদ্রাছাৰ পতাকা উত্তোলন কৰে মাদ্রাছা পৰিচালনা সমিতিৰ সভাপতি মমিনুল হক আৰু সম্পাদক ডক্টৰ ইছমাইল ভূঞেৰে। উক্ত অনুষ্ঠানত ভাৰতবর্ষ স্বাধীনৰ সময়ত প্ৰাণ আহুতি দিয়া বীৰ পুৰুষক সকলৰ শ্ৰদ্ধাৰে সোঁৱৰি তেখেতসকলৰ আত্মাৰ শান্তিৰ দোৱা প্ৰাৰ্থনা কৰা হয়। জানিবলৈ দিয়া মতে দুয়োটা অনুষ্ঠানেই পূৰ্বৰে পৰা স্বাধীনতা দিৱসৰ পতকা উত্তোলন কৰি আহিছে যদিও এইবেলি চৰকাৰৰ নীতি নির্দেশনাৰ প্ৰতি সঁহাৰি জনাই বানিয়াৰাপাৰাস্থিত খাজা মাইনুদ্দিন চিশতী (ৰহঃ) হাফিজীয়া মাদ্রাছা আৰু গৰেমাৰীস্থিত আশ্ৰাফুল উলুম হাফিজীয়া মাদ্রাছাত উলহ মালহেৰে ৭৯ সংখ্যক স্বাধীনতা দিৱসৰ উদযাপন কৰা হয়।

ডিমৌত উৎসাহ-উদ্দীপনাৰে ৭৯ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপন

অসম বার্তা, ডিমৌ, ১৬ আগষ্ট ঃ দেশৰ ৭৯ সংখ্যক স্বাধীনতা দিৱস সমগ্ৰ দেশৰ লগতে ডিমৌতো উৎসাহ-

বৰক্ষেত্ৰীৰ বাকৰিকুছিৰ উচ্ছেদিত ভূমিত অপ-সংস্কৃতি আৰম্ভ হৈছিল ঃ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা

৭৯ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে ত্ৰিৱংগা যাত্ৰা কৰি বৰক্ষেত্ৰীৰ বাকৰিকুছিত হুংকাৰ মন্ত্ৰীগৰাকীৰ

অসম বার্তা, বৰক্ষেত্ৰী, ১৬ আগষ্ট ঃ আজি অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই ত্ৰিৱংগা যাত্ৰা কৰি নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ উচ্ছেদিত ভূমি বাকৰিকুছিত উপস্থিত হয়। এই যাত্ৰাত মন্ত্ৰীগৰাকীক সংগ দিয়ে ভাৰতীয় জনতা পাৰ্টীৰ সভাপতি জয়ন্ত বুজবৰুৱাৰ লগতে নলবাৰী জিলা বিজেপিৰ বিভিন্ন দলীয় নেতা আৰু কাৰ্যকৰ্তাসকলে। এক বিশাল সমদল নৈ নলবাৰী জিলাৰ জাগাৰৰ পৰা বাকৰিকুছি হৈ মুকাতমুৰাত এই ত্ৰিৱংগা যাত্ৰা সমাপ্ত কৰে মন্ত্ৰীগৰাকীয়ে। এই সময়ছোৱাত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই উচ্ছেদিত ভূমিত উপস্থিত হৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক উচ্চ প্ৰশংসা কৰি এনেদৰে কয়, "নলবাৰী জিলাৰ সৰ্ববৃহৎ উচ্ছেদস্থলী বাকৰিকুছিৰ পৰা আমি অসমৰ মুখ্যমন্ত্ৰীক ধন্যবাদ জনাইছোঁ। বাকৰিকুছিত যি ধৰণৰ উচ্ছেদ কৰিছিল তেনেকৈ অসমৰ গোটেই অঞ্চলতে উচ্ছেদ চলি আছে। খিলঞ্জীয়া মানুহৰ স্বাৰ্থত এই উচ্ছেদ আৰু তীব্ৰতৰ হ'ব লাগে। আমাৰ চৰকাৰখনে প্ৰতিটো মুহূৰ্তত খিলঞ্জীয়াৰ কাৰণে কাম কৰিছে। প্ৰধানমন্ত্ৰী ডাঙৰীয়ইও সদায় কৈ আহিছে বিকাশ ভী বিনাচত ভী। আমাৰ সংস্কৃতি ৰক্ষা কৰিব লাগিব। এইবিলাক ঠাইত অপসংস্কৃতি আৰম্ভ হৈছিল, আমাৰ সংস্কৃতি ধ্বংস কৰা হৈছিল। এই ঠাইত উচ্ছেদ কৰি আমি ইয়াত আমাৰ সংস্কৃতি, আমাৰ ত্ৰিৱংগা যাত্ৰা, আমাৰ ত্ৰিৱংগা পতাকা উৰুৱাব খুজিছোঁ। আজি ইয়ানৈ আহি এই বাৰ্তাই দিছোঁ যে ম'ত অসমৰ যি যি ঠাইত এনেকুৱা অপসংস্কৃতি আমাৰ সংস্কৃতিৰ বিৰুদ্ধে, আমাক আগ্ৰাসন কৰাৰ কাম আৰম্ভ হৈছিল, এইবিলাক হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত নোহোৱা কৰি পেলোৱা হ'ব। সেইবিলাক উচ্ছেদ কৰি ইয়াৰ পৰা এনেকুৱা উচ্ছেদ চলি থাকিব। এই উচ্ছেদৰ সমৰ্থনত যিয়েই আমাক বিৰোধিতা কৰি যিয়েই যি মত নামাতক, আজি কংগ্ৰেছ দলে গৌৰৱ গগৈয়ে ইয়াৰ বিৰোধিতা কৰিছে, লুৰিন গগৈৰ দৰে জাতীয়তাবাদী চিন্তা চৰ্চাৰে লালিত পালিত ব্যক্তিয়ে এতিয়া বাহল গান্ধীৰ ভৰিত পৰিছে যে উচ্ছেদ বন্ধ কৰিব লাগে। এই আগ্ৰাসনকাৰীক, বেদখলকাৰীক সুৰক্ষা দিয়াৰ কাৰণে আজি এইসকল লোকেও উঠি পৰি লাগিছে। অখিল গগৈবতো কথা কৰ্ষই নালাগে, গতিকে এইসকল লোকে বাৰ্তা পাওঁক যে অসমৰ বাইজ জাগিছে, অসমৰ বাইজে এই উচ্ছেদ বিচাৰিছে আৰু অসমৰ ভবিষ্যতৰ স্বাৰ্থত এই উচ্ছেদ চলি থাকিব, চলাই থাকিব লাগিব। নলবাৰী জিলাত যিসমূহ ঠাইত বনভূমি হওক, বি জি আৰ, ভি জি আৰ লেগ হওক, য'ত এনেকুৱা ধৰণৰ লোকৰ দখল আছে তাত উচ্ছেদ চলিব। খিলঞ্জীয়া মানুহৰ ভূমি আমি সুৰক্ষা দিম, খিলঞ্জীয়া মানুহক ভূমিৰ পট্টা দিম। নলবাৰী জিলাৰ বিভিন্ন প্ৰান্তত আগ্ৰাসনকাৰীয়ে মাটি কিনাক লৈ সাংবাদিকে প্ৰশ্ন কৰাত মন্ত্ৰীগৰাকীয়ে কয় যে এতিয়া মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰ চলি আছে, এতিয়া আৰু এইবিলাক সাহস নকৰাই ভাল। যি কৰিলে আগতে কৰিলে এতিয়া এওঁলোকৰ ঘৰ ভঙা আৰু উচ্ছেদ কৰা কাম চলি থাকিব। উচ্ছেদিত ঠাইত ভাৰতীয়ন্ত বজাই ৰখা বনভূমি সুৰক্ষিত কৰি ৰখাৰ স্বাৰ্থতেই ত্ৰিৱংগা যাত্ৰা কৰা বুলিও তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। অনাগত দিনত উচ্ছেদ হোৱা এলেকাবিলাকত উৰিয়ামাঘাঁৰ দৰে আৰম্ভ কৰা গছপুলি ৰোপণ কৰি বনাঞ্চললৈ ৰূপান্তৰ কৰিব। খিলঞ্জীয়াৰ অস্তিত্ব ৰক্ষাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব। আহাতোৎ ম, ভাৰতীয় জনতা পাৰ্টিৰ নলবাৰী জিলাৰ সভাপতি জয়ন্ত বুজবৰুৱাই কয় যে খিলঞ্জীয়া মানুহৰ স্বাৰ্থত তেঁৱে বেদখলকাৰীৰ বিৰুদ্ধে উচ্ছেদ কাৰ্য্য চলি আছে আৰু অনাগত দিনত এই উচ্ছেদ আৰু ক্ষিপ্ততৰ হ'ব।

কটাহীত স্বাধীনতা দিৱস উপলক্ষে বিষ্ণু ৰাভা সংগীত প্ৰতিযোগিতা সম্পন্ন

অসম বার্তা, পাথৰিঘাট, ১৬ আগষ্ট ঃ পশ্চিম দৰঙৰ কটাহীত কটাহী লোককৃষ্টি অধ্যয়ন কেন্দ্ৰৰ উদ্যোগত দেশৰ ৭৯ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে অনুষ্ঠিত হয় বিষ্ণু ৰাভা সংগীত প্ৰতিযোগিতা। কটাহী লোককৃষ্টি অধ্যয়ন কেন্দ্ৰৰ অধ্যক্ষ দিপুল ডেকাই আঁতধ্বা উদ্ঘোষনী অনুষ্ঠানত প্ৰতিযোগিতাৰ মঞ্চ মুকলি কৰে মানৰ কল্যাণ সংস্থাৰ অধ্যক্ষ অতুল চন্দ্ৰ কলিতাই। প্ৰতিযোগিতাৰ অন্তত অনুষ্ঠিত হয় বঁটা প্ৰদান অনুষ্ঠান। অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পী ভাৰত ভূষণ নাথ, প্ৰবীণ অভিনেতা, পৰিচালক দুলভ বৰুৱা, সাংবাদিক নৰজিৎ শৰ্মা, কটাহী লোককৃষ্টি অধ্যয়ন কেন্দ্ৰৰ সভাপতি টিনুমণি ডেকা, সম্পাদক আয়াতুল হক, সংগীত শিক্ষক প্ৰদীপ ৰাজবংশী, প্ৰতাপ ডেকা, সাংবাদিক সুনীল চৰইয়া, বুলেন ডেকাক প্ৰমুখে কৰ্মকৰ্তাবিলাকে বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত প্ৰথম, দ্বিতীয় আৰু তৃতীয় শ্ৰেষ্ঠ প্ৰতিযোগী ক্ৰমে গাগাঁপ্ৰিয়া কাশ্যপ, ৰঞ্জনী ৰাজবংশী আৰু নিৰঞ্জ কুমাৰ নাথৰ উপৰিও হিয়াস্মিতা ডেকা, জুবমিণি চৌধুৰী, তনয়া ডেকা, কিয়াৰ কানন কলিতাক বিশেষ বঁটা প্ৰদান কৰে। উল্লেখ্য যে কটাহী লোককৃষ্টি অধ্যয়ন কেন্দ্ৰই প্ৰতি শনিবাৰ আৰু ৰবিবাৰে সত্ৰীয়া নৃত্য, আধুনিক নৃত্য, ধ্ৰুপদী সংগীত, শিল্পকলা, তবলা, হাৰমনিয়াম আদিৰ প্ৰশিক্ষণ দিয়াৰ উপৰিও বিভিন্ন সময়ত বিশিষ্ট ব্যক্তি সকলৰ লগত উপলব্ধি প্ৰতিযোগিতা অনুষ্ঠিত কৰে।

জোৰশিমুলীত ড্ৰাগছসহ গ্ৰেপ্তাৰ এজন

অসম বার্তা, গৰেমাৰী, ১৬ আগষ্ট ঃ ছমৰীয়া সমষ্টিৰ অন্তৰ্গত জোৰশিমুলীত কালি স্থানীয় বাইজে ড্ৰাগছসহ সৰবৰাহকাৰী এটাক আটক কৰি আৰক্ষীৰ হাতত গতাই দিয়ে। জানিব পৰামতে জোৰশিমুলীত কালি ড্ৰাগছসহ সৰবৰাহকাৰী এটাক বাইজে আটক কৰে। ধৃত ড্ৰাগছ সৰবৰাহকাৰীটোক নতুন কাউমী গাঁৱৰ মোজাম্মিল হক বুলি জানিব পৰা গৈছে। ধৃত ড্ৰাগছ ব্যৱসায়ীৰ পৰা ৰাই জে ৮টা ড্ৰাগছ ডাঙি উদ্ধাৰ কৰিবলৈ সক্ষম হয়। পিছত ৰাই জে ড্ৰাগছসহ সৰবৰাহকাৰীটোক জোৰশিমুলী আৰক্ষীক চমজাই দিয়ে। ধৃত সৰবৰাহকাৰীটোক জোৰশিমুলী আৰক্ষীয়ে আজি আদালতত জৰিয়তে ন্যায়িক হিমালৈ প্ৰেৰণ কৰা বুলি জানিব পৰা গৈছে।

অন্বেষণ কুইজ ফ'ৰাম-বাহনাই আয়োজন কৰা স্বাধীনতা দিৱস কুইজ সম্পন্ন

অসম বার্তা, নিমাতীঘাট, ১৬ আগষ্ট ঃ অন্বেষণ কুইজ ফ'ৰাম- বাহনাই চতুৰ্থ বৰ্ষৰ বাবে স্বাধীনতা দিৱস কুইজ কালি সুকলমে অনুষ্ঠিত কৰে। কুইজখন অনুষ্ঠিত হয় এম্পাৰ্ ৰ্কণাৰ্ কচিং চেংটাৰ, বাহনাৰ প্ৰাংগণত। উচ্চ আৰু নিম্ন দুটা শাখাত অনুষ্ঠিত হোৱা কুইজৰ আঁত ধৰে ফ'ৰামৰ সঞ্চালক শ্ৰী মানস জ্যোতি হাজৰিকাই আৰু পৰিচালনা কৰে ফাৰাৰ কুইজ মাষ্টৰ শ্ৰী অকুৰ দত্ত আৰু শ্ৰী ত্ৰিদীপ কলিতাই। নিম্ন শাখাত ৪০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে একক আৰু লিখিত কুইজত অংশগ্ৰহণ কৰে। উচ্চ শাখাৰ কুইজত ১৩টা দলে প্ৰাথমিক বাছনিত অংশ লয় আৰু তাৰে ৬টা দল মূল পৰ্যায়লৈ নিৰ্বাচন কৰা হয়। প্ৰতিযোগিতাৰ অন্তত বিজয়ীসকলক আৰু শ্ৰেষ্ঠ দৰ্শকক নগদ ধন, ট্ৰফী আৰু মানপত্ৰৰে পুৰস্কৃত কৰা হয়। কুইজ থলীত কচিং চেংটাৰৰ ৰ স্বত্বাধিকাৰ শ্ৰী তুষাৰু বৰা, কচিং চেংটাৰ -থকা গৃহৰ গৰাকী শ্ৰী মুহিৰ বৰা, শিক্ষানুৰাগী ব্যক্তি শ্ৰী সুৰ বৰা, বাহনা মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক শ্ৰী অজিত বৰা, উই দা চানড়াৰাৰ প্ৰপ্ৰ শ্ৰী কানুলোচন বৰা, বংদৈ হাইস্কুলৰ শিক্ষক শ্ৰী তপন সাহ প্ৰমুখেভালেকেইজন গণ্য-মান্য ব্যক্তি আৰু অভিভাৰক-অভিভাৰিকা উপস্থিত থাকে।

উত্তৰ গুৱাহাটীত শংকৰদেৱ শিশু নিকেতনত স্বাধীনতা দিৱস উদ্‌যাপন

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ১৬ আগষ্ট ঃ উত্তৰ গুৱাহাটীৰ অন্তৰ্গত অগ্ৰণী শৈক্ষিক প্ৰতিষ্ঠান শংকৰদেৱ শিশু নিকেতনত ১৫ আগষ্ট তাৰিখে উখলমাখল আৰু বাৰেৱৰণীয়া পৰিবেশত ৭৯ তম স্বাধীনতা দিৱস উদযাপন কৰা হয়। পুৰা ঠিক ৯ বজাত পতাকা উত্তোলন কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে প্ৰাক্তন সম্পাদক মুকুটেশ্বৰ গোস্বামীয়ে। অনুষ্ঠানত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে সুৰ, গীত আৰু নৃত্যৰ মনোমোহা প্ৰদৰ্শনেৰে প্ৰাঙ্গণ মুখৰিত কৰি তোলে। আটকধুনীয়াকৈ প্ৰস্তুত কৰা প্ৰাচীৰ-পত্ৰিকা 'অন্বেষা'ৰ উন্মোচন কৰে আউনীআটী কমলদৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা পুৰবী ভড়ালী আৰু উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ অবসৰপ্ৰাপ্ত অধ্যাপিকা প্ৰতিমা বৰুৱাই। বিজ্ঞান প্ৰদৰ্শনী উদ্বোধন কৰে উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ অবসৰপ্ৰাপ্ত অধ্যাপক ডঃ হুপেশ চৌধুৰী আৰু অসম বিজ্ঞান সমিতিৰ বৃন্দালী দেৰীয়ে। ইয়াৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টিশীল প্ৰতিভাৰ নিদৰ্শন চিত্ৰপ্ৰদৰ্শনীৰ দ্বাৰ উন্মোচন কৰে প্ৰতিষ্ঠাপক সম্পাদক পাৰ্থ প্ৰতিম বৰকাকতি আৰু বিশিষ্ট অধিবক্তা অসম চমুৰাই। অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ব্যবহাৰিক বিজ্ঞান বিভাগৰ অধ্যাপক ডঃ ঈশাংকুৰ শইকীয়া, পৰিচালনা সমিতিৰ সম্পাদক ডঃ পুঞ্জেন্দ্ৰ কুমাৰ বৰুৱা, উপপ্ৰধান আচাৰ্য অক্ষয় কলিতা প্ৰমুখে্যে শিক্ষক-শিক্ষিকা, অভিভাৰক আৰু স্থানীয় গণ্যমান্য ব্যক্তিসকলৰ উপস্থিতিয়ে এক আনন্দমুখৰ পৰিবেশ সৃষ্টি কৰে।

সানেকুছি বড়িতোলাত ৭৯ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপন

অসম বার্তা, বাহাৰঘাট, ১৬ আগষ্ট ঃ আজি দেশৰ ৭৯ সংখ্যাক স্বাধীনতা দিৱস। সমগ্ৰ দেশে উদহৰ্মালহেৰে উদযাপন কৰিছে স্বাধীনতা দিৱস। উক্ত স্বাধীনতা দিৱসৰ অংশ হিচাবে ববকেক্ট্ৰী সমষ্টিৰ অন্তৰ্গত সানেকুছি বড়িতোলা চুবুৰিৰ জনপ্ৰিয় যুব সমাজকৰ্মী তথা বিজেপি কিষানমৰ্চাৰ বাজিক কাৰ্য্যনিৰ্বাহি সদস্য পৰাগজ্যোতি চৌধুৰীয়ে নিজা বাসভৱনত উলহ মালহেৰে উদযাপন কৰে ৭৯ সংখ্যক স্বাধীনতা দিৱস। তদুপলক্ষে পুৰা জাতীয় পতাকা উত্তোলন কৰে পশ্চিম বড়িগাঁও ধীৰদত্ত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অবসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত অধ্যক্ষ নিৰঞ্জন চন্দ্ৰ ডেকাই। ইয়াৰ পূৰ্বে কেইজনমান বিশিষ্ট লোকৰ দ্বাৰা গছপুলি ৰোপণ, আনহাতে পতাকা উত্তোলনৰ পিচতে অঞ্চলৰ বিশিষ্ট লোকৰ সম্বৰ্ধনা, বিনামূলীয়া চিকিৎসা শিবিৰ আদিৰ উপৰিও এটি আৰ্কষণীয় বাইক বেলি উলিবাই অঞ্চল পৰিভ্ৰমণ কৰে। বেলি উল্লেখন কৰে অবসৰপ্ৰাপ্ত শিক্ষক হৰিদেৱ ভট্টাচাৰ্য্যই আৰু চিকিৎসা শিবিৰ উদ্ঘোধন কৰে অবসৰপ্ৰাপ্ত আয়ুৰ্বেদিক চিকিৎসক ডাঃ চন্দ্ৰকান্ত শৰ্মাই। উল্লেখ্য যে বিশিষ্ট লোকৰ সম্বৰ্ধনা অনুষ্ঠান প্ৰায় দুই শতাধিক লোকক গামোছা, গছপুলি আৰু মিঠাইৰ টোপোলাকে সম্বৰ্ধনা জনাই।

গুৰুজনাৰ অমৰ সৃষ্টি কালীয় দমন আৰু কেলিগোপাল অঙ্কীয়া নাটৰ প্ৰদৰ্শন

অসম বার্তা, গেলেকী, ১৬ আগষ্ট ঃ শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ নাজিৰা জিলা শাখাৰ অন্তৰ্গত ভোগবাৰী প্ৰাথমিক শাখাত মাহজোৱা কৰ্মশালা সফলতেৰে সামৰণি পৰে। ছাত্ৰ-ছাত্ৰীসকলৰ শাৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধনৰ বাবে শ্ৰীমন্ত শংকৰদেৱ সংঘ নাজিৰা জিলা শাখাৰ অন্তৰ্গত ভোগবাৰী প্ৰাথমিক শাখাৰ উদ্যোগত আৰু ভোগবাৰী শংকৰদেৱ সংগীত বিদ্যালয় আৰু প্ৰাথমিকৰ সহযোগত, সোণালী জয়ন্তী উদযাপন সমিতিৰ ব্যৱস্থাপনাত ভোগবাৰী শাখা প্ৰাথমিক শাখাৰ নামঘৰত যোৱা ১০ জুলাইৰ পৰা বৰগীত, নেগেৰা, যোৱা-গাণিকা, কালিয় দমন আৰু কেলিগোপাল অঙ্কীয়া নাটৰ মাহজোৱা এক প্ৰশিক্ষণ কৰ্মশালা অনুষ্ঠিত হয়। বিশেষকৈ গুৰুজনাৰ সৃষ্টি এই অঙ্কীয়া নাট দুভাগিত বৃহত্তৰ অঞ্চলটোৰ শিশু, কিশোৰ আৰু যুবক-যুবতী সকলৰ অংশ গ্ৰহণ শলাগিবলগীয়া। উক্ত কৰ্মশালাত ভোগবাৰী নাহৰ আলি খনিকৰ গাঁৱৰৰ প্ৰায় ৭০ গৰাকী প্ৰশিক্ষাৰ্থীৰে অংশ গ্ৰহণ কৰে। প্ৰক্ষিক্ষণ প্ৰাপ্ত ছাত্ৰ-ছাত্ৰী সকলে কালিয়দমন আৰু কেলি গোপাল নামৰ গুৰুজনাৰ সৃষ্টি অঙ্কীয়া নাট দুভাগি বাইজৰ আগত প্ৰদৰ্শন কৰে। অত্যন্ত মননশীল অনুষ্ঠানটিৰ যোগে সকলো শিশু, কিশোৰ, যুৱক-যুৱতীক বিশেষ ভাবে উৎসাহিত কৰে।

ছয়গাঁও ভূঞাপাৰাত 'চন্দ্ৰ-কুঞ্জ শাস্ত্ৰীয় নৃত্য' একাডেমী শুভ উন্মোচন

অসম বার্তা, মিৰ্জা, ১৬ আগষ্ট ঃ চৌষ্ঠী কলাৰ অন্যতম শাস্ত্ৰীয় নৃত্য বিশ্ব দৰবাৰত খলকনি সৃষ্টি কৰা সময়াতে ছয়গাঁও ভূঞাপাৰাত জন্মলাভ কৰিলে "চন্দ্ৰ -কুঞ্জ শাস্ত্ৰীয় নৃত্য" একাডেমী নামৰ আন এখন নৃত্য প্ৰশিক্ষণালয়। শাস্ত্ৰীয় নৃত্য বিশাৰদ পল্লবী দাস শৰ্মাই তেখেতৰ মা আৰু দেউতাকৰ নাম চিৰ যুগমীয়া কৰি ৰখাৰ লগতে শাস্ত্ৰীয় নৃত্য, লঘু শাস্ত্ৰীয় নৃত্য, আৰু আধুনিক নৃত্যৰ প্ৰশিক্ষণেৰে স্থানীয় ছাত্ৰ ছাত্ৰী সকলক কিছু পৰিমাণে হ'লেও আগবঢ়াই নিয়াৰ লক্ষ্যে এই অনুষ্ঠানটিৰ জন্ম দিয়ে বুলি জানিবলৈ মিলে। অলপতে জাকজমকতাবে শুভ উন্মোচন কৰা অনুষ্ঠানটিত দ্বাৰ মুকলি আৰু বন্তি প্ৰস্তুলন কৰে ছয়গাঁও চম্পক নগৰ ছোৱালী হাইস্কুলৰ শিক্ষয়িত্ৰী নাৰ্জী চৌধুৰী। লগতে চৌধুৰীয়ে তেখেতৰ ভাষণ প্ৰসংগত এই অনুষ্ঠান খনে এদিন বিশ্ব দৰবাৰত জিলিকা উঠাৰ লগতে ইয়াৰ ছাত্ৰ ছাত্ৰী সকলে শাস্ত্ৰীয় নৃত্যৰ যোগেৰে সুনাম কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে। আনহাতে আনগৰাকী সমাজকৰ্মী যুগল শৰ্মাই ও অনুষ্ঠানখনৰ উজুল ভবিষ্যত কামনা কৰি শুভাশীষ জ্ঞাপন কৰে। স্বত্বাধিকাৰী তথা প্ৰশিক্ষক পল্লবী দাস শৰ্মাই যথেষ্ট সংগ্ৰাম অব্যাহত ৰাখি আজি ৫ বছৰ অনুষ্ঠানটিৰ জন্ম দিবলৈ সক্ষম হোৱা বুলি উল্লেখ কৰে। সংগীত শিক্ষক দীপক দাস, অসংখ্য শুভাকাংক্ষী আৰু ছাত্ৰ ছাত্ৰী উপস্থিত থকা অনুষ্ঠানটিৰ আঁত ধৰে ছয়গাঁও মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ অধ্যাপিকা জয়া দাসে। পল্লবী দাস শৰ্মা এনেধৰণৰ কৰ্মক প্ৰশংসাৰে ওপচাই বৃহত্তৰ ছয়গাঁও অঞ্চলৰ সাংস্কৃতিক মহলে।

ৰাভা জাতিৰ বাবে এয়া গৌৰৱৰ ক্ষণ-ৰাজকুমাৰ ৰাভা

৫৫ খন বিদ্যালয়ক প্ৰদান ৰাভা ভাষা মাধ্যমৰ পাঠ্যপুথি

ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ১৬ আগষ্ট ঃ নিখিল ৰাভা সাহিত্য সভা(বেথাৰ ৰাভা ক্ৰৌঞ্চাৰ ৰুনচুম)ৰ দীৰ্ঘদিনীয়া দাবীৰ ফলশ্ৰুতিত অসম চৰকাৰে ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ অনুযায়ী ৰাভা ভাষা মাধ্যম প্ৰবৰ্তনৰ বাবে যোৱা ১৫ মে'ত অসম চৰকাৰৰ বিভাগীয় কৰ্তৃ পক্ষই চৰকাৰী অধিসূচনা জাৰি কৰিছিল যে নিৰ্দেশনাৰ জৰিয়তে নিখিল ৰাভা সাহিত্য সভাৰ দীৰ্ঘদিনীয়া দাবী পুৰণ হ'ল আৰু ৰাভা জনগোষ্ঠীৰ বাবে ১৫ মে' দিনটো ঐতিহাসিক দিন হিচাবে চিহ্নিত হ'ল। অসম চৰকাৰে যোৱা ১জুন ২০২৫ তাৰিখে গোৱালপাৰা জিলাৰ বালিজানা প্ৰাথমিক শিক্ষাগুৰু অন্তৰ্গত কুৰুবাভাষা শান্তিবাজাৰস্থিত "বাইদামবুচী প্ৰাথমিক বিদ্যালয়"ত অসম চৰকাৰৰ শিক্ষা, ভৈয়াম জনজাতি আৰু শিল্প বিভাগৰ শ্ৰেণীৰ কন্যাল দপ্তৰৰ মন্ত্ৰী আৰু ৰাভা হাজং পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাৰ উপস্থিতিত ৰাভা ভাষা মাধ্যম প্ৰবৰ্তনৰ শুভাৰম্ভ অনুষ্ঠান অনুষ্ঠিত কৰা হয়। প্ৰথম পৰ্যায়ত গোৱালপাৰা জিলাৰ ৮খন বিদ্যালয় আৰু কোকৰাঝাৰ জিলাৰ ২৪খন প্ৰাথমিক বিদ্যালয়ত ৰাভা ভাষাক মাধ্যম হিচাপে প্ৰবৰ্তন কৰা এই ক্ষণটো বাইজে জাতিৰ বাবে এক ঐতিহাসিক ক্ষণ। প্ৰথম অবস্থাত শিক্ষক সকলে ৰাভা ভাষা শিকোৱাত কিছু অসুবিধা পাব যদিও শিক্ষক সকলে নিজকে ৰাভা ভাষা শিকোৱাৰ বাবে নিজকে প্ৰস্তুত কৰি তুলিলে সেই অসুবিধা আঁতৰি যাব। বৰ্তমান ৰাভা জনা অসমীয়া মাধ্যমৰ শিক্ষক শিক্ষয়ত্ৰীসকলে ৰাভা মাধ্যমত ছাত্ৰ-ছাত্ৰীক পাঠদান কৰিব। আনহাতে চৰকাৰে যেতিয়ালৈকে ৰাভা ভাষাৰ শিক্ষক নিযুক্তি নিদিয়ে তেতিয়ালৈকে প্ৰয়োজন অনুসৰি ৰাভা ভাষাৰ শিক্ষকক "টিউটৰিয়েল" শিক্ষক হিচাবে নিযুক্তি দিব। ইয়াৰ বাবে প্ৰয়োজনীয় পুজিৰ যোগান ধৰিব ৰাভা হাজং পৰিষদে। নিখিল ৰাভা সাহিত্য সভাৰ প্ৰধান সম্পাদক ৰাজকুমাৰ ৰাভাই সংবাদ মাধ্যমক কয় যে, ৰাষ্ট্ৰীয় শিক্ষানীতিৰ ২০২০ত আধাৰত নিখিল ৰাভা ভাষা সাহিত্য সভাৰ একান্ত প্ৰচেষ্টা আৰু শিক্ষামন্ত্ৰী ডাঃ ৰমেশ পোখৰিয়াল নিশংকৰ বাবে ৰাভা ভাষাই মাধ্যম হিচাবে স্বীকৃতি লাভ কৰিলে। এয়া জাতিটোৰ বাবে গৌৰৱৰ ক্ষণ। কিয়নো নিখিল ৰাভা সাহিত্য সভাৰ দীৰ্ঘদীনিয়া দাবীৰ ফলত ১৯৮৮ চনতে ৭০খন প্ৰাথমিক বিদ্যালয়ে ৰাভা ভাষাক বিষয় হিচাবে পাবলৈ সক্ষম হৈছিল যদিও পৰবৰ্তী সময়ত ৰাভা ভাষাক মাধ্যম হিচাবে প্ৰবৰ্তন নকামতৈ হৈ ন্যুহিল। অবশেষত ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত চৰকাৰ খনে এই কাম কাৰ্যকৰী কৰিলে। ৰাভা ভাষাৰ পাঠ্যপুথি বিতৰণ অনুষ্ঠানত নিখিল ৰাভা ছাত্ৰ সম্বাৰ সভাপতি মতিলাল বাকছৰ, ষষ্ঠ অনুসূচী দাবী সমিতিৰ সভাপতি দশানন ৰাভা, নিখিল ৰাভা মহিলা পৰিষদৰ সম্পাদিকা কবিতা ৰাভা, বাজিজানা প্ৰাথমিক শিক্ষা খণ্ডৰ শিক্ষা বিষয়া নজনকা ইছলাম বক্তিয়াৰে চৰকাৰৰ এই পদক্ষেপৰ শলাগ লয় আৰু আনন্দ প্ৰকাশ কৰে। আৰম্ভণী সাধাৰণ সম্পাদক ডঃ সুভাষ ৰাভা, ৰাভা হাজং পৰিষদৰ অধ্যক্ষ সোণাৰাম ৰাভা উপাধ্যক্ষা অলকা ৰাভা, দুৰ্দনৈ প্ৰাথমিক শিক্ষাখণ্ডৰ শিক্ষা বিষয়া ভদ্ৰাৱতী বৰ্মণ, পৰিষদৰ ই -এম, জি -এম, ৰাভা জাতীয় সংগঠন সমূহৰ বিষয়বৰীয়া আৰু কেবাখনো বিদ্যালয়ৰ শিক্ষক-শিক্ষয়ত্ৰী সকল উপস্থিত থাকে।

বিশ্বনাথ জিলা অবড়ো সুৰক্ষা সমিতিৰ স্বাধীনতা দিৱস উদ্‌যাপন

অসম বার্তা, নদুৱৰ, ১৬ আগষ্ট ঃ চৰিয়া বৰপাম তিনিআলিৰ তক্কক চাহ উদ্যোগত ৭৯ সংখ্যক স্বাধীনতা দিবস উৎদযাপন কৰে। পতাকা উত্তোলন কৰে বিশ্বনাথ জিলা অবড়ো সুৰক্ষা সমিতিৰ সভাপতি অৰুন বৰদলৈয়ে। পতাকা উত্তোলনৰ পিছতেই স্বাধীনতা দিবসৰ ওপৰত উত্তোলক অৰুন বৰদলৈ, উপ সভাপতি অৰনী বৰুৱাই ভাষণ আগবঢ়ায়। স্বাধীনতা দিবসৰ লগত সংগতি ৰাখি বৃক্ষ ৰোপণ কৰে বিশ্বনাথ জিলা অবড়ো সুৰক্ষা সমিতিৰ উ প সভাপতি অৰনী, সম্পাদক মন্টু বাজবংশী, সদস্য লক্ষ্মীকান্ত শইকীয়াই। সভাত উপস্থিত থাকে লাটিত পাতৰ, উত্তৰ চৰিয়া আঞ্চলিক পঞ্চায়তৰ সদস্য বন্ধি পুৰাণী, পঞ্চায়ত সদস্য ডিপু পাতৰ, অৱসৰ প্ৰাপ্ত আৰক্ষী বিষয়া প্ৰভূ ভূঞা, টংকেশ্বৰ ভূঞা, বিশ্বনাথ জিলা অবড়ো সুৰক্ষা সমিতিৰ সহ সম্পাদক শৰৎ তাঁতী, সদস্য হৰেন পাতৰ, কৃষ্ণ পাতৰ, গাঁও প্ৰধান নাৰায়ণ কুমী, হেমন্ত কলিতা, মাধৱ নাথ, বকুল শইকীয়া, উত্তম মেধী আদি বিভিন্ন অঞ্চলৰ বহা অহা ব্যক্তিসকল। অনুষ্ঠান পৰিচালনা কৰে চাহ উদ্যোগৰ স্বত্বাধিকাৰী, সমিতিৰ সদস্য জুৰেল বৰদলৈয়ে।

ভাষাবিদ টাবুৰাম টাইদৰ সপ্তম স্মৃতি দিৱস পালন

অসম বার্তা, উজনী মাজুলী, ১৬ আগষ্ট ঃ মাজুলী জিলাৰ নামনি মাজুলীৰ লোহিত খাবলুক কাইলৈ ১৭ আগষ্টত, বিশিষ্ট শিক্ষাবিদ, ভাষাবিদ টাবু ৰাম টাইডৰ সপ্তম মৃত্যু বাৰ্ষিকী দিনজোৰা কাৰ্যসূচীৰে পালন কৰা হ'ব। লোহিত খাবলু মিচিং আগম কেবাঙৰ উদ্যোগত কাইলৈ ৰবালিমৰাণ নামচিং গাড়ুম বঙ্গমঞ্চত বিশিষ্ট শিক্ষাবিদজনৰ স্মৃতি চাৰণ সভা অনুষ্ঠিত হ'ব। উক্ত স্মৃতি দিৱস উপলক্ষে কাইলৈ পুৰা পৰিবেশ নিকাকৰণৰ পাছত "আগম মিগাং টাবুৰাম টাইদ"ৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰা হয়। তাৰপিছত ছাত্ৰ ছাত্ৰীসকলৰ মাজত কবিতা আবৃত্তি, টাবুৰাম টাইদৰ জীৱনৰ ওপৰত বক্তৃতা প্ৰতিযোগিতা, ৰচনা প্ৰতিযোগিতা আৰু এনিময় প্ৰতিযোগিতাত অনুষ্ঠিত হ'ব। তাৰপিছত লোহিত খাবলু মিচিং আগম কেবাং আৰু মিচিং দুৰবি কেবাঙৰ প্ৰতিনিধি সভা অনুষ্ঠিত হ'ব। তাৰপিছত, মুকলি সভা অনুষ্ঠিত হ'ব। উক্ত, স্মৃতি চাৰণ অনুষ্ঠানত লো

সম্পাদকীয়

ভাৰত বিভাজনৰ ইতিহাস নতুন ব্যাখ্যা নে ৰাজনৈতিক দৃষ্টিভংগী ?

এতিয়ালৈকে ভাৰতৰ ইতিহাসৰ আটাইতকৈ বেদনাদায়ক অধ্যায় হৈয়ে আছে ১৯৪৭ চনৰ দেশ বিভাজন। সম্প্ৰতি NCERTৰ দ্বাৰা প্ৰকাশিত নতুন শিক্ষণ সামগ্ৰীয়ে এই বিষয়টোক লৈ এক বিতৰ্কিত দৃষ্টিভংগী আগবঢ়াইছে। য'ত পৰম্পৰাগত ঐতিহাসিক ব্যাখ্যাৰ পৰিবৰ্তে কংগ্ৰেছ নেতৃত্বক বিভাজনৰ বাবে প্ৰত্যক্ষভাৱে দায়ী কৰা হৈছে। এই নতুন ব্যাখ্যাই ইতিহাসৰ পুনৰ্ব্যাখ্যা নে ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিত প্ৰচাৰ— এই প্ৰশ্নই সমাজত আলোচনাৰ সৃষ্টি কৰিছে। NCERTৰ মডিউলসমূহে বিভাজনৰ দায়িত্ব তিনিগৰাকী ব্যক্তি— মোহাম্মদ আলী জিন্না, কংগ্ৰেছ নেতৃত্ব আৰু লৰ্ড মাউণ্টবেটেনৰ ওপৰতে সমানে ভগাই দিছে। কিন্তু ইতিহাস কেইয়াও এনে বৈশিষ্ট্য নহয়। বিভাজনৰ পিছত সংঘটিত হোৱা গণহত্যা, লক্ষাধিকৰ স্থানচ্যুতি আৰু সাম্প্ৰদায়িক হিংসাৰ দায়বদ্ধতা নিৰ্গয় কৰাটো ইমান সহজ নহয়। মডিউলসমূহত দাবী কৰা হৈছে যে কংগ্ৰেছে "বিভাজনৰ পৰিকল্পনা গ্ৰহণ কৰিছিল" আৰু "জিন্নাক তুচ্ছজ্ঞান কৰিছিল।" কিন্তু ঐতিহাসিক দলিলসমূহে দেখুৱায় যে শেষমুহূৰ্তলৈকে নেহৰু, পেটেল আদি নেতাই একত্ৰিত ভাৰতৰ বাবে চেষ্টা কৰিছিল। জিন্নাৰ দ্বিজাতি তত্ত্ব আৰু মুছলিম লীগৰ ডাইৰেক্ট একচন ডে'ৰ দৰে কাৰ্যই শেষত বিভাজনক অনিবাৰ্য কৰি তুলিছিল। ইতিহাস কেইয়াও নিৰপেক্ষ নহয়, কিন্তু ইয়াৰ ব্যাখ্যাক বিজ্ঞানসন্মত ভিত্তি হ'ব লাগে। বিভাজনৰ দায়বদ্ধতা নিৰ্ণয় কৰোঁতে সামগ্ৰিক ঐতিহাসিক পৰিস্থিতি—ব্ৰিটিছৰ "ভাগ কৰা শাসন কৰা" নীতি, দ্বিতীয় বিশ্বযুদ্ধৰ পৰবৰ্তী অস্থিৰতা, সাম্প্ৰদায়িক ৰাজনীতিৰ উত্থান—এইবোৰক উপেক্ষা কৰা হৈছে। ইতিহাসৰ পৰা শিকিবলগীয়া হৈছে যে অদূৰদৰ্শী ৰাজনৈতিক সিদ্ধান্তই কেনেকৈ জাতীয় ট্ৰেজেডীলৈ নিয়ে। কিন্তু ইতিহাসক বৰ্তমানৰ ৰাজনৈতিক প্ৰয়োজনমমীভাবে ব্যাখ্যা কৰিলে ভবিষ্যৎ প্ৰজন্মৰ বাবে ইয়াৰ শিক্ষাগত মূল্য হ্ৰাস পায়। ভাৰত বিভাজনৰ দায়িত্ব কোনো এজন ব্যক্তি বা সংগঠনৰ ওপৰত চাপোৱাটোৱে ইয়াৰ জটিলতাক সহজ কৰি দেখুৱায়। NCERT-এ ইতিহাসক নতুন প্ৰজন্মৰ বাবে সহজলভ্য কৰাৰ নামত ই'য়াৰ বস্তুগত কাৰকবোৰক উপেক্ষা কৰাটো উদ্বেগজনক। ইতিহাসৰ পাঠ্যক্ৰম হ'ব লাগে সত্যনিৰ্ভৰ, সমতাপূৰ্ণ আৰু ৰাজনৈতিক প্ৰভাৱৰ পৰা মুক্ত।

> সাত সাগৰ তেৰ নদী পাৰ হৈ অসমলৈ অহা আজান পীৰ কেৱল ইছলাম ধৰ্ম প্ৰচাৰকেই নাছিল। আজান পীৰে জিকিৰ আৰু জাৰী ৰচনা কৰি সম্প্ৰীতিৰ এনাজৰীৰে আধ্যাত্মিক ৰস বিয়পোৱাৰ উদ্দেশ্যে অসমৰ অসমৰ গাঁৰে-ভূঞে ঘুৰি ফুৰিছিল। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ একশৰণ হৰিনামৰ প্ৰতি আকৰ্ষিত হৈ জিকিৰ সমূহত সৰ্বজনীন আবেদনৰ লগতে সমন্বয়ৰ বাৰ্তা দিয়াৰ অহোপুৰুষাৰ্থ কৰিছিল। বৈষয়িক ভোগ বিলাসৰ ফালে পিঠি দি কেৱল নৈতিকতাসম্পন্ন আৰু ভ্ৰষ্টাচাৰবিহীন সমন্বয়ৰ এখন সমাজ গঢ়াৰ লক্ষ্য আজান পীৰে বুকুত বান্ধি ৰাখিছিল।

সাম্প্ৰতিক অসমৰ মেৰুকৰণ ৰাজনীতি আৰু আজান পীৰৰ প্ৰাসঙ্গিকতা

ব্ৰজেন দাস

সম্প্ৰতি অসমত মেৰু বিভাজনৰ ৰাজনীতিৰ ঢৌ তুংগত উঠিছে। কোনোবে এই মেৰুকৰণ ৰাজনীতিৰে গাদী দখলৰ বৈতৰণী পাৰ হোৱা কথা ভাবিছে; সম্প্ৰতি অসমৰ শাসকীয় দলেই হওক বা অন্যান্য দল সমূহেই হওক সকলোৱেই মেৰুকৰণ ৰাজনীতিত যেন অভ্যস্ত হৈ পৰিছে। শাসনাধিষ্ঠ মন্ত্ৰী বিধায়কৰ বক্তব্যটো অসমীয়া আৰু মিঞা বিভাজনৰ ৰাজনীতিৰ গোন্ধ পোৱা গৈছে। অসমীয়া শব্দটোৰ ভাঙনি দিলেঁৰ সৈ চতুৰ ৰাজনৈতিক নেতাবৰ্গক্কন আজমল চাহাবে ভোটবেংক স্থায়ী কৰাৰ সপোন দেখি বিপদত পৰা উপক্ৰম হোৱাই নহয় দ গাতত পৰি যেন ককবকাই আছে। এনে ৰাজনীতি দেখি কোনোৱে সাম্প্ৰদায়িক সংঘর্ষ হোৱাৰ আশংকা কৰিছে। অসমত কোনো ঘাতে সাম্প্ৰদায়িক সংঘর্ষ নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন জিলাত নাগৰিক সভা অনুষ্ঠিত কৰা দেখা গৈছে। নাগৰিক সভাৰ আহ্বান আমি প্ৰতিজন অসমীয়া সজাগ থাকিব লাগিব। আমি তাহানিৰ শংকৰদেৱৰ আৰু আজান পীৰৰ মতাদৰ্শক সম্মান কৰি হিন্দু -মুছলিম ভাই ভাই সংকল্পৰে জীৱন জিয়াব লাগিব। সম্প্ৰতিৰ সমন্বয়ক আজান পীৰৰ প্ৰাসঙ্গিকতা আজি পুনৰ আলোচনাত ঠাই পোৱাটো পৰিলক্ষিত হৈছে, যাক একাষাৰে নুই কৰিব নোৱাৰি।

সাত সাগৰ তেৰ নদী পাৰ হৈ অসমলৈ অহা আজান পীৰ কেৱল ইছলাম ধৰ্ম প্ৰচাৰকেই নাছিল। আজান পীৰে জিকিৰ আৰু জাৰী ৰচনা কৰি সম্প্ৰীতিৰ এনাজৰীৰে আধ্যাত্মিক ৰস বিয়পোৱাৰ উদ্দেশ্যে অসমৰ অসমৰ গাঁৰে-ভূঞে ঘুৰি ফুৰিছিল। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ একশৰণ হৰিনামৰ প্ৰতি আকৰ্ষিত হৈ জিকিৰ সমূহত সৰ্বজনীন আবেদনৰ লগতে সমন্বয়ৰ বাৰ্তা দিয়াৰ অহোপুৰুষাৰ্থ কৰিছিল। বৈষয়িক ভোগ বিলাসৰ ফালে পিঠি দি কেৱল নৈতিকতাসম্পন্ন আৰু ভ্ৰষ্টাচাৰবিহীন সমন্বয়ৰ এখন সমাজ গঢ়াৰ লক্ষ্য আজান পীৰে বুকুত বান্ধি ৰাখিছিল। আজান পীৰ যাক বহুতে আজান ফকীৰ বুলি জানে সেইজনাৰ আদৰ

আজি প্ৰাসঙ্গিক হৈ পৰিছে। আজান পীৰে অসমৰ মানুহক নামঘৰ আৰু মছজিদৰ সাদৃশ্য উপলব্ধি কৰাই সেই নাম-প্ৰসঙ্গক জিকিৰ আৰু জাৰীৰ বাবে উপযুক্ত বুলি পতিয়ন নিয়াবলৈ সক্ষম হৈছিল। হিন্দু সমাজত মাহ-প্ৰসাদ বিতৰণৰ ব্যৱস্থাটোক মুছলমান সমাজৰ 'চিৰণী' বিতৰণৰ সৈতে একে শাৰীতে ৰাখি প্ৰথমবাৰৰ বাবে অসমৰ মানুহক বৈষম্য ধৰ্ম আৰু ইছলাম ধৰ্মৰ কাম-কাজৰ আৰ্হি প্ৰায় একে বুলি উপলব্ধি কৰাইছিল। আজান পীৰে অসমৰ মানুহক ধৰ্মীয় সংকীৰ্ণতাৰ বিপৰীতে মানৱীয় উদাৰতাবে সকলোকে ওচৰ চাপি আহিবলৈ অনুৰোধ কৰিছিল। আজান পীৰৰ শিক্ষা অসমৰ সংস্কৃতিত গভীৰভাবে শিপাই আছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে (১৪৪৯-১৫৬৯ খ্ৰীষ্টাব্দ) বৰগীত, ভাওনা, সত্ৰীয়া নৃত্যকে ধৰি ভক্তিমূলক পৰিবেশন কলাৰ এক চহকী পৰম্পৰা এৰি থৈ যায়। আজান ফকিৰে তেওঁৰ জিকিৰসমূহৰ অধিকাংশই বৰগীতৰ আধাৰত ৰচনা কৰিছিল আৰু একে ধৰণৰ ভক্তিমূলক গীত আৰু সংগীতৰ ধাৰা ব্যৱহাৰ কৰিছিল। এই গীতসমূহৰ লক্ষ্য আছিল ব্যক্তিৰ মাজত অভ্যন্তৰীণ শান্তি আৰু সম্প্ৰীতিৰ প্ৰসাৰৰ লগতে ঈশ্বৰ বা আল্লাহৰ মহিমামণ্ডিত কৰা।

উল্লেখযোগ্য যে ১৬৩০ খ্ৰীষ্টাব্দত আহোম-মোগল সংঘাতৰ প্ৰাৰম্ভিক পৰ্যায়ত প্ৰতাপ সিংহৰ (১৬০৩-১৬৪১ খ্ৰীষ্টাব্দ) ৰাজত্বকালত আজান পীৰে নিজৰ কাম-কাজ সকলমে আৰম্ভ কৰি আছিল। আনকি অসম আগ্ৰাসনৰ সময়ত মিৰ জুমলাৰ লগত যোৱা তাৰিক-ই-আছামৰ বুৰঞ্জীকাৰ তথা লেখক শিহাবুদ্দিন তালিছে সমসাময়িক অসমৰ মুছলমানসকলৰ বিষয়ে এক আমোদজনক পৰ্যবেক্ষণ কৰিছিল। তেওঁ মন্তব্য কৰিছিল- "তেওঁলোক কেৱল নামতহে মুছলমান আৰু ইছলাম সৈতে তেওঁলোকৰ কোনো প্ৰকৃত সম্পৰ্ক নাই। তেওঁলোক আন মুছলমানতকৈ স্থানীয় লোকৰ সৈতে জড়িত হ'বলৈ অধিক প্ৰবল।" যিটো কথা আজান ফকীৰে সমৰ্থন কৰিছিল। সেইজনা আজানপীৰক অকণমান অজুহাততে চকু কাঢ়িবলৈ ৰূপাহী দা-ধৰাই আগ-পাছু নুগুণী তলতীয়া সৈন্যক আদেশ দিছিল। ৰূপাহী দা-ধৰাই ভয় খাইছিল যে আজান চাহেবৰ সংস্কাৰে হয়তো সৰ্বসাধাৰণ মুছলমানৰ সম্মুখত ৰূপাইৰ প্ৰকৃত স্বৰূপ উদঙাই দিব। সেয়ে হয়তো আজান চাহেবক এনে শাস্তি বিহা ছিল।

কিন্তু আজান-ফকীৰে অসমৰ ধৰ্মযাজক সকলৰ চৰিয়ত নমনাৰ বাবেহে তেওঁ নিজৰ চকুহাল হেঁকাৰ লগা হৈছিল বুলি কোনো কোনো বুৰঞ্জীত উল্লেখ থকা দেখা যায়।

চুপণোৱা গাঁৰত থাকোঁতেই তেওঁ ইছলাম ধৰ্ম আৰু ৰীতি-নীতি সম্পৰ্কীয় জিকিৰ গীতবোৰ ৰচনা কৰি চিনাকি অসমীয়া সুৰতে গোৱাব দিহা কৰিছিল। কিন্তু তেওঁৰ জিকিৰ গীতবোৰৰ কথাৰ মাজত আৰবী, ফৰাচী আদি শব্দৰহে ব্যবহাৰ কৰিছিল যদিও সেইবোৰৰ ব্যবহাৰে ছন্দৰ লালিত্য বা সুৰৰ মধুৰতা খৰ্ব কৰা নাছিল। যিমানেই জিকিৰ গীতবোৰৰ জনপ্ৰিয় হৈ পৰিছিল সিমানে তেওঁৰ শিষ্যৰ সংখ্যাও বৃদ্ধি পাইছিল। লাহে লাহে আজান-ফকীৰ ধৰ্মগুৰু বা পীৰ হিচাপে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছিল। তাৰ পাছত চুপণোৱা গাঁৰতেই নহয় সমগ্ৰ অসমতে আজান চাহাবৰ নাম-যশ বৃদ্ধি পাবলৈ লৈছিল।

ৰজা গদাধৰ সিংহৰ দিনত আহোম ৰজাৰ বিশেষ প্ৰতিপত্তি থকা মুছলমান বিষয়া আছিল একমাত্ৰ ৰূপাই দাৰধা। মুছলমান হিচাপে আজান-ফকীৰৰ নাম-যশ, খ্যাতি অসমৰ চাৰিওফালে প্ৰভাব পেলোৱাত ৰূপাই ঈৰ্ষাত ভুলি-পুৰি মাৰিছিল। ঈৰ্ষাপৰায়ণ ৰূপাইয়ে মোগল ৰজাৰ ওচৰত বুলি ৰজাৰ ওচৰত আজানৰ বিৰুদ্ধে গোচৰ দিলে যদিও আজানৰ গুণ্ডচৰ হোৱাৰ কোনো প্ৰমাণ কিন্তু ৰূপায়ে দিব নোৱাৰিছিল। শেষত ৰূপায়ে পুনৰ অভিযোগ আনিছিল যে জিকিৰ গীত গাই বিশেষ উপাসনাত লাগি থকা আজানে ইছলাম ধৰ্মৰ বিকৃতি ঘটাইছে। ৰজাই কথাষাৰ বিশ্বাস নকৰিলেও হয়তো বাজবিয়া ৰূপাইক সন্তুষ্ট কৰিবৰ বাবেই আজানৰ বিৰুদ্ধে ৰায় দিছিল। শেষত নিষ্ঠুৰ অপকৰ্ম কৰিলে আজানৰ দাৰধাই। বৃদ্ধ আজান আৰু ভাতৃ নবীক ধৰি আনি বন্দী কৰি ৰাখিলে আৰু আজানৰ চকু কাঢ়ি বলৈ নিৰ্দেশ দিলে। হাঁহি হাঁহি নিজৰ চকু কাঢ়িবলৈ পাতি দিলে আজানে। আজানৰ চকু কাঢ়ি নিয়াৰ পাছতেই অসম বাজলৈ নানা ধৰণৰ প্ৰাকৃতিক দুৰ্যোগ নামি আছে। শেষত ৰজাই নিজৰ ভুলৰ বাবে হোৱা অপকৰ্মৰ কথা জানিব পাৰি আজান ফকীৰৰ ধৰ্ম প্ৰচাৰ কৰিবলৈ নিজে মঠ সজাই দিয়াৰ উপৰিও ফকীৰৰ সংস্থাপন দিয়াৰ ব্যৱস্থা কৰাইছিল।

ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য কৈছিল - "যদিহে মানুহক ভাগ ভাগ কৰিলেও সি কেতিয়াও ধৰ্ম হৈ নাথাকে।"

সেয়েহে সন্ত, মহন্ত, আউলিয়া আৰু পীৰসকলে গাইছিল -

"মোৰ মনত আন ভাৱ নাই ও আল্লা
মোৰ মনত নাই আন ভাৱ।
হিন্দু কি মুছলমান একে আল্লাৰ ফৰমান,
আখেৰত একে আল্লাৰ নাম।।"

মঠতে ঐক্য আৰু সম্প্ৰীতিৰ দূত আছিল আজান পীৰ। শংকৰ আজানৰ দেশত মেৰু বিভাজনৰ ৰাজনীতিৰ পোষকতা প্ৰকৃত অসমীয়াই কাহানিও কৰা নাই আৰু কাহানিও কৰা উচিত নহয়।

প্ৰকৃতিৰ কিছু কথাবে

নাঙ জাছিঙফা খামছেঙ মৌ জিমি

মহান ব্যক্তি অব্রাহাম লিংকনে কৈছিল, "প্ৰকৃতিক প্ৰাণভৰি চোৱা আৰু বুজাৰ আনন্দই হ'ল মানুহলৈ প্ৰকৃতিৰ মহত্তম উপহাৰ।"

আমি প্ৰত্যেকজন ব্যক্তিয়েই পৰিবেশক ভালপাব লাগিব, পৰিবেশক সুস্থ-সবল কৰি ৰাখিবলৈ পৰিবেশৰ যত্ন ল'ব লাগিব। আমি পৰিবেশক ভাল পাবলৈ হ'লে সেউজীয়াক ভালপাব লাগিব। আমাৰ জীৱন আৰু কল্পনা শক্তিক চিৰকাল উৰ্বৰ কৰি ৰাখিছে কেৱল সেউজীয়া বৰণে। সেউজীয়াক অবিহনে আমাৰ এই শস্য-শ্যামলা ধুনীয়া ধৰণীখন বসবাসৰ যোগ্য হৈ নাথাকিব। আমাৰ সকলো সৃষ্টিৰ উৎস এই সেউজীয়াৰ যদি সমাপ্তি ঘটে আমাৰ আশা-আকাংক্ষাবোৰ যথনিকা পৰিব। সেউজীয়া বৰণে আমাৰ হৃদয়, মনলৈ বোৱাই আনে শান্তিৰ নিজৰা। সেয়ে হয়তো কৰিয়ে কবিতা বচি, গীতিকাৰে গীত ৰচি সেউজীয়া ধৰণীৰ চিৰকাল বন্দনা কৰি আছিছে।

কিন্তু আজি এমুঠি লোকৰ অবিবেচকী কাৰ্যৰ ফলত সেউজীয়া বহল ম্লান হৈ পৰিছে। বনাঞ্চল ধ্বংসই এতিয়া নিষ্পাণ জীৱৰ ভবিষ্যতৰ প্ৰতি এক গুৰুতৰ ভাবুকিৰ সৃষ্টি কৰিছে। বিবেকহীনভাবে গছ-গছনি কাটিছে, পাহাৰ কাটি লটঙা কৰিছে, জলাশয় পুতি পেলাইছে আৰু বহুতো প্ৰকৃতি বিধ্বংস কাৰ্য সংঘটিত কৰিছে।

এজোপা গছ ডাঙৰ হ'বলৈ বহু বছৰৰ প্ৰয়োজন হয়। কিছুমান লোকে বীজ সিঁচাতে পৰা আৰম্ভ কৰি সাৰ-জাৰব দি গছ-গছনিৰ যত্ন লয়, কিছুমান লোকে আকৌ গছ-গছনিৰ যত্ন লোৱাটো দূৰৰে কথা নিজৰ প্ৰয়োজনৰ উপৰিও ব্যৱসায়ৰ বাবে মধ্যে-মধ্যে গছ-বন কাটি নিমিষতে ধ্বংস কৰি পেলায়। গছে আমাক ছাঁ দিয়ে, ফল-মূল দিয়ে আৰু কত যে কি দিয়ে। আনকি আমাৰ আটাইতকৈ প্ৰয়োজনীয় অক্সিজেন গোছা গছে যোগান ধৰে। মানুহবোৰে যেতিয়া গছ-বনবোৰ কাটে তেতিয়া গছ-বন বোৰেওটো আঘাত পায়। গছ এজোপা কাটিবলৈ খুউব কম সময়ৰ প্ৰয়োজন। মানুহে যদি "এজোপা গছ কাটি দহজোপা বোৰক" বুলি শ্লোগান দি থকাতকৈ এজোপাও ৰুলেহুতেন।

মানুহে স্বাৰ্থসিদ্ধিৰ বাবে গছৰ ওপৰত যিমান অত্যাচাৰ চলাই আছে, সেই অত্যাচাৰৰ প্ৰতিশোধ হিচাপে যদি গছে আমাক অক্সিজেন গোছ যোগান নধৰো বুলি দাবী কৰে তেতিয়া আমি অক্সিজেন গোছ ক'ৰ পৰা পাম, কথাবোৰ দ কৈ ভাবিলে ওনিলে আচৰিত লাগে নহয়নে বাক্ধ

সকলোবোৰ পোৰাৰ পাছতো মানুহে একোকে নোপোৱাৰ দৰে আচৰণ কৰে, নহয়নে? সৰ্বস্ব ত্যাগ কৰিও প্ৰকৃতিয়ে নিস্বাৰ্থভাৱেৰে আনৰ বাবে নিজৰ কৰ্তব্য পালন কৰি আছে। প্ৰকৃতিয়ে সকলোৰে দুখ বুজে কিন্তু প্ৰকৃতিৰ দুখ মানুহ নামৰ পৃথিবীৰ আটাইতকৈ ভয়ঙ্কৰ প্ৰাণীটোৱে অলপো নুবুজে।

নীৰৱে, নিলগে বৈ যোৱা নদীখনৰ দুয়োপাৰৰ জানো কেতিয়াবা লগ হোৱা দেখিছা? দেখিছা জানো আকাশৰ জোন আৰু তৰাৰ কেতিয়াবা মিলন হোৱাঃ নাই দেখা নহয়নে? কেতিয়াবা হয়তো নদীখনৰ দুয়োপাৰৰ লগ হ'বলৈ মন যায়, হয়তো জোন আৰু তৰাই ও কেতিয়াবা মিলন হোৱাৰ সপোন দেখে, কিন্তু নদীৰ দুয়োপাৰ আৰু আকাশৰ জোন-তৰাৰ কেতিয়াওটো মিলন নহয়। কিন্তু কি জানা, ইমান দুখেৰে ভৰি থকাৰ পাছতো নদীখন কেতিয়াও থমকি বোৱা নাই। বহুবাৰ শেষত গছপাতবোৰ সৰি গছবোৰোতো লটঙা হয় কিন্তু বসন্তৰ আগমনত জানো ওকান লটঙা গছবোৰ নকুঁহিপাতে আৰহি নলয়। ফুল প্ৰকৃতিৰ এক সুন্দৰ উপহাৰ। সকলোৱে মন মোহিব পৰা ফুলবোৰোতো শুকাই মৰহি যায়, কিন্তু ফুলবোৰ জানো ঝফুলাকৈ থাকে। কাৰণ ফুলেও জানে যে ফুলৰ অবিহনে মাংগলিক কাৰ্য অসম্পূৰ্ণ হৈ ৰয়, ফল আৰু বীজ উৎপন্ন নহয়। সেয়েহে ফুলবোৰ বাবে বাবে শুকাই যোৱাৰ পাছতো ফুলিয়েই থাকে।

বৰ্তমান সময়ত প্ৰকৃতিৰ প্ৰতি কৰা অবিবেচকী কাৰ্যৰ ফলত প্ৰাকৃতিক ভাবসাম্য হ্ৰাস পাইছে আৰু জলবায়ুৰ গতিধাৰাও ব্যাহত হৈ পৰিছে। এই সংঘাতৰ পৰা পৰিত্ৰাণ পাবলৈ আমি সজাগ হৈ প্ৰকৃতিক কৰা নানা অত্যাচাৰ বন্ধ কৰিব লাগিব। আমাৰ ভবিষ্যত আমিয়েই সুৰক্ষিত কৰিব লাগিব। সেয়ে পৰিবেশ সুৰক্ষাক স্বাৰ্থক আধিক মনোযোগ দি কৰ্মতৎপৰ হোৱাটোৱেই হ'ল আজিৰ সময়ৰ দাবী।

আজি এমুঠি লোকে স্বাৰ্থসিদ্ধিৰ বাবে বিবেকহীনভাবে অৰণ্যসমূহ ধ্বংস কৰি পেলাইছে। যাৰ পৰিণতিত বন্য পশু-পক্ষীয়ে আহাৰ আৰু আশ্ৰয়ৰবাবে হাহাকাৰ কৰিবলগীয়া হৈছে। বন্য পশু-পক্ষীয়ে আহাৰৰ সন্ধানত আছি অৰণ্যৰ দাঁতিকাষৰীয়া গাওঁবোৰত প্ৰবেশ কৰিছে, যাৰ পৰিণতিত বন্য পশু-পক্ষী আৰু মানুহৰ সংঘাত দিনে দিনে বাঢ়িহে গৈ আছে।

এই সংঘাতৰ পৰা পৰিত্ৰাণ পাবলৈ আমি সকলোৱে মিলি উপযুক্ত কাৰ্যসূচী লোৱাটো উচিত। আমি যদি অৰণ্যসমূহ ধ্বংস কৰাৰ পৰিবৰ্তে সংৰক্ষণ কৰোঁ, বন্য পশু-পক্ষীৰ বাবে ফল-মূলৰ গছ বোপণ কৰোঁ, তেতিয়াটো বন্য প্ৰাণীবোৰে আহাৰ বিচাৰি ফুৰিব লগা নহয় আৰু সিহঁতৰো তেতিয়া গাঁৱলৈ আশ্ৰয় আৰু আহাৰ বিচাৰি নাহে। তেতিয়া অন্তত বন্য পশু-পক্ষী আৰু মানুহৰ সংঘাত কিছু পৰিমাণে হ'লেও কমিব।

মানুহবোৰ বাৰু কিয় ইমান স্বাৰ্থপৰঃ মানুহক জীবশ্ৰেষ্ঠ বুলি কয়, কাৰণ মানুহৰ চিন্তাশক্তি, বুদ্ধি, জ্ঞান আদি গুণবোৰ আছে যিবোৰ আন জীৱৰ নাই। কিন্তু মানুহবোৰেচোন আনৰ সহায় নোলোৱাকৈ একোকে কৰিব নোৱাৰে। আনহে নালাগে উশাহ লওঁতে প্ৰয়োজন হোৱা অ'জ্জিন গেছীখনিও গছেহে যোগান ধৰিব লাগে।

আজিকালি আকৌ মানুহবোৰে ম'ম', পিজ্জা, বিৰিয়ানি আদিৰ দৰে সোৱাদলগা খাদ্যবস্তুবোৰহে গ্ৰহণ কৰে। দামী দামী কাপোৰ, আ-অলংকাৰ আদি পিন্ধে। মানুহৰ দৰে বন্য পশু-পক্ষীবোৰেও যদি সোৱাদ লগায়হে খাবলৈ বিচাৰিলেহেঁতেন, যদি দামী দামী কাপোৰ, আ-অলংকাৰ পিন্ধিবলৈহেঁতেন বিচাৰিলেহেঁতেন, মানুহৰ দৰে যদি স্বাৰ্থপৰ হ'লহেঁতেন, তেতিয়া বাৰু কি হ'লহেঁতেন? কথাবোৰ ভাবিলে হৃদয়খন কঁপি উঠে। ই যে অতি চিন্তনীয় বিষয়।

প্ৰাণী বিজ্ঞান বিভাগৰ দ্বিতীয় চেমিষ্টাৰৰ ছাত্ৰী
যোৰহাট, হোলোঙাপাৰ

যৌন ব্যৱসায় আৰু আমাৰ সমাজৰ দায়িত্ব

চন্দন কুমাৰ নাথ

আধুনিক সমাজৰ জটিল গাঁথনিত যৌন ব্যবসায় এনে এটা বিষয় যিয়ে নৈতিকতা, অৰ্থনীতি, আৰু মানৱ অধিকাৰৰ প্ৰশ্নবোৰক একত্ৰিত কৰি এক জটিল সমস্যাৰ সৃষ্টি কৰিছে। এই ব্যবসায় যাক প্ৰায়ে সমাজৰ আজুকাৰ কোণত সীমাবদ্ধ ৰখা হয়, আমাৰ সমাজৰ গভীৰতম দুৰ্বলতা আৰু অসমতাৰ প্ৰতিফলন। অসমৰ দৰে এখন ৰাজ্যত, য'ত সাংস্কৃতিক ঐতিহ্য আৰু আধুনিকতাৰ সংঘাত সদায়ে দৃশ্যমান, যৌন ব্যবসায়ৰ উপস্থিতিয়ে আমাৰ সমাজৰ দায়িত্বৰ প্ৰশ্নটোক আৰু গভীৰ কৰি তুলিছে।

যৌন ব্যবসায়ৰ উৎপত্তি আৰু বিস্তাৰৰ মূলত আছে অৰ্থনৈতিক দুৰ্গতি, শিক্ষাৰ অভাৱ, আৰু সামাজিক বৈষম্য। অসমৰ প্ৰেক্ষাপটত গাঁৱলীয়া অঞ্চলৰ দৰিদ্ৰ পৰিয়ালৰ মহিলা আৰু শিশুসকল এই ব্যবসায়ৰ সহজ শিকাৰ হৈ পৰে। গুৱাহাটীৰ দৰে নগৰীয়া কেন্দ্ৰত যৌন ব্যবসায়ৰ উপস্থিতি স্পষ্ট হ'লেও, গ্ৰাম্য অঞ্চলতো এই ব্যবসায়ৰ সূক্ষ্ম ৰূপ লক্ষ্য কৰা যায়। মানৱ সৱবৰাহৰ জালত ধৰা পৰা বহুতো মহিলাৰ বাবে এই পথ বাছনি নহয়, বৰঞ্চ জীৱনৰ কঠোৰ পৰিস্থিতিৰ ফল। পৰিয়ালৰ জীবিকাৰ দায়িত্ব, ঋণৰ বোজা, বা পৰিয়ালৰ দৰা বিচ্ছিন্নতাই তেওঁলোকক এই পথলৈ ঠেলি দিয়ে। এই সমস্যাৰ আন এটা গুৰুত্বপূৰ্ণ দিশ হ'ল সমাজৰ দৃষ্টিভংগী। আমাৰ সমাজে যৌনকৰ্মীসকলক প্ৰায়ে তাচ্ছিল্যৰ দৃষ্টিৰে চায়, তেওঁলোকক নৈতিকতাৰে পতিত বা অপৰাধী হিচাপে গণ্য কৰে। কিন্তু এই দৃষ্টিভংগীয়ে সমস্যাৰ মূল কাৰণৰ পৰা দৃষ্টি আঁতৰাই নিয়ে। যৌনকৰ্মীসকলো মানুহ, আৰু তেওঁলোকৰো মৌলিক অধিকাৰ আছে। তেওঁলোকৰ জীৱনৰ পৰিস্থিতি বুজি নোপোৱাকৈ কেৱল নিন্দা কৰাটো সমাজৰ অদূৰদৰ্শিতাৰ পৰিচায়ক। অসমৰ সমাজত, য'ত পৰম্পৰাগত মূল্যবোধৰ প্ৰভাৱ এতিয়াও প্ৰবল, এই বিষয়ত খোলামেলা আলোচনাৰ অভাৱে সমস্যাটোক আৰু জটিল কৰি তুলিছে।

যৌন ব্যবসায়ৰ সৈতে জড়িত মানুহৰ জীৱনত শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ প্ৰশ্নটোও গুৰুত্বপূৰ্ণ। এইচ আই ভি/এইড ডৰৰ দৰে যৌন সংক্ৰমণৰ উপৰিও, যৌনকৰ্মীসকলে প্ৰায়ে সামাজিক বৰ্জন, শোষণ, আৰু হিংসাৰ সম্মুখীন হয়। পুলিচৰ হাবাথাকি, গ্ৰাহকৰ হিংসা, আৰু দালালৰ শোষণে তেওঁলোকৰ জীৱনক দুৰ্বিষহ কৰি তোলে। অসমৰ কিছুমান অঞ্চলত, বিশেষকৈ নগৰীয়া অঞ্চলত যৌনকৰ্মীসকলৰ বাবে স্বাস্থ্যসেৱা আৰু সুৰক্ষাৰ সুবিধা প্ৰায় নগণ্য। এই পৰিস্থিতিয়ে তেওঁলোকক আৰু অধিক দুৰ্বল কৰি তোলে। এই সমস্যাৰ সমাধানৰ বাবে সমাজৰ দায়িত্ব অতি গুৰুত্বপূৰ্ণ। প্ৰথমতে, আমি এই বিষয়টোক নিষিদ্ধ বিষয় হিচাপে বিবেচনা কৰা বন্ধ কৰিব লাগিব। খোলামেলা আলোচনাৰ জৰিয়তে আমি যৌন ব্যবসায়ৰ মূল কাৰণসমূহৰ বিষয়ে সজাগতা বৃদ্ধি কৰিব পাৰোঁ। শিক্ষা আৰু অৰ্থনৈতিক স্বাবলম্বিতাৰ জৰিয়তে দুৰ্বল জনগোষ্ঠীক ক্ষমতায়ন কৰাটো অতি জৰুৰী। অসমৰ গ্ৰাম্য অঞ্চলত মহিলাসকলৰ বাবে দক্ষতা উন্নয়ন কাৰ্যসূচী আৰু ক্ষুদ্ৰ ঋণৰ সুবিধাই তেওঁলোকক এই ব্যবসায়ৰ জালৰ পৰা মুক্ত কৰাত সহায় কৰিব পাৰে। চৰকাৰৰ ভূমিকাও এই ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ। অসম চৰকাৰে যৌনকৰ্মীসকলৰ পুনৰ্বাসনৰ বাবে কিছুমান পদক্ষেপ গ্ৰহণ কৰিছে, কিন্তু এই পদক্ষেপসমূহৰ ফলপ্ৰসূতা সীমিত। যৌনকৰ্মীসকলৰ বাবে স্বাস্থ্যসেৱা, আইনী সুৰক্ষা, আৰু পুনৰ্বাসনৰ সুবিধা বৃদ্ধি কৰাৰ প্ৰয়োজন। একে সময়তে, মানৱ সৱবৰাহৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে এই ব্যবসায়ৰ সৈতে জড়িত অপৰাধী জালৰ বিৰুদ্ধেও কাৰ্যকৰী পদক্ষেপ লোৱাটো জৰুৰী।

সমাজৰ এটা গুৰুত্বপূৰ্ণ অংশ হিচাপে বেচৰকাৰী সংস্থা (এন জি অ)সমূহৰ ভূমিকাও উল্লেখযোগ্য। অসমৰ বিভিন্ন এন জি অ'ই যৌনকৰ্মীসকলৰ স্বাস্থ্য, শিক্ষা, আৰু পুনৰ্বাসনৰ বাবে কাম কৰি আছিছে। উদাহৰণস্বৰূপে, কিছুমান সংস্থাই যৌনকৰ্মীসকলৰ সন্তানসকলৰ শিক্ষাৰ ব্যৱস্থা কৰি তেওঁলোকক এই দুষ্টচক্ৰৰ পৰা মুক্ত কৰাৰ প্ৰচেষ্টা চলাইছে। এনে পদক্ষেপে সমাজৰ দৃষ্টিভংগী সলনি কৰাতো সহায়

অগপৰ সৃজনগ্ৰাম বিধানসভা সমষ্টিৰ আমবাৰী-বাৰেগড় আঞ্চলিকৰ বুথ কমিটি গঠন

অসম বাৰ্তা, লেংটিছিঙা, ১৬ আগষ্ট ঃ হস্যাগন্তুক ২০২৬ ত বিধানসভা নিৰ্বাচন। নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি দলৰ প্ৰাৰ্থী সকলেও নিজৰ নিজৰ ভেটি মজবুত কৰিবলৈ তৎপৰ হোৱা পৰিলক্ষিত হৈছে। সৃজনগ্ৰাম বিধান সভা সমষ্টিত কংগ্ৰেছ - এ আই ইউ ডি এফ্ৰ্ দুৰ্বলতাৰ সুযোগ গ্ৰহণ কৰিব অসম গণ পৰিষদে। কংগ্ৰেছৰ পন্চাদগামীতা আৰু এ আই ইউ ডি এফ্ৰ্ দুৰ্বল সাংগঠনিক স্থিতিৰ বাবে সমষ্টিটোত ন উদ্যমলে আগবাঢ়িছে অসম গণ পৰিষদ দল। অসম গণ পৰিষদ দলৰ সৃজনগ্ৰাম বিধানসভা সমষ্টিৰ টিকট প্ৰত্যাশী প্ৰাৰ্থী তথা যুব নেতা ছহিদুল হকে সৃজনগ্ৰাম বিধানসভা সমষ্টিৰ প্ৰতিটো আঞ্চলিকত গৈ ৰাইজৰ লগত মত বিনিময় কৰি বাইজৰ সমস্যা সমুহৰ বুজ লোৱাৰ লগতে প্ৰতিটো আঞ্চলিকত বুথ কমিটি গঠন কৰি দলৰ সাংগঠনিক শক্তি অধিক শক্তিশালী কৰাৰ প্ৰচেষ্টা হাতত লৈছে। তাৰে অংশ হিচাপে বৃহস্পতিবাৰে সন্ধিয়া সৃজনগ্ৰাম বিধানসভা সমষ্টিৰ আমবাৰী - বাৰেগড় আঞ্চলিকৰ ১০৯ নং আমবাৰী উত্তৰ বুথত এখন সাধাৰণ সভা অনুষ্ঠিত হয়। সৃজনগ্ৰাম বিধানসভা সমষ্টিৰ সাংগঠনিক সম্পাদক ওমৰ আলী আৰু চুলতান মামুদৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সাধাৰণ সভাত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে আমবাৰী - বাৰেগড় আঞ্চলিকৰ সম্পাদক জয়নাল আবেদিন চৌধুৰীদাৰে। সভাত উপস্থিত সকলোৰে নিজৰ নিজৰ ভাষণত কংগ্ৰেছ আৰু এ আই ইউ ডি এফ দলক বিভিন্ন কথাবে খোকা সকলা কৰে। ইপিনে সৃজনগ্ৰাম বিধানসভা সমষ্টিৰ টিকট প্ৰত্যাশী প্ৰাৰ্থী তথা যুব নেতা ছহিদুল হকে নিজৰ ভাষণত আগন্তুক দিনত অসম গণ পৰিষদ দলৰ ভেটি কিদৰে মজবুত কৰি দলৰ সাংগঠনিক দিশ অধিক শক্তিশালী কৰিব পাৰি আৰু সমাজ এখন কেনেকৈ উন্নয়নৰ দিশে আগবাঢ়াই লৈ পাৰি সেই সম্পৰ্কে গুৰুত্বপূৰ্ণ ভাষণ আগবঢ়ায়।

স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি ডিব্ৰুগড়ৰ শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ একাডেমীত গীত-মাত, বক্তৃতা, চিত্ৰাংকন প্ৰতিযোগিতা

ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৬ আগষ্ট ঃ ডিব্ৰুগড়ৰ বৈৰাগীমঠত অবস্থিত শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ একাডেমীত প্ৰাক স্বাধীনতা দিবস উদযাপন কৰা হয়। দেশৰ ৭৯ সংখ্যক স্বাধীনতা দিবসৰ লগত সংগতি ৰাখি ছাত্ৰ ছাত্ৰী সকলৰ মাজত দেশ প্ৰেমমূলক বক্তৃতা, গীত আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰতিটো শ্ৰেণীৰ ছাত্ৰ ছাত্ৰী সকলে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগীক পুৰস্কাৰ প্ৰদান কৰে একাডেমীৰ পৰিচালনা সমিতিৰ সম্পাদক হলিৰাম ফুকনে। শিক্ষয়িত্ৰী বৈশালী বৰুৱা দত্তৰ পৰিচালনাত অনুষ্ঠিত হোৱা এই প্ৰাক স্বাধীনতা দিবসৰ প্ৰতিযোগিতাত একাডেমীখনৰ শিক্ষিক মুখবী যাদব গগৈয়ে ছাত্ৰ ছাত্ৰী সকলক দেশৰ ৭৯ সংখ্যক স্বাধীনতা দিবস সম্পৰ্কে বক্তব্য আগবঢ়ায়। মহাবিদ্যালয়ৰ প্ৰতিশাবাৰী শিক্ষক শিক্ষয়িত্ৰী সক্ৰিয় অংশগ্ৰহণ আৰু ছাত্ৰ ছাত্ৰী সকলৰ উৎসাহ আৰু উদ্দীপনাই অনুষ্ঠানটো মনোগ্ৰাহী হৈ উঠে আৰু ৰাষ্ট্ৰীয় সংগীতেৰে অনুষ্ঠানটো সামৰা হয়।

শঙ্কৰদেৱ সংঘ নাজিৰা জিলা শাখাৰ অন্তৰ্গত ভোগবাৰী প্ৰাথমিক শাখাত মাহজোৰা কৰ্মশালা সফলতাৰে সামৰণি

অসম বাৰ্তা, নাজিৰা, ১৬ আগষ্ট ঃ শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ নাজিৰা জিলা শাখাৰ অন্তৰ্গত ভোগবাৰী প্ৰাথমিক শাখাত মাহজোৰা কৰ্মশালা সফলতাৰে সামৰণি পৰে। ছাত্ৰ-ছাত্ৰীসকলৰ শাৰীবিক আৰু মানসিক উৎকৰ্ষ সাধনৰ ব্যৱে শ্ৰীমন্ত শংকৰদেৱ সংঘ নাজিৰা জিলা শাখাৰ অন্তৰ্গত ভোগবাৰী প্ৰাথমিক শাখাৰ উদ্যোগত আৰু ভোগবাৰী শংকৰদেৱ শংগীত বিদ্যালয় আৰু প্ৰাথমিকৰ সহযোগত, সোণালী জয়ন্তী উদযাপন সমিতিৰ ব্যৱস্থাপনাত ভোগবাৰী শাখা প্ৰাথমিক শাখাৰ নামঘৰত যোৱা ১০ জুলাইৰ পৰা ৰবণীত, নেগেৰা, যোৰা-গাণিকা, কালিয় দমন আৰু কেলিগোপাল অঙ্কীয়া নাটৰ মাহজোৰা এক প্ৰশিক্ষণ কৰ্মশালা অনুষ্ঠিত হয়। বিশেষকৈ গুৰুজনাই সৃষ্টি এই অঙ্কীয়া নাট দুভাগিত বৃহত্তৰ অঞ্চলটোৰ শিশু, কিশোৰ আৰু যুবক-যুৱতী সকলৰ অংশ গ্ৰহণ শলাগিবলগীয়া। উক্ত কৰ্মশালাত ভোগবাৰী নাহৰ আলি খনিকৰ গাঁওৰ প্ৰায় ৭০ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশ গ্ৰহণ কৰে। প্ৰক্ষিক্ষণ প্ৰাপ্ত ছাত্ৰ-ছাত্ৰী সকলে কালিয়দমন আৰু কেলি গোপাল নামৰ গুৰুজনাৰ সৃষ্টি অঙ্কীয়া নাট দুভাগি প্ৰতিযোগিতাৰ আগত প্ৰদৰ্শন কৰে। অত্যন্ত মননশীল অনুষ্ঠানটিৰ যোগে সকলো শিশু, কিশোৰ, যুবক-যুৱতীক বিশেষ ভাবে উৎসাহিত কৰে।

ধিং থানা পৰ্যায়ৰ নাগৰিক সমিতিৰ উদ্যোগত আৰু ধিং থানা গাঁওৰক্ষী বাহিনীৰ সহযোগত ড্ৰাগছ বিৰোধী সজাগতা সভা

অসম বাৰ্তা, বটদ্ৰৱা, ১৬ আগষ্ট ঃ নগাঁও জিলাৰ বটদ্ৰৱাৰ ধিং থানাৰ অন্তৰ্গত ধুপওৰি ফথৰ উদ্দিন আলী আহমেদ আদৰ্শ হাই স্কুলত স্বাধীনতা দিবসৰ দিনা ধিং থানাৰ নাগৰিক সমিতিৰ উদ্যোগত আৰু ধিং থানা গাঁওৰক্ষী বাহিনীৰ সহযোগত এক ড্ৰাগছ বিৰোধী সজাগতা সভা অনুষ্ঠিত হয়। কটহঙবি বজাৰ গাঁওৰক্ষী বাহিনীৰ সম্পাদক আবুল হুছেইনে আঁত ধৰা সভাখনত সভাপতিত্বত কৰে নাগৰিক সমিতিৰ সভাপতি অমৰজিৎ গোস্বামীয়ে। বৰ্তমান সময়ত যুৱপ্ৰজন্মৰ এটা অংশ ড্ৰাগছ আৰু নিচাজাতীয় দ্ৰব্যৰ প্ৰতি আসক্তি ভয়ংকৰভাবে বৃদ্ধি পাইছে। ড্ৰাগছমুক্ত অসমৰ স্বাৰ্থত ইতিমধ্যে অসম চৰকাৰেও বিভিন্ন পদক্ষেপ লৈছে। আৰম্ভণিয়েও এয়ে ঠায়ে অভিযান চলাই ড্ৰাগছৰ বিৰুদ্ধে সবল স্থিতি গ্ৰহণ কৰিছে। কিন্তু সচেতন মহলে দাবী কৰা মতে সেয়া পৰ্যাপ্ত হোৱা নাই! বাইজৰ মাজত সজাগতা আৰু প্ৰতিবোধ মানসিকতা আহিলেহে সমাজৰ পৰা এই ধৰণৰ নিষিদ্ধ সামগ্ৰীৰ সৰবৰাহ সম্পূৰ্ণৰূপে বন্ধ কৰিব পৰা যাব। সেই উদ্দেশ্য আগত ৰাখি ঠায়ে ঠায়ে বাইজৰ মাজত সজাগতা সৃষ্টি কৰাৰ বাবে সজাগতা সভা অনুষ্ঠিত কৰিছে নাগৰিক সমিতি আৰু গাঁওৰক্ষী বাহিনীয়ে। উক্ত সভাত ধিং থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বীৰেন কলিতা, গাঁৱৰক্ষী বাহিনীৰ উপ-উপদেষ্টা তৰুণ মনি ৰাজ, ধিং থানা কমিটিৰ সভাপতি লবকান্ত কোচ, প্ৰধান শিক্ষক ছামছুল হক, কবি আলিম উদ্দিন, নাগৰিক সমিতিৰ সদস্য দীপক শইকীয়া আৰু ধৰ্মকান্ত শইকীয়া উপস্থিত থাকি ড্ৰাগছ নিবাৰণৰ ওপৰত গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰে।

পোনপ্ৰথমবাৰ মাকুমত প্ৰাইজমানি দবা খেল প্ৰতিযোগিতা অনুষ্ঠিত

অসম বাৰ্তা, মাকুম, ১৬ আগষ্ট ঃ বিশ্ব প্ৰসিদ্ধ মনোবল বৃদ্ধি কৰা এখন খেল হৈছে দবা খেল। বিশ্বৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত কৰা হয় এই দবা খেল। তাৰ সমান্তৰাল ভাবে সকলোৱে মনোবল বৃদ্ধি কৰাৰ মহান উদ্দেশ্যেৰে বাৰেকুৰি আঞ্চলিক চুতীয়া ছাত্ৰ সস্থা আৰু মাকুম স্থানীয় যুব সমাজৰ যৌথ উদ্যোগত তিনিচুকীয়া জিলা ভিত্তিত পোনপ্ৰথমবাৰ এদিনীয়াকৈ মাকুম কমাৰ্শিল শইকীয়া ভবনত প্ৰাইজমানি দবা খেল প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। পুৰাই ৭ঃ৯ সংখ্যক স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি পতাকা উত্তোলন আৰু বন্তি গুজুলন কৰে মাকুম পৌৰ সভাৰ পৌৰপতি অৰ্চনা শইকীয়াই। পৰৱৰ্তী পৰ্যায়ত তিনিচুকীয়া জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা অহা বহু সংখ্যক দবা খেলৰ প্ৰতিযোগী সকলে অংশগ্ৰহণ কৰা পৰিলক্ষিত হয়। দবা খেলৰ প্ৰথম বিজয়ী প্ৰতিযোগীক প্ৰদান কৰা হয় ১০,০০১ টকা নগদ ধনৰ লগতে ট্ৰফী। দ্বিতীয় বিজয়ী প্ৰতিযোগীক প্ৰদান কৰা হয় ৫,০০১ টকা নগদ ধনৰ লগতে ট্ৰফী। ইয়াৰ লগতে উদীয়মান ১২ বছৰৰ অনুৰ্ধ্ব খেলুৰেকৈ ৩০০১ টকা লগতে ট্ৰফী প্ৰদান কৰা হয় বুলি খেলৰ পৰিচালনা সমিতিৰ সভাপতি মানস প্ৰতীম দাস আৰু উপ-সভাপতি অখিল বৰুৱাই সংবাদ মাধ্যমৰ যোগেদি জানিবলৈ দিয়ে।

আমগুৰিত খিলঞ্জীয়া ভূমি দখল অপচেষ্টা

অসম বাৰ্তা, আমগুৰি, ১৬ আগষ্ট ঃ শিবসাগৰ জিলাৰ আমগুৰি দোপদৰ গাড়ী গাঁৱত এগৰাকী খিলঞ্জীয়া অসমীয়া লোকৰ মাদী পট্টাৰ ভূমি বেদখলৰ চেষ্টাক কেন্দ্ৰ কৰি তীব্ৰ উত্তেজনা সৃষ্টি হৈছে। অভিযোগ অনুসৰি, এটা প্ৰবল্টি পৰিষালে চল-চাতুৰিবে উক্ত মাটি দখলৰ প্ৰয়াস চলাই আছিছিল। দৰিব পৰিযালটোৰ মুখবৃটি নামমাত্ৰ পইচা দিয়াৰ লগতে দৈনিক মদ খুৱাই, মাটি এটোপ এটোপকৈ আয়হাত কৰাৰ অভিযোগ উঠিছে। যোৱা বুধবাৰে ঘটনাস্থলীত স্থানীয় ৰাইজ আৰু বীৰ লাচিত সেনাৰ একাংশ নেতা-কৰ্মী উপস্থিত হৈ চৰজমিন তদন্ত কৰে। তেতিয়া দখলকাৰী পৰিয়ালটোৰে কোনো বৈধ নথিপত্ৰ দেখুৱাব নোৱাৰাৰ বিপৰীতে উপস্থিত লোকৰ সৈতে তৰ্ক-বিতণ্ডাত লিপ্ত হয়। পৰৱৰ্তী সময়ত সংগঠন আৰু ৰাইজে দখলকাৰীক এক সপ্তাহৰ ভিতৰত স্থান খালী কৰিবলৈ চূড়ান্ত সময়সীমা দিয়ে আৰু অন্যথা কোনো অপ্ৰীতিকৰ পৰিস্থিতি উদ্ভৱ হ'লে তাৰ দায়িত্ব বেদখলকাৰী পৰিয়ালটোৱে বহন কৰিব লগা পৰিস্থিতি সৃষ্টিহ'ব বুলি খেলুৰি সংগঠনে জনায়। উল্লেখ্য যে, এই তদন্ত বিষয়ে আগতীয়াকৈ আমওৰি ৰাজহু চক্ৰ বিষয়াক আৰু হালোৱাটিং আৰক্ষীৰ অৱগত কৰিবইই স্থানীয় ৰাইজ আৰু বীৰ লাচিত সেনাই তদন্ত প্ৰক্ৰিয়া আৰম্ভ কৰিছিল।

ৰূপহীহাটত বুজন পৰিমাণৰ ড্ৰাগছসহ আটক ১; জব্দ বাহন

অসম বাৰ্তা, ৰূপহীহাট, ১৪ আগষ্ট ঃ ৰূপহীহাটত ড্ৰাগছ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত আছে। ৰূপহীহাট আৰক্ষীয়ে আজি আৰেলি এক গোপন সূত্ৰৰ পম খেলি ড্ৰাগছ বিৰুদ্ধে জিউমাৰীত চলাই এক অভিযান। আৰক্ষীৰ অভিযানত এগছ-০১-এফডব্লিউ-৭৮২২ নম্বৰৰ চাবিকেচীয়া বাহনেৰে নগাঁৱৰ পৰা ড্ৰাগছ লৈ আহি থকাৰ সময়তে আৰক্ষীয়ে আটক কৰে। আৰক্ষীয়ে গাড়ীখনৰ পৰা দুটা চাবোনৰ বাকচ ভৰি উদ্ধাৰ কৰে এজন সৰবৰাহকাৰীক। ধৃত ড্ৰাগছ সৰবৰাহকাৰীগৈ হল জিউমাৰীৰ বশ্বিদুল হক। আৰক্ষীয়ে ড্ৰাগছৰ লগত সংশ্লিষ্ট চাবিকাষীয়া বাহনখন জব্দ কৰি ধৃত সৰবৰাহকাৰীটোক জেৰা অব্যাহত ৰাখিছে।

আন্তঃৰাষ্ট্ৰীয় মঞ্চত উজ্জ্বলিল শিৰসাগৰৰ আৰাধ্যা সৃষ্টি মালাকাৰ, অসমলৈ ৰূপৰ পদক

অসম বাৰ্তা, দিচাংমুখ, ১৪ আগষ্ট ঃ ইউএইৰ ফুজাইৰাহ চৰৰত অনুষ্ঠিত ষষ্ঠ এছিয়ান যোগাসন ক্ৰীড়া প্ৰতিযোগিতাত শিবসাগৰৰ কিশোৰী আৰাধ্যা সৃষ্টি মালাকাৰে ৰূপৰ পদক অৰ্জন কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে। ইউএইৰ ক্ৰীড়া ফেডাৰেচন, ইউএই যোগাসন কমিটী আৰু এছিয়ান যোগাসন ক্ৰীড়া ফেডাৰেচন উদ্যোগত ৯ আগষ্টৰ পৰা ১০ আগষ্টলৈ জায়েদ স্পৰ্ট কমপ্লেক্চ'ত আয়োজিত এই প্ৰতিযোগিতাত ভাৰত, ছিৰিয়া, বাংলাদেশ, শ্ৰীলংকা, পেলেষ্টাইন, ইৰাক, পাকিস্তান, ইণ্ডোনেছিয়া, দক্ষিণ কোৰিয়া, চীন, ইৰান, ফিলিপাইনছ, ইউএই, ভিয়েটনাম আদিকে ধৰি ১৬খন দেশৰ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছিল। অসম যোগাসন ক্ৰীড়া সংস্থাৰ তত্বাবধানত ভাৰতীয় দলৰ প্ৰতিনিধিত্ব কৰি আৰাধ্যাই ছাব জুনিয়ৰ ছোবালী শাখাত একক পৰম্পৰাগত যোগাসনত দ্বিতীয় স্থান দখল কৰে। ৰূপৰ পদক জয়ৰ খবৰ লগে লগে শিবসাগৰতসহ আনহৰ বন্যা বয়। আৰাধ্যা হৈছে শিবসাগৰৰ জ্যেষ্ঠ চিকিৎসক ডাঃ ৰাজমণি মালাকাৰ আৰু প্ৰতীক্ষা হাজৰিকাৰ একমাত্ৰ কন্যা। তেওঁ শিবসাগৰৰ গুৰুকুল বিদ্যামন্দিৰ বিদ্যালয়ৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰী। প্ৰতিযোগিতাৰ পৰা ঘূৰি আহোঁতে ১৩ আগষ্টত ডিব্ৰুগড় বিমানবন্দৰত শুভাকাঙ্ক্ষীসকলে গামোচা আৰু ফুলৰে উষ্ণ অভ্যৰ্থনা জনায়। শিবসাগৰত বিদ্যালয় প্ৰাংগণতো নৃত্য-গীতৰ মাজেৰে আৰাধ্যাক সম্বৰ্ধনা জনোৱা হয়। উপস্থিত সকলোৱে তেওঁৰ পিতৃ-মাতৃ আৰু প্ৰশিক্ষক জিন্তু বৃগাগোঁহাইৰ ত্যাগ আৰু পৰিশ্ৰমৰ প্ৰশংসা কৰি আৰাধ্যাৰ ভবিষ্যতৰ অধিক সাফল্য বাবে শুভেচ্ছা জ্ঞাপন কৰে।

ভোমৰাবিলত জৰাজীৰ্ণ কাঠৰ দলং লৈ তীব্ৰ ক্ষোভ

প্ৰতিশ্ৰুতি পূৰণত ব্যৰ্থ শ্ৰীৰামপুৰ পাৰিষদ সজল কুমাৰ সিংহ

অসম বাৰ্তা, শ্ৰীৰামপুৰ, ১৪ আগষ্ট ঃ বিটিআৰৰ উন্নয়নৰ ফোফলা দৃশ্য উদঙাইছে শ্ৰীৰামপুৰ পৰিষদীয় সমষ্টিৰ ভোমৰাবিল গাঁৱৰ এখন জৰাজীৰ্ণ কাঠৰ দলং। প্ৰতিদিনে বিপদ সংকুলাবে এই দলঙেই পাৰাপাৰ কৰিব লগা হৈছে স্কুলীয়া ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় ৰাইজ। বিপিএফ আলোৱে পৰা বৰ্তমান ইউপিপিএল চৰকাৰলৈকে কোনো চৰকাৰে গুৰুত্ব সহকাৰে দলংখনৰ মেৰামতিৰ পদক্ষেপ গ্ৰহণ নকৰাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজ আৰু দল সংগঠনে। আপতকালীন সেৱাৰ পৰা বঞ্চিত হৈ এম্বুলেন্সে গাঁৱলৈ প্ৰৱেশ কৰিব নোৱাৰা পৰিস্থিতিত টাঙ্গি ক্ষোভ স্থানীয় ৰাইজৰ। উপায়ান্তৰ হৈ ৰাইজ, ছাত্ৰ-ছাত্ৰী আৰু দল সংগঠন মিলি প্ৰতিবাদত নামি অনতিপলমে দলংখনৰ সংস্কাৰ নকৰিলে ভোট বৰ্জনৰ ধমকি প্ৰদান কৰিছে। বিভাগীয় কৰ্তৃপক্ষ আৰু স্থানীয় জনপ্ৰতিনিধিৰ বহু পৰ্যায়ত অৱগত কৰিও কোনো পদক্ষেপ নোহোৱাত ক্ষোভ আগ্নেয়গিৰিৰে দৰে বিস্ফোৰিতে হৈছে।

পাকিস্তান ভ্ৰমণ সন্দৰ্ভত প্ৰতিক্ৰিয়া গৌৰৱ গগৈৰ

অসম বাৰ্তা, লংকা, ১৪ আগষ্ট ঃ লংকাত উপস্থিত APCC সভাপতি গৌৰৱ গগৈ। হোজাই জিলাৰ লংকাত উপস্থিত গৌৰৱ গগৈক দলীয় কৰ্মীয়ে ঢোলৰ দগৰে আদৰি পাছত লংকাৰ পিয়লি বজাৰৰ মাজেৰে পদযাত্ৰা কৰি লংকাৰ ঐতিহ্যমণ্ডিত মা লংকেশ্বৰী মন্দিৰত পূজা - অৰ্চনা কৰি সেৱা লৈ এক দলীয় সভাত অংশগ্ৰহণ কৰে। পৰৱৰ্তীসময়ত লংকা বজাৰৰ মাজেৰে কেন্দ্ৰেল লাইট মাৰ্চত ভাগ লয়। আনফালে ৫ আগষ্টত পাকিস্তানৰ হাই কমিছনাৰে আয়োজন কৰা ৰেবনাৰত অংশগ্ৰহণ কৰা সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে গৌৰৱ গগৈয়ে। সম্পূৰ্ণ মিছা আখ্যা দিছে অসম কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে। দিল্লীলৈ গৈ দলৰ আইনী দলৰ লগত কথা পাতি বিহিত ব্যৱস্থা গ্ৰহণ কৰাৰ কথা উল্লেখ কৰিছে। মিছা কথাটো মুখ্যমন্ত্ৰীয়ে কোৱা হ'লে বেছি ভাল আছিল বুলি কয়। কাৰণ মুখ্যমন্ত্ৰীৰ ওপৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰিব পাৰিলে সুখী হ'ল হয়। মুখ্যমন্ত্ৰীয়ে এঞ্জ হেণ্ডেল যোগে অথবা ফেচবুক লাইভ যোগে যোগেদি মিছা কথাটো প্ৰকাশ কৰিবলৈ আহ্বান জনাইছে সাংসদ গৌৰৱ গগৈয়ে।

বাঘৰৰৱ মন্দিয়াৰ পুৰাণবস্তিত শোকাৱহ ঘটনা, শোকৰ ছাঁ

খাদ্যত বিষক্ৰিয়া হৈ পিতা-পুত্ৰৰ মৃত্যু, মাতৃ-কন্যাৰ অৱস্থা সংকটজনক

শোকাৱহ ঘটনাৰ প্ৰাথমিক তদন্ত অব্যাহত

অসম বাৰ্তা, বাঘবৰ, ১৪ আগষ্ট ঃ ৰবপেটা জিলাৰ মন্দিয়া আৰক্ষী চকীৰ অন্তৰ্গত পুৰাণবস্তি গাঁৱত কালি নিশা সংঘটিত হৈছে এক শোকাৱহ আৰু তীব্ৰ চাঞ্চল্যকৰ ঘটনা। খাদ্যত বিষক্ৰিয়াৰ সন্দেহজনক কাৰণত একেটা পৰিয়ালৰ চাৰিজন সদস্য অসুস্থ হোৱাৰ পাছত পিতা-পুত্ৰৰ মৰ্মান্তিক মৃত্যু আৰু মাতৃ-কন্যাৰ সংকটজনক অৱস্থা সম্পূৰ্ণ অঞ্চলক শোকৰ ছাঁত ঢাকি দিয়ে। প্ৰাপ্ত খবৰৰ অনুসৰি, পুৰাণবস্তি গাঁৱৰ বাসিন্দা বীৰেন দাস (৪৫) আৰু তেওঁৰ পৰিয়াল — পত্নী জোংমা দাস (৪০), পুত্ৰ প্ৰাণজিৎ দাস (২৩) আৰু কন্যা পূৰ্ণিমা দাস (১৮) — ১২ আগষ্টৰ নিশা আহাৰ গ্ৰহণ পাছতেই অতি বমি আৰু পেটৰ তীব্ৰ অসুখত ভুগি পৰে। পৰিয়ালৰ লোকে তৎক্ষণাত স্থানীয় এখন বেচৰকাৰী চিকিৎসালয়ত চিকিৎসাৰ ব্যৱস্থা কৰে। অৱস্থা অধিক জটিল হোৱাত যোৱা ১৩ আগষ্টৰ পুৱা মন্দিয়া আদৰ্শ চিকিৎসালয়ত তেওঁলোকক ভৰ্তি কৰোৱা হয়। কিন্তু চিকিৎসাধীন অৱস্থাত বীৰেন দাস আৰু প্ৰাণজিৎ দাসৰ অৱস্থা অধিক সংকটজনক হোৱাত তেওঁলোকক ৰৱপেটাস্থ ফথৰুদ্দিন আলি আহমেদ চিকিৎসা মহাবিদ্যালয়ত প্ৰেৰণ কৰা হয়। তাতেই বীৰেন দাসৰ মৃত্যু ঘটে। প্ৰাণজিৎ দাসক চাংসাৰীস্থিত এইমছলৈ লৈ যোৱাৰ পাছতো চিকিৎসকে মৃত ঘোষণা কৰে। এই আকস্মিক দুৰ্ঘটনাই নিশাই অঞ্চলবাসীক স্তম্ভিত কৰি তোলে। শতাধিক শোকাহত ব্যক্তিৰ উপস্থিতিত আজি পুৰা পিতা-পুত্ৰৰ অন্ত্যেষ্টিক্ৰিয়া স্থানীয় স্মশানত সম্পন্ন কৰা হয়। পৰিয়ালৰ মাতৃ জোংমা দাস আৰু কন্যা পূৰ্ণিমা দাস বৰ্তমানো ৰৱপেটাৰ ফথৰুদ্দিন আলি আহমেদ চিকিৎসা মহাবিদ্যালয়ত সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ আছে। ইপিনে, ঘটনাৰ খবৰ পোৱাৰ লগে লগেই মন্দিয়া আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত অধিকাৰী তৰণী দাসে স্থান পৰিদৰ্শন কৰি প্ৰাথমিক তদন্ত আৰম্ভ কৰে। মৰনোত্তৰ পৰীক্ষাৰ ফলাফলেই ঘটনাৰ প্ৰকৃত কাৰণ উদঘাটন কৰিব বুলি আৰক্ষীয়ে আশা প্ৰকাশ কৰিছে। অন্যফালে, ৰৱপেটা জিলা মুটীয়া স্বাস্থ্য সঞ্চালকৰ কাৰ্যালয়ৰ ছাৰ্ভিলেন্স বিষয়া আৰু খাদ্য সুৰক্ষা বিষয়াৰ নেতৃত্বত এখন দলে আজি বীৰেন দাসৰ বাসগৃহ পৰিদৰ্শন কৰে। ঘৰখনৰ পৰা সন্দেহজনক খাদ্য সামগ্ৰীৰ নমুনা সংগ্ৰহ কৰি প্ৰয়োজনীয় পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হৈছে। খাদ্য সুৰক্ষা বিষয়া নাজবীন চুলতানাৰ মতে, যোৱা মঙলবাৰৰ পৰাই পৰিয়ালটোৰ চাৰিওজন সদস্য অসুস্থ হৈ আছিল আৰু তেওঁলোকে স্থানীয় এখন ফাৰ্মাচীৰ পৰা ঔষধ, চেলাইন আদি গ্ৰহণ কৰিছিল যদিও আবেলা লাহ নকৰাত তেওঁলোকক মন্দিয়া আদৰ্শ চিকিৎসালয়ত ভৰ্ত্তি কৰোৱা হয়। পৰিয়ালটোৰ অসুস্থতাৰ লক্ষণসমূহ খাদ্যত বিষক্ৰিয়াৰ সৈতে সম্পৰ্কিত হোৱাৰ সম্ভাৱনা অধিক, যদিও পৰীক্ষাৰ ফলাফল আহিলেহে নিশ্চিত হ'ব পাৰিব। পুৰাণবস্তি গাঁৱৰ এই ঘটনাই মন্দিয়া আৰু আশপাশৰ অঞ্চলত আতঙ্কৰ পৰিবেশ সৃষ্টি কৰিছে। স্থানীয় লোকসকলে চৰকাৰ আৰু স্বাস্থ্য বিভাগক দ্ৰুত তদন্ত সম্পূৰ্ণ কৰি দোষী কাৰণ চিহ্নিত কৰিবলৈ আহ্বান জনাইছে।

যোৰহাট-নিমাতী পথৰ দুৰৱস্থা

যি কোনো মুহূর্তত ঘটিব পাৰে ভয়াবহ দুর্ঘটনা

অসম বাৰ্তা, নিমাতীঘাট, ১৪ আগষ্ট ঃ যোৱহাট নিমাতী (চাৰিগাঁও) পথৰ বৰ্তমানৰ শোচনীয় ৰূপে যাতায়ত ব্যৱস্থাটো ব্যহত কৰাব লগতে যাত্ৰীৰ প্ৰতিও ভাবুকিৰ সৃষ্টি কৰিছে। পথটো কেন্দ্ৰগুৰিৰ পৰা বাহনা তিনিযালিলৈকে সম্পূৰ্ণকৈ বিধ্বস্ত হৈ পৰাৰ লগতে বহু ঠাইত ডাঙৰ ডাঙৰ গাতৰ সৃষ্টি হোৱাত যি কোনো সময়ত দুর্ঘটনাৰ আশংকা প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। যোৱহাট মাজুলীৰ মুখ্য পথ হিচাবে বিবেচিত এই পথটোৰ মেৰামতিৰ ক্ষেত্ৰত লগত নিৰ্মাণ বিভাগৰ যোৱহাট পথ সংমণ্ডলৰ লগতে যোৱহাট বিধান সভাৰ বিধায়ক গৰাকীৰ নীৰবতাক সমালোচনা কৰিছে স্থানীয় ৰাইজে। সচেতন মহলে যোৱহাটৰ পৰা চাৰিগাঁও হৈ নিমাতীঘাটলৈ যোৱা এই পথটো বৰ্তমান টিয়ক বিধানসভা সমষ্টিৰ অন্তৰ্গত হোৱাৰ বাবে যোৱহাটবিধানসভা সমষ্টিৰ বিধায়ক গৰাকীয়ে গুৰুত্ব নিদিয়াৰ অভিযোগ উত্থাপন কৰিছে। পথটো পুনৰ নিৰ্মাণৰ ক্ষেত্ৰত সচেতন মহলে মুখামনীৰ হস্তক্ষেপ কামনা কৰিছে।

অৰুণাচল প্ৰদেশৰ ফিনবিৰ'ৰ পৰা বৃহৎ পৰিমাণৰ মাৰণাস্ত্ৰ উদ্ধাৰ

স্বাধীনতা দিৱসৰ প্ৰাক্‌ক্ষণত অসম ৰাইফলছ'ৰ সাফল্য

অসম বাৰ্তা, জাগুন, ১৪ আগষ্ট ঃ স্বাধীন ভাৰতৰ ৭৯ সংখ্যক স্বাধীনতা দিৱসলৈ মাজত মাত্ৰ কেইটমান মুহূর্ত বাকী থকাৰ সময়তে অসম-অৰুণাচল প্ৰদেশ সীমান্তৰ ফিনবিৰ নামৰ অঞ্চলৰ পৰা অসম ৰাইফলছ'ৰ এটা দলে বৃহৎ পৰিমাণৰ মাৰনাস্ত্ৰ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। অসম ৰাইফলছ'ৰ দ্বাৰা চলোৱা এক বৃহৎ অভিযানত উদ্ধাৰ হোৱা বিষয়া সমূহৰ ভিতৰত আছে ১৮টা বাকিচকী, ৪টা ৰেডিঅ' চাৰ্জাৰ, বোমা নিৰ্মাণ কাৰ্যত ব্যৱহাৰ হোৱা ৬ দাল বৈদ্যুতিক তাঁৰ, ১টা হস্তনিৰ্মিত পিস্তল, ৫৯টা ডিটোনেটৰ, ৬টা প্ৰাইমাৰ, ২টা বোমা নিৰ্মাণত ব্যৱহৃত ফিউজ আৰু ৬০ জাই সজাঁৰ গুলি। ইতিমধ্যে মাৰণাস্ত্ৰ সমূহ অসম ৰাইফলছে অসম আৰক্ষীক গতাই দিয়া বুলি জানিব পৰা গৈছে। নিষিদ্ধ ঘোষিত সংগঠন দুটাই স্বাধীনতা দিৱসত দেশ বিৰোধী কুটাঘাটৰ পৰিকল্পনা কৰি এই দৰে সাজু হৈছিল বুলি সেনা আৰক্ষীয়ে সন্দেহ প্ৰকাশ কৰিছে।

তিনি দিনৰ ব্যৱধানত একে স্থানতে দুখনকৈ মটৰ চাইকেল চুৰি

নগাঁৱত পুনৰ সক্ৰিয় মটৰ চাইক

জম্মু-কাশ্মীৰৰ কাঠুৰাত

সংযোগী পথ বানপানীৰ পানীত উটি যোৱাৰ লগতে গাঁৱখনক সৈতে সংযোগ বিচ্ছিন্ন হৈ পৰিছে। কাঠুৱাৰ উপ-আয়ুক্ত বাচেল শর্মাই জানিবলৈ দিছে যে, উদ্ধাৰকাৰী দলসমূহ ঘটনাস্থলীত উপস্থিত হৈছে আৰু উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। তেওঁৰ মতে, আহতসকলক পাঠানকোটৰ সামৰিক চিকিৎসালয়লৈ স্থানান্তৰ কৰা হৈছে। কেন্দ্রীয় মন্ত্রী জিতেন্দ্র সিঙে এঁত পোষ্ট কৰি কয় যে, তেওঁ কাঠুৱাৰ এছ ৰোড পি শোভিত সাঁৱৰ সৈতে পৰিস্থিতিৰ বিষয়ে আলোচনা কৰিছে। তেওঁ উল্লেখ কৰে, "জাংলোটৰ অঞ্চলত ডাৰৰ বিস্ফোৰণৰ ফলত চাৰিজনৰ মৃত্যু হৈছে। ৰে'লৰে ট্রেক, ৰাষ্ট্রীয় ৰাইপথৰ লগতে কাঠুৱাৰ আৰক্ষী থানাও ক্ষতিগ্রস্ত হৈছে। প্রশাসন, সেনাবাহিনী আৰু আৰক্ষীৰ যৌথ প্রচেষ্টাত উদ্ধাৰ কার্য চলি আছে।" দেওবাৰে পুৱা মাহাৰাষ্ট্রৰ মুম্বাই আৰু থানে জিলাত অবিৰাম বৰষুণৰ ফলত বহু অঞ্চলত জলাবদ্ধতাৰ সৃষ্টি হৈছে। মুম্বাইৰ মহিমৰ কিছু অংশত পানী জমা হোৱাৰ কাৰণে ব্যাপক ক্ষতি হৈছে। অত্যধিক বৰষুণৰ ফলত মিঠি নদীৰ জলপৃষ্ঠ বিপদসীমাৰ ওচৰ চাপিছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে মুম্বাই আৰু কংকণ অঞ্চলৰ বাবে আকস্মিক বানৰ সতৰ্কবাণী জাৰি কৰিছে। প্রশাসনৰ নির্দেশনা অনুসৰি, দুৰ্যোগ ব্যবস্থাপনাৰ দায়িত্বপ্রাপ্ত ভাৰতীয় প্রশাসনিক সেৱাৰ (আই আৰএছ) বিষয়া আৰু বিভাগীয় ন'ডেল বিষয়াসকলক উচ্চ সতৰ্ক অৱস্থাত থাকিবলৈ কোৱা হৈছে। যিকোনো দুৰ্যোগৰ ক্ষেত্রত তাৎক্ষণিক ব্যৱস্থা গ্রহণৰ লগতে তথ্যৰ ভত্ত বিনিময় নিশ্চিত কৰাৰ নির্দেশ দিয়া হৈছে। মটৰ পথত বাধাৰ সৃষ্টি হ'লে এনএইচপিডব্লিউডি, পিএমজিএছবাই, এডিবি, বিআৰও, ডব্লিউবি, আৰু চিপিডব্লিউডিৰ দলে সংস্থাসমূহে তৎক্ষণে পথ মুকলি কৰাৰ ব্যৱস্থা কৰিব। আকৌ হিমাচল প্রদেশত প্রচণ্ড বৰষুণে বিধ্বংসী ৰূপ ধাৰণ কৰিছে, যাৰ ফলত পথ, বিদ্যুৎ আৰু পানী যোগান ব্যৱস্থা গুৰুতৰভাবে ক্ষতিগ্রস্ত হৈছে। বাজিৰ দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষৰ তথ্য অনুসৰি, দেওবাৰে পুৱালৈকে তিনিটা ৰাষ্ট্রীয় ৰাইপথকে ধৰি ৩৬১টা পথ বন্ধ হৈ আছে। ইয়াৰ উপৰি ৬৩৭টা বিতৰণ ট্রেনফৰ্মাৰ আৰু ১১৫টা পানী যোগান আঁচনি ক্ষতিগ্রস্ত হৈছে। ২০ জুনৰ পৰা চলি থকা দুৰ্যোগৰ ফলত ২৬১জন লোকে প্রাণ হেৰুৱাইছে, যাঁত ১৩৬ জনৰ মৃত্যু ভূমিস্খলন, বানপানী আৰু ঘৰ ভাঙি পৰাৰ ফলত হৈছে, আৰু ১২৫ জনৰ মৃত্যু পিছল পৰিস্থিতিৰ ফলত হোৱা পথ দুর্ঘটনাত হৈছে। মাণ্ডী জিলাত ২০১টা পথ আৰু কুলুত ৬৩টা পথ ভূমিস্খলনৰ বাবে বন্ধ হৈ আছে। কিন্নাউৰৰ টিকৃ নল্লাত ০৫ নং ৰাষ্ট্রীয় ৰাইপথো ক্ষতিগ্রস্ত হৈছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে হাৰিয়ানা আৰু পঞ্জাৰৰ বাবে তহঁপৰি পৰ্যায়ৰ বতৰৰ সতর্কবাণী জাৰি কৰিছে। হাৰিয়ানাৰ কর্ণাল, ইন্দ্রি, থানেছৰ, নীলোখেৰী, বাৰ্নৈল, ৰবাৰা, জগধৰি, আৰু ছদ্দৌলিত ধুমুহা আৰু বজ্রপাতৰ সৈতে প্রবল বৰষুণৰ সম্ভাবনা আছে। ঘৰৌন্দা, আসন্ধ, কাইথাল, নাৰায়ণগড়, পঞ্চকুলা, পেহোবা, চাহাবাদ, আম্বালা, চণ্ডীগড়, আৰু কলকাত মধ্যমীয়া বৰষুণৰ সম্ভাবনা আছে। পঞ্জাৰৰ পাটিয়ালা, বাঙপুৰা, ডেৰাবস্সি, ফাতেহগড় চাহাব, আমলোহ, মোহলী, বহি পাথানা, খৰাৰ, কপ নগৰ, বালাচৌৰ, আৰু আনন্দপুৰ চাহাবতো ধুমুহাৰ সৈতে মধ্যমীয়া বৰষুণৰ পূর্বাভাস দিয়া হৈছে। আনহাতে, উত্তৰাখণ্ডৰ বাজিক জঙ্গলীকালীন অভিযান কেন্দ্রই ডেৰাডুন, বাগেশ্বৰ, চামোলি, চম্পাৰত, পিথোৰাগড়, কৱপ্রয়াগ, তেহৰী, আৰু উত্তৰকাশী জিলাৰ ঊনা দণ্ডাধীশসকলক সতর্কতা অৱলম্বন কৰিবলৈ নির্দেশ দিছে। কর্তৃপক্ষক যাত্রাত্রত নিয়ন্ত্রণ আৰু নিৰাপত্তা নিশ্চিত কৰিবলৈ সকলো স্তৰত প্রস্তুতি গ্রহণ কৰাৰ পৰামর্শ দিয়া হৈছে।

চামগুৰিত ভৰিৰে গচকি

জিলাৰ চামণ্ডৰি অঞ্চলত তীব্র চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনাটো সংঘটিত হৈছে কাশ্মীৰী প্রাথমিক শিক্ষাখণ্ডৰ অন্তর্গত বৰঙাতলি অঞ্চলৰ গোপীনাথ দেৱ গ্রোষমী উচ্চ মাধ্যমিক বিদ্যালয়ৰ। খাটোৱাল থানাৰ আৰক্ষীয়ে গ্রেপ্তাৰ কৰা শিক্ষয়িত্রী গৰাকী হৈছে বিদ্যালয়খনৰ প্রধান শিক্ষয়িত্রীৰ দায়িত্বত থকা ফাতেমা খাতুন। জানিব পৰা মতে, খাটোৱাল আৰক্ষী থানাৰ অন্তর্গত বৰঙাতলিগাঁৱত অবস্থিত গোপীনাথ দেৱ গোষমী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্রধান শিক্ষয়িত্রী ফাতেমা খাতুনে দেশৰ ৭৯ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে কালি পুৱা ৰাষ্ট্রীয় পতাকা উত্তোলন কৰিছিল। সূর্যাস্তৰ পূর্বে বিয়লি ৫ বজাত ৰাষ্ট্রীয় পতাকাখন নমাব লাগে যদিও বিদ্যালয়খনৰ কর্তৃপক্ষই পতাকাখন অবনমিত নকৰিলে। স্থানীয় ৰাইজে এই কার্য প্রত্যক্ষ কৰি আজি পুৱা সংবাদ মাধ্যমক ৰৱাই দিয়ে। স্থানীয় সংবাদ মাধ্যমৰ প্রতিনিধিয়ে আজি পুৱা ৭-৩০ বজাত বিদ্যালয়খনত উপস্থিত হোৱাৰ পাছত প্রধান শিক্ষয়িত্রী ফাতেমা খাতুনে ৰাষ্ট্রীয় পতাকাক চৰম অপমান কৰি ল'ৰালৰিকৈ অৱনমিত কৰে। ৰাষ্ট্রীয় পতাকাখনক অবনমিত কৰি প্রধান শিক্ষয়িত্রী খাতুনে পতাকাখন মাটিত পেলাই ভৰি লগাই মোহাৰি সামৰি চৰম অপমান কৰা স্থানীয় ৰাইজৰ লগতে সংবাদ মাধ্যমৰ প্রতিনিধিয়েও প্রত্যক্ষ কৰে। প্রধান শিক্ষয়িত্রীৰ দায়িত্বত থকা ফাতেমা খাতুনে ৰাষ্ট্রীয় পতাকাক চৰম অপমান কৰা কার্য সম্পর্কত নগাঁও জিলাত তীব্র প্রতিক্রিয়াৰ সৃষ্টি হোৱাৰ পাছতেই খাটোৱাল থানাৰ আৰক্ষীয়ে বিদ্যালয়খনৰ পৰাই শিক্ষয়িত্রী গৰাকীক সোধপোচ কৰাৰ বাবে আটক কৰি নিয়ে। চৰজমিন তদন্ত চলোৱাৰ পাছত পৰবর্তী সময়ত ৰাষ্ট্রীয় পতাকাক চৰম অবমাননা কৰাৰ অপৰাধত খাটোৱাল আৰক্ষী থানাৰ আৰক্ষীয়ে এটা গোচৰ ৰুজু কৰি প্রধান শিক্ষয়িত্রী ফাতেমা খাতুনক গ্রেপ্তাৰ কৰে বুলি আৰক্ষীৰ এক সূত্রই জানিবলৈ দিয়া।

ধর্ষণৰ গোচৰত জেল

হয়। ভূমি কেন্দ্রীক সংঘাতৰ বাবে দাবে ঘপিয়াই এজনক নৃশংস ভাবে হত্যা কৰে এটা নৰখাদকে। মৃত লোক জনৰ নাম ছহিদুল ইছলাম। নৰখাদক হত্যাকাৰী টোৰ নাম ইয়াছিন আলী। ইয়াছিন আলীক আজি কিছু দিনৰ আগত ভুৱাগাঁও থানাত পঞ্জিয়ন হোৱা এটি ধর্ষণ গোচৰত জেল হাজোতলৈ প্রেৰণ কৰিছিল ভুৱাগাঁও আৰক্ষীয়ে। জেল হাজোতৰ পৰা ওলাই আহি পুনৰ ইয়াছিন আলীয়ে আজি এই জঘন্য হত্যাকাণ্ড সংঘটিত কৰি পলায়ন কৰে। ঘটনাৰ বিৱৰণী মতে দীর্ঘদিন ধৰি এমলদুল হক আৰু ইয়াছিন আলীৰ দুই পৰিয়ালৰ মাজত এটুকুৰা ভূমিক লৈ বিবাদ আৰাহত আছিল। আজি ইয়াছিন আলীৰ পৰিয়ালৰ লোকৰ সৈতে উক্ত মাটি টুকুৰাক লৈ পথাৰতে বিবাদ সুত্রপাত হয় এমলদুল হকৰ জেষ্ঠ ভাতৃ ছহিদুল ইছলামে। সেই বিবাদৰ মাজতে পূর্বৰ পৰা আক্রমণৰ বাবে সাজু হৈ থকা ইয়াছিল আলীৰ নেতৃত্বত ইয়াছিন আলীৰ পৰিয়ালৰ সদসাই দা- কোৰ আদিৰে ছহিদুল ইছলামক নৃশংস আৰু বর্বৰতাবে আক্রমণ কৰাত ধৰাশায়ী হয় লোক জন। মৃতপায় অৱস্থাত গুৰুতৰভাবে আহত ছহিদুল ইছলামক মৰিগাঁও অসামৰিক চিকিৎসালয়ত ভর্তি কৰোৱা হয় যদিও চিকিৎসকে প্রাথমিক চিকিৎসাৰ পাছতে মৃত ঘোষণা কৰে ছহিদুলক। লগে লগে ঘটনাস্থলীত মৰিগাঁও জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক (অপৰাধ শাখাৰ) সমীৰণ বৈশ্য, লাহৰীঘাট সমজিলা আৰক্ষী অধীক্ষক ড০ দিগন্ত বৰুৱা আৰু ভুৱাগাঁও আৰক্ষী উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। এই নৃশংস হত্যাকাণ্ড সংঘটিত কৰিয়ে ইয়াছিন আলীৰ সৈতে আততিকেইটা হত্যাকাৰী পলায়ন কৰে। বাতৰি লিখা পৰলৈ হত্যাকাৰীক আৰক্ষীয়ে গ্রেপ্তাৰ কৰিব পৰা নাই যদিও হত্যাকাৰীক বিছৰি আৰক্ষীয়ে অভিযান আৰম্ভ কৰিছে। এই ঘটনাক লৈ ভুৱাগাঁও অঞ্চলত আজি তীব্র উত্তেজনা বিৰাজ কৰিছে।

সীমান্তত নগাৰ দাদাগিৰি !

নগা পাহাৰৰ দাঁতিত বনভোজ খাবলৈ গৈছিল। বনভোজ খাই উভতি অহাৰ সময়তে নগা দুবুজন তিনিজনী এটা দলে হাতত দা আৰু মৰণাস্ত্র লৈ সেই স্থানত উপস্থিত হয় আৰু বনভোজৰ দলটোক বিভিন্ন অবান্তৰ প্রশ্ন কৰি নিনা কাৰণত দাৰ ণাদিলে মৰিয়াবলৈ ধৰে। নগাৰ দুবুজ দলটোৰ বনবৈ পৰা বনভোজ খাবলৈ যোৱা যুবক কেইজন লগলৰলৈ চেষ্টা কৰাতেও নগাৰ হাতত থকা বন্দুকৰে গুলী চালনা কৰাত প্রকাশ বড়ো নামৰ যুবকজনৰ গাত গুলী লাগে। অন্য দুজন ক্রমে সুব্রত নায়ক আৰু ধনঞ্জয় খাকলাৰী গুৰুতৃ আহত হয়। তততিয়েকে তিনিয়েকে চিকিৎসাৰ বাবে মেবাপানী চিকিৎসালয়লৈ অনা হয় যদিও প্রাৰম্ভিক চিকিৎসা কৰাৰ পিছত নগাৰ গুলীত আহত হোৱা প্রকাশ বড়োক সংকটজনক অৱস্থাত গোলাঘাট কুশল কোৰঁৰ অসামাৰিক চিকিৎসায়লৈ নিয়া হয়। বাকী আহত দুই যুবক মেবাপানী চিকিৎসালয়ত চিকিৎসাৰীন। আনহাতে এই খৰৰ বিয়পি পৰাৰ পিছতেই মেবাপানীত এক উত্তেজনাই বিৰাজ কৰে। জাতীয় সংগঠন বীৰ লাচিত সেনা, কৃষক মুক্তি সংগ্রাম সমিতিৰ সদস্যৰ লগতে স্থানীয় ৰাইজ একত্রিত হৈ নগাৰ বিৰুদ্ধে গৰজি উঠে। সংবাদ মাধ্যমৰ যোগেদি প্রশাসনক ১২ ঘণ্টাৰ ভিতৰত নগা দুবুজ দলটোক গ্রেপ্তাৰ কৰিবলৈ প্রশাসনক দাবী জনাই অন্যথা আজি পুৱাৰ পৰা নগালেণ্ডৰ বিৰুদ্ধে পথ অবৰোধ কাষ্যসূচী গ্রহণ কৰা হব বুলি সংগঠন দুটাই সকীয়াই দিয়ে। ইয়াৰ কিছু সময় পিছতেই গোলাঘাট জিলা প্রশাসন আৰু আৰক্ষী প্রশাসনৰ উচ্চ পদস্থ বিষয়া ঘটনা স্থলিত উপস্থিত হৈ সীমান্তত নিয়োজিত চি আৰ পি এফ বাহিনী আৰু নগা প্রশাসনৰ সহযোগত নিশা দুই বজাত নগা দুবুজ দলটোক কবায়ত্ব কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে ধৃত তিনি নগা যুবক ক্রমে ঐয়াক ঐমখুম, বনিয়া ইয়ংথুম আৰু টকিক চমিম বৰ্তমান নগালেণ্ডৰ ভাগৰী আৰক্ষীৰ জিম্মাত।

এন.ডি.এ.ৰ উপ-ৰাষ্ট্রপতি

এক সম্মানিত নেতা হিচাপে প্রতিষ্ঠিত কৰিছে। ১৯৫৭ চনৰ ২০ অক্টোবৰত তামিলনাড়ুৰ তিৰুপুৰত জন্মগ্রহণ কৰা চি পি ৰাধাকৃষ্ণনে ব্যৱসায় প্রশাসনত স্নাতক ডিগ্রী অর্জন কৰিছিল। তেওঁৰ ৰাজনৈতিক যাত্রা আৰম্ভ হৈছিল ১৬ বছৰ বয়সত, যেতিয়া তেওঁ আৰ এছ এছৰ স্বয়ংসেৱক হিচাপে যোগদান কৰিছিল। ১৯৭৪ চনত তেওঁ ভাৰতীয় জনসংঘৰ ৰাজ্য কার্যনির্বাহক সমিতিৰ সদস্য হয়। ১৯৯৬ চনত তেওঁ তামিলনাড়ু বিজেপিৰ সম্পাদক হিচাপে নিযুক্ত হন আৰু পৰবর্তী সময়ত ২০০৪ পৰা ২০০৭ চনলৈ তামিলনাড়ুৰ বিজেপিৰ ৰাজ্য সভাপতিৰ দায়িত্ব পালন কৰে। ৰাধাকৃষ্ণনে ১৯৯৮ আৰু ১৯৯৯ চনত কইম্বাটুৰৰ পৰা বিজেপিৰ প্রার্থী হিচাপে লোকসভা নির্বাচনত জয়লাভ কৰিছিল। সংসদ সদস্য হিচাপে তেওঁ সুব্রহ্মৰ্যৰ লগত গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল, যাঁত তেওঁ সংসদীয় স্থায়ী সমিতিৰ সভাপতি (টেটাইল), চকাবাঁ উদ্যোগ সম্পর্কীয় সমিতি, অর্থ মন্ত্রালয়ৰ পৰামর্শদাতা সমিতি আৰু ষ্টক এক্চেঞ্জ কেলেংকাৰীৰ তদন্ত বাবে গঠিত বিশেষ সমিতিৰ সদস্য হিচাপে কার্যনির্বাহ কৰিছিল। ২০০৪ চনত তেওঁ ৰাষ্ট্রসংঘৰ সাধাৰণ সভাত ভাৰতৰ প্রতিনিধিত্ব কৰে আৰু টাইৱানৰ প্রথম ভাৰতীয় সংসদীয় প্রতিনিধি দলৰ সদস্য হিচাপেও অংশগ্রহণ কৰে। তামিলনাড়ুৰ কয়াম্বটুৰৰ বিস্ফোৰণৰ ভিতৰত ২০০৪ পৰা ২০০৭ চনৰ ভিতৰত তামিলনাড়ুত ৯৩ দিন ধৰি চলা ১৯, ০০০ কিমি দীঘল 'ৰথ যাত্রা' অন্যতম। এই যাত্রাৰ মাধ্যমেৰে তেওঁ ভাৰতৰ নদীসমূহৰ সংযোগ, সম্প্রসাৰণ নির্মূল, একক নাগৰিক বিধিৰ বাস্তবায়ন, অস্পৃশ্যতাৰ বিলোপ আৰু মাদকদ্রব্যৰ বিৰুদ্ধে সচেতনতাৰ দাবী উত্থাপন কৰিছিল। ইয়াৰ উপৰিও তেওঁ বিভিন্ন সামাজিক কাৰণত দুটা পদযাত্রাৰ নেতৃত্ব দিছিল। ৰাজ্যপাল হিচাপে ৰাধাকৃষ্ণনে প্রথমে ২০২৩ চনৰ ১৮ ফেব্রুৱাৰীৰ পৰা ঝাৰখণ্ডত দায়িত্ব পালন কৰে। এই সময়ত তেওঁ ঝাৰখণ্ডৰ ২৪খন জিলা ভ্রমণ কৰি নাগৰিক আৰু জিলা বিষয়াসকলৰ সৈতে সংযোগ স্থাপন কৰিছিল। ইয়াৰ লগতে তেওঁ তেলেংগানাৰ ৰাজ্যপাল আৰু পণ্ডুচেৰীৰ উপ-ৰাজ্যপালৰ অতিৰিক্ত দায়িত্বও পালন কৰিছিল। ২০২৪ চনৰ জুলাই মাহত তেওঁ মহাৰাষ্ট্রৰ ৰাজ্যপাল হিচাপে নিযুক্ত হয়। ৰাধাকৃষ্ণনৰ ব্যক্তিগত জীৱনতো তেওঁ এক ক্রীড়াপ্রেমী হিচাপে পৰিচিত। কলেজৰ দিনত তেওঁ টেবুল টেনিছ চেম্পিয়ন হৈছিল আৰু দৌবতো অংশগ্রহণ কৰিছিল। তেওঁ আমেৰিকা, ইংলেণ্ড, ফ্রান্স, জার্মানী, ইটালি, স্পেইন, পর্তুগাল, নৰৱে, ডেনমার্ক, ছুইডেন, ফিনলেণ্ড, বেলজিয়াম, ছুইজ, টার্কি, চীন, মালয়েছিয়া, ছিংগাপুৰ, টাইৱান, থাইলেণ্ড, ইজিপ্ত, ইউ.এই., বাংলাদেশ, ইণ্ডোনেছিয়া আৰু জাপানৰ দৰে দেশ ভ্রমণ কৰিছে। উপ-ৰাষ্ট্রপতি পদৰ নিৰ্বাচনৰ মনোনয়ন দাখিলৰ অন্তিম তাৰিখ ২১ আগষ্ট নির্ধাৰণ কৰা হৈছে। যদি বিবোধীয়ে নিজৰ প্রার্থী ঘোষণা কৰে, তেন্তে ৯ ছেপ্টেম্বৰত নির্বাচন অনুষ্ঠিত হ'ব। লোকসভা আৰু ৰাজ্যসভাৰ সদস্যসকলৰ ভোটাধিকাৰেৰে অনুষ্ঠিত এই নির্বাচনত এনডিএৰ সংখ্যাধিক্যতাৰ কাৰণে তেওঁলোকৰ প্রার্থীৰ জয় নিশ্চিত বুলি ধৰা হৈছে। ৰাধাকৃষ্ণনৰ মনোনয়নৰ ঘোষণাই ভাৰতৰ ৰাজনৈতিক মহলত নতুন গতিশীলতাৰ সৃষ্টি কৰিছে।

অৱসৰপ্রাপ্ত শিক্ষকৰ নিযুক্তিৰ

লক্ষ্য চলি থকা উচ্ছেদ অভিযানৰ দ্বিতীয় পর্যায় আগামী ১৮ আগষ্টৰ পৰা আৰম্ভ হ'ব। সৰুপথাৰৰ বিষয়ক বিশ্বজিৎ ফুকন শনিবাৰে উচ্ছেদস্থলী পৰিদর্শন কৰি এই তথ্য নিশ্চিত কৰে। বিধায়ক ফুকনে সংবাদক্রমত কয়, "উদৰিয়ামঘাটৰ ৰেংমা বনাঞ্চলৰ ১১ হাজাৰ বিঘা মাটি উচ্ছেদ কৰি ফলীয়া কৰা হৈছে। ইয়াত গছৰোপণ কার্যসূচী আৰম্ভ কৰা হৈছে আৰু অতি সোনকালেই মুখ্যমন্ত্রী ড' হিমন্ত বিশ্ব শর্মাই ইয়াত গছৰোপণ কার্যসূচীত অংশগ্রহণ কৰিব। আমি নাগাংলেণ্ড মুখ্যমন্ত্রীকো এই অনুষ্ঠানলৈ নিমন্ত্রণ জনাবলৈ পৰিকল্পনা কৰিলোঁ।" ফুকনে উল্লেখ কৰে যে উচ্ছেদ কৰা ভূমিখণ্ডক বনাঞ্চল আৰু পর্যটন কেন্দ্র হিচাপে গঢ়ি তোলাৰ পৰিকল্পনা কৰা হৈছে। তেওঁ কয়, "মই আজি অঞ্চলটোৰ বিভিন্ন ঠাই পৰিদর্শন কৰিলোঁ আৰু ভবিষ্যতৰ বিকাশৰ সম্ভাব্যতা মূল্যায়ন কৰিলোঁ। এই অঞ্চল আৰু সোনকালে এটা সুন্দৰ বনাঞ্চল আৰু পর্যটন কেন্দ্রলৈ ৰূপান্তৰিত হ'ব।" নাগালেণ্ডৰ মুখ্যমন্ত্রীক নিমন্ত্রণ জনোৱাৰ সিদ্ধান্তই সীমান্তৰ বর্তমান উত্তেজনাপূর্ণ পৰিস্থিতিত এক নতুন মাত্রা যোগ কৰিছে। গত কেইবাদিন ধৰিতেই গোলাঘাটৰ দলিচাপথাৰ সীমান্তত ওলাঁচালনাৰ ঘটনাত তিনিজন লোক আহত হোৱাৰ পিছত অসম-নাগালেণ্ড সীমান্তৰ পৰিস্থিতি অস্থিৰ হৈ পৰিছে। ইতিমধ্যে উৰিয়ামঘাট সীমান্তত নগাৰ দ্বাৰা ফলক স্থাপনৰ ঘটনাই আৰু উত্তেজনা বৃদ্ধি কৰিছে। প্রতিবেদন অনুসৰি, ৰেংমা সংৰক্ষিত বনাঞ্চলত সন্দেহজনক নগাৰ উপস্থিতিৰ কথাও প্রকাশ পাইছে। এনে পৰিস্থিতিত উচ্ছেদ অভিযানৰ দ্বিতীয় পর্যায় আৰম্ভ হোৱাৰ লগে লগে সীমান্ত সুৰক্ষা বৃদ্ধি কৰা হৈছে।

১৮ আগষ্টৰ পৰা উৰিয়ামঘাটত

অসম ছাত্র সন্থা (আছু) আৰু ৰাজ্যৰ নটা শিক্ষক সংগঠনৰ এক গুৰুত্বপূর্ণ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত চকাৰাৰ এই দীর্ঘ বাতিলৰ দাবীৰ লগতে আদর্শ মহাবিদ্যালয়সমূহত সহযোগী অধ্যাপক পদ সৃষ্টিৰ প্রস্তাব গৃহীত হয়। ইয়াৰ উপৰি, শিক্ষিত নিবনুৱা যুবক-যুবতীৰ বাবে এই পদসমূহত নিযুক্তিৰ দাবীও উত্থাপিত হয়। বৈঠকত আলোচনা হয় যে, যদি চকাৰাৰে অৱসৰপ্রাপ্ত শিক্ষকৰ অভিজ্ঞতাক অপৰিহার্য বুলি বিবেচনা কৰে, তেন্তে তেওঁলোকক মেন্টৰ বা অতিথি অধ্যাপক হিচাপে নিযুক্তি দিয়া উচিত। একে সময়তে, আদর্শ মহাবিদ্যালয়সমূহত নবনিযুক্ত শিক্ষকৰ বাবে তিনি বছৰীয়া প্রবেশন নিয়মৰ পৰিবর্তে UGCৰ নিয়ম অনুসৰি দৰমহা আৰু স্থায়ী নিযুক্তিৰ দাবীও উত্থাপন কৰা হয়। এই বৈঠকত IQAC আৰু NAACৰ কাম-কাজৰ জন্য বিশেষ শৈক্ষিক বিষয়া নিযুক্তিৰ প্রস্তাবও গৃহীত হয়। আছুৰ সভাপতি উৎপল শর্মাই সংবাদ মাধ্যমৰ সৈতে কথা পাতি এই সিদ্ধান্তসমূহৰ বিষয়ে বিশদভাবে প্রকাশ কৰে। শিক্ষাবর্ষ সলনি বিষয়েও বৈঠকত গভীৰ আলোচনা হয়। উৎপল শর্মাই কয় যে অসমৰ ভৌগোলিক পৰিবেশ অন্যান্য ৰাজ্যৰ তুলনাত পৃথক, গতিকে শিক্ষাবর্ষ জানুৱাৰীৰ পৰা ডিচেম্বৰলৈ সলনি কৰাৰ দাবী আছুৰে দীর্ঘদিন ধৰি উত্থাপন কৰি আহিছে। চকাৰাৰে এই বিষয়ত এখন কমিটি গঠন কৰিছে যদিও শর্মাই এই কমিটিৰ কাম দ্রুতগতিত সম্পন্ন কৰাৰ দাবী তুলি ধৰে। এই বৈঠকৰ মাধ্যমেৰে আছু আৰু শিক্ষক সংগঠনসমূহে অসমৰ শিক্ষা ব্যবস্থাৰ মানোন্নয়নৰ বাবে একত্রিতভাবে কাম কৰাৰ প্রতিশ্রুতি ব্যক্ত কৰে।

দীপাৱলীৰ পূর্বেই পৰৱর্তী

কৰিছে। তেওঁ সকলো ৰাজ্যক দীপাৱলীৰ পূর্বে এই সংস্কাৰ কার্যকৰী কৰাৰ বাবে সহযোগিতাৰ আহ্বান জনাইছে। এপ্রেছৰে উদ্বোধন এক অনুষ্ঠানত ভাষণ দি মোদীয়ে কয়, "এই সংস্কাৰৰ জৰিয়তে আমি সুশাসনৰ মান উন্নত কৰাৰ লক্ষ্য লৈছো। আমাৰ উদ্দেশ্য হৈছে জীবনযাত্রা আৰু ব্যবসায়িক কার্যকলাপক অধিক সৰল আৰু সুবিধাজনক কৰা, যাৰ বাবে আমি নিৰন্তৰ উন্নতিৰ পথত আগবাঢ়িছো।" মোদীয়ে উল্লেখ কৰে যে এই জিএছটি সংস্কাৰে দৰিদ্র, মধ্যবিত্ত, ক্ষুদ্র ব্যবসায়ী তথা বৃহৎ উদ্যোগীসকলক সমানে উপকৃত কৰিব। তেওঁ কয়, "এই দীপাৱলীত জিএছটি সংস্কাৰে জনসাধাৰণৰ বাবে এক দ্বিগুণ বোনাছৰ সুযোগ আনিব, যিয়ে তেওঁলোকৰ উৎসৱৰ উদ্ভাস বৃদ্ধি কৰিব।" উল্লেখযোগ্য যে, গত ১৫ আগষ্টৰ স্বাধীনতা দিৱসৰ ভাষণত প্রধানমন্ত্রীয়ে লালকিল্লাৰ প্রাচীৰৰ পৰা এই জিএছটি সংস্কাৰৰ প্রস্তাব ঘোষণা কৰিছিল। কেন্দ্রীয় চকাৰাৰে আশা প্রকাশ কৰিছে যে সকলো ৰাজ্যই এই পদক্ষেপৰ প্রতি সহমত হ'ব আৰু দীপাৱলীৰ পূর্বেই সংস্কাৰ সম্পূর্ণকৰূপে কার্যকৰী হ'ব।

NCERTৰ নতুন পাঠ্যক্রমত

সমর্থন জনায়, আৰু মাউণ্টবেটেনে এই প্রক্রিয়া সম্পূর্ণ কৰে। জৰাহৰলাল নেহৰুকো এই বিভাজনৰ বাবে পৰোক্ষভাবে দায়ী কৰা হেতুবে বুলি অভিযোগ উঠিছে। পাঠ্যপুথিখনত প্রধানমন্ত্রী নৰেন্দ্র মোদীৰ এটা উদ্ধৃতিবে বিভাজনৰ যন্ত্রণাৰ কথা সৌৱবই দিয়া হৈছে। কংগ্রেছে এই পাঠ্যক্রমৰ তীব্র নিন্দা কৰি এক বিবৃতিত কয়, "ইতিহাসক বিকৃত কৰি ৰাজনৈতিক উদ্দেশ্য পূৰণৰ চেষ্টা কৰা হৈছে।" ইতিমধ্যে এই বিষয়টোৰে সামাজিক মাধ্যমত তর্কৰ জন্ম দিছে, য'ত একাংশই ইয়াক 'ইতিহাসক পুনর্লিখন' বুলি অভিহিত কৰিছে। এনেছিআৰটিৰ এক প্রতিনিধিয়ে কয় যে এই পৰিবর্তন "ঐতিহাসিক তথ্যৰ ভিত্তিত" কৰা হৈছে আৰু ই শিক্ষার্থীসকলক "সত্যৰ সৈতে পৰিচয়" কৰাই দিব। পাঠ্যপুথিখন অতি সোনকালে বিদ্যালয়সমূহত বিতৰণ কৰা হ'ব বুলি জনোৱা হৈছে। শিক্ষাবিদসকলৰ একাংশে এই পৰিবর্তনক ইতিহাসক জটিল বিষয়বস্তুক সহজ-সৰল কৰণ প্রয়াস বুলি মূল্যায়ন কৰিছে, আনহাতে অন্যাংশে ইয়াক 'একপক্ষীয় দৃষ্টিভংগী' বুলি সমালোচনা কৰিছে। ৰাজনৈতিক বিশ্লেষকসকলে ই ইয়াক আগন্তুক বিধানসভা নির্বাচনৰ প্রেক্ষাপটত ৰাজনৈতিক উদ্দেশ্যপ্রণোদিত বুলি অভিহিত কৰিছে।

বুৰঞ্জীক নচাৎ কৰা

সম্পাদক চাম্পুল ভট্টেনে উল্লেখ কৰে যে, বিশ্বাস শৰাইঘাট বণৰ প্রধান সেনাপতি মহাবীৰ লাচিত বৰফুকনৰ অন্যতম সহযোদ্ধা বাঘ হাজৰিকাক অস্তিত্বক অস্বীকাৰ কৰি বিজেপিৰ এগৰাকী কেন্দ্রীয় মন্ত্রীয়ে অসমৰ ৮০০ বছৰীয়া ইতিহাস সমৃদ্ধ অসমীয়া মুছলমানসকলক অপমান কৰিছে। পৰিত্র মাৰ্ঘেৰিটাৰ দৰে বিজেপিৰ মন্ত্রীয়ে বুৰঞ্জী অধ্যয়ন নকৰাৰ কথাও স্বীকাৰ কৰিছে। আহোম যুগৰ সকলোবোৰ ঘটনা বুৰঞ্জী অথবা সাচিপতিয়া পুথিত উল্লেখ নথকাতো স্বাভাবিক। যিদৰে লাচিত বৰফুকনে মোমায়েকক হত্যা কৰা আৰু মহাসতী জয়মতীৰ কথাও সাচিপতিয়া পুথিত উল্লেখ নাই। আহোম বৰঞ্জী ত উল্লেখ নথকাৰ বাবেই বাঘ হাজৰিকাৰ দৰে শিৰসাগৰৰ হাহচৰাৰ বীৰ পুৰুষ গধাকীক কেতিয়াও অস্বীকাৰ কৰিব নোৱাৰি। কিছুদিনৰ পূর্বে অসমৰ মুখ্যমন্ত্রী ড' হিমন্ত বিশ্ব শর্মাই বাঘ হাজৰিকাৰ পৰিবর্তে নৰ হাজৰিকাহে শৰাইঘাট যুদ্ধত মোগল বাহিনীৰ বিৰুদ্ধে যুঁজ কৰা বুলি কৈ বাঘ হাজৰিকাৰ দৰে ঐতিহাসিক চৰিত্রক অস্বীকাৰ কৰিছিল। ড' হিমন্ত বিশ্ব শর্মা বিণ মন্ত্রী হৈ থকাৰ সময়ত অসমৰ মুখ্যমন্ত্রী সৰ্বানন্দ সোণোৱালে অসম বিধানসভাৰ মঞ্জিয়াত মহাবীৰ লাচিত বৰফুকনৰ সৈতে বাঘ হাজৰিকাৰ দৰে বীৰে প্রবল পৰাক্রমেৰে শৰাইঘাট যুদ্ধ কৰি মোগলক কচুকটা দিছিল বুলি স্পষ্ট ভাবে উল্লেখ কৰিছিল। এই ক্ষেত্রত প্রধমবাৰৰ বাবে ড' হিমন্ত বিশ্ব শর্মাক উজনি অসম মুছলিম কল্যাণ পৰিষদে উভতি ধৰিছিল। কল্যাণ পৰিষদৰ নেতৃত্বই বিবৃতিটোত উল্লেখ কৰে যে, বঙ্গভঙ্গ আ

দেশৰ সেৱা আগবঢ়োৱা প্ৰতিগৰাকী সৈনিক, প্ৰাণ আহুতি দিয়া বীৰসকলৰ পৰিয়ালবৰ্গক বিনামূলীয়া আইনী সেৱাৰ বাবে মুকলি

লখিমপুৰত 'আইনী সেৱা ক্লিনিক' উদ্ঘোধন

অসম বাৰ্তা, লীলাবাৰী, ১৪ আগষ্ট ঃ বাষ্ট্ৰীয় আইনী সেৱা প্ৰাধিকৰণৰ বীৰ পৰিবাৰ সহায়ক যোজনা, ২০২৫ অধীনত লখিমপুৰ জিলা আযুক্ত কাৰ্যালয়ৰ জিলা সৈনিক কল্যাণ বিভাগত আজি এনাম আইনী সেৱা ক্লিনিক উদ্ঘোধন কৰা হয়। সম্পত্তিৰ বিষাদ, কল্যাণমূলক আঁচনি, বৈবাহিক বিবাদ, নাগৰিক বিবাদ আৰু অন্যান্য আইনী বিষয়ত প্ৰতিৰক্ষা কৰ্মী, প্ৰাক্তন সেনা আৰু তেওঁলোকৰ পৰিয়ালবৰ্গক বিনামূলীয়া আইনী সেৱা প্ৰদান কৰা লৰি মন্তব্য কৰে। উদ্ঘোষণী অনুষ্ঠানটিত মুখ্য অতিথি হিচাপে উপস্থিত থাকে এয়াৰ কামাণ্ডাৰ মনোজ কুমাৰ ঝাই। চকৰ্কীয়া কল্যাণমূলক আঁচনিসমূহৰ বিষয়ে প্ৰতিৰক্ষা কৰ্মী, প্ৰাক্তন সেনাবাহিনী আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ মাজত সজাগতা সৃষ্টি কৰা এই ক্লিনিকৰ উদ্দেশ্য। ক্লিনিকখনৰ জৰিয়তে আইনী সেৱা কৰ্তৃপক্ষ আইন, ১৯৮৭ ধাৰা ১২ত উল্লেখ কৰা শ্ৰেণীসমূহৰ অধীনত প্ৰতিগৰাকী কৰ্মী আৰু প্ৰাক্তন সেনাবাহিনীৰ লোকসকলে বিধান পৰিষদীয় বিনামূলীয়া আইনী সেৱা লাভ কৰাৰ অধিকাৰী হ'ব। লখিমপুৰ জিলা আইন সেৱা প্ৰাধিকৰণৰ সম্পাদক প্ৰসেনজিত দাস, জিলা সৈনিক কল্যাণ কাৰ্যালয়ৰ অধ্যক্ষ চিত্ৰৰঞ্জন বৰা, জিলা সৈনিক বিষয়া মাথোঁৰ কলিতাৰ লগতে সকলো কৰ্মচাৰী উপস্থিত থকাৰ লগতে চাৰতি সেনা ছাউনীৰ নাইৰ চুবেদাৰ ৰমেশ কুমাৰ, কেইবাগৰাকী সহকৰ্মী, মুখ্য আই.ই.ডি সাহায্যকাৰী প্ৰতিকৰ্ষা অধিবক্তা দীপক পোখৰেল আৰু প্ৰাক্তন সৈনিক ক্ৰমে কংল' তামোলী, দিলীপ তামোলী, প্ৰদীপ বৰা, মুনিদ্ৰ দেউ আৰু কুশল দুৱৰা তথা ৰাইনাৰী চুবাজবী, জয়ামণি গগৈ অনুষ্ঠানটিত উপস্থিত থাকে।

কাণসাৰ নাই নগাঁও প্ৰধান ডাকঘৰ কৰ্তৃপক্ষৰ

নগাঁৱৰ ইটাচালি ডাকঘৰত দীৰ্ঘদিনে বিকল ইণ্টাৰনেট সেৱা

অসম বাৰ্তা, নগাঁও, ১৭ আগষ্ট ঃ নগাঁও জিলাৰ প্ৰধান ডাক ঘৰৰ অধীনস্থ ইটাচালি ডাকঘৰত আজি দীৰ্ঘদিনে ইণ্টাৰনেট সেৱা বিকল হৈ থকাৰ পৰিপেক্ষিতত সৰ্বসাধাৰণ গ্ৰাহক বাইজৰ বাৰ্ক্কৈয়ে তীব্ৰ সমস্যাত পৰিছে। ফলত ইটাচালি ডাকঘৰত গ্ৰাহক বাইজে ধন জমা দিবা বা নিজৰ জমা ধন উলিওৱাৰ ক্ষেত্ৰত বহু সমস্যাত পৰিব লগিয়া হৈছে। জানিব পৰা মতে আগষ্টৰ পহিলা দিনৰ পৰাই ইটাচালি ডাকঘৰৰ কাউণ্টাৰৰ সমুখত লিখ ফেইলৰ বুলি এখন জানী লগাইয়ে ডাকঘৰ কৰ্তৃপক্ষই নিজৰ দায়িত্ব সামৰাতে পৰিলক্ষিত হৈছে। এতিয়া যেন ই ইটাচালি ডাকঘৰত টকা জমা/টকা উঠোৱাৰ বাবে বহু দিন ধৰি দূৰ-দূৰণিৰ পৰা অহা ৰাইজে ভুগিছে দুৰ্ভোগ

ডাকঘৰৰ উন্নয়নৰ প্ৰতি প্ৰধান ডাকঘৰৰ কোনো কৰিব লগীয়া নাই। গ্ৰাহকৰ প্ৰতি যেন কোনো দায়বদ্ধতা নাই ডাকঘৰ কৰ্তৃপক্ষৰ। কেবল লিংক ফেইলৰ বুলি এখন মাত্ৰ ফলক আৰীয়েই সকলো শেষ কৰিছে ই ইটাচালি ডাকঘৰে। আনহাতে, এই গৰমত ইটাচালি ডাকঘৰত গ্ৰাহক বাইজে টকা জমা কৰা বা টকা উলিওৱাৰ কামত ডাকঘৰটোত দীঘলীয়া শাৰী পাতি বহুদিনৰৈলে অপেক্ষা কৰিব লগীয়া হয়। ডাকঘৰটোত কেবল মাত্ৰ এটা কাউণ্টাৰতেই টকা জমা কৰা বা টকা উলিয়াব লগীয়াত হোৱাত তথা কাউণ্টাৰত কৰ্মৰত মহিলা কৰ্মচাৰী গৰাকীৰ কাম কৰাৰ বহু লেহেমীয়া গতিৰ বাবে গ্ৰাহক বাইজে বহু আঞ্চলিক সমুখীন হবলগীয়াত পৰিছে। উল্লেখ যে ই ইটাচালি ডাকঘৰত জ্যেষ্ঠ নাগৰিকৰ লগতে সাধাৰণ গ্ৰাহক বাইজৰ বাবে বহিবলৈ কোনো সুব্যবস্থা নথকাত বহুসময়ত জ্যেষ্ঠ নাগৰিক সকলৰ লগতে অন্য গ্ৰাহক বাইজ খিয় হৈ থাকি মূৰ ঘুৰোৱা ঘটনাও সংঘটিত হৈছে বহু দিন। গতিকে নগাঁও প্ৰধান ডাকঘৰৰ অধীক্ষকে ই ইটাচালি ডাকঘৰৰ গ্ৰাহক বাইজৰ প্ৰতি অতি শীঘ্ৰে উন্নয়ন ব্যবস্থা কৰি গ্ৰাহক বাইজৰ সুবিধা সমুহৰ পৰা উপকৃত কৰিবলৈ বৃহত্তৰ অঞ্চল সামৰি গঠিত ইটাচালি ডাকঘৰৰ গ্ৰাহক বাইজে দাবী জনাইছে।

পতাকা উত্তোলন কৃষি মন্ত্ৰী অতুল বৰাৰ

যোৰহাটত ৭৯ সংখ্যক স্বাধীনতা দিৱস পালন

অসম বাৰ্তা, পশ্চিম যোৰহাট, ১৭ আগষ্ট ঃ যোৰহাট জিলা প্ৰশাসনৰ উদ্যোগত ৭৯ সংখ্যক স্বাধীনতা দিবস জিলা ক্ৰীড়া সংস্থাৰ খেলপথাৰত পালন কৰা হয়। পতাকা উত্তোলন কৰে কৃষি, আবকাৰী, সীমান্ত সুৰক্ষা, উন্নয়ন, উদ্যান শস্য, অসম চুক্তি ৰূপায়ণ দপ্তৰৰ মন্ত্ৰী অতুল বৰাই। জাতিৰ পিতা মহাত্মাৰ মহত্মা গান্ধীৰ লগতে স্বাধীনতা সংগ্ৰামৰ নেতৃবৃন্দ, মুক্তি যুঁজাৰু, শ্ৰদ্ধীসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি মন্ত্ৰী অতুল বৰাই বৰ্তমান ৰাজ্য চৰকাৰখনে সমৃদ্ধিশালী কৰাৰ বাবে কাম কৰি আছে বুলি কয়। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে বহু আঁচনি ৰূপায়ণ কৰি থকা বুলি উল্লেখ কৰি যোৰহাট জিলাখনত কৰা উন্নয়নৰ সম্পৰ্কত উল্লেখ কৰে। নাগৰিকসকলক দায়িত্ব আৰু কৰ্তব্য নিষ্ঠাৰে সমাজ আৰু দেশৰ উন্নয়নৰ বাবে পালন কৰিবলৈ মন্ত্ৰীজনে আহ্বান জনায়। জিলা আযুক্ত জয় শিৰানীয়ে সমৰয়ৰ জৰিয়তে বাইজৰ সেৱাৰ বাবে কাম কৰি থকা বুলি আদৰণী ভাষণত উল্লেখ কৰে। কেন্দ্ৰীয় সংৰক্ষিত পুলিচ বাহিনী, কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী, অসম আৰক্ষী, গৃহৰক্ষী, অসামৰিক প্ৰতিৰক্ষা বিভাগ, নেহৰু যুৱ কেন্দ্ৰ, ৰাষ্ট্ৰীয় ছাত্ৰ কু-চ-কাৱাজৰ মহাবাহিনীয়ে সৈনিক, প্ৰাক্তন সৈনিক, বাজঘৰীয়া ৰোগী কল্যাণ সমিতি, আৰক্ষী বিষয়াসকলৰ ৰ পৰি

জ্যেষ্ঠ সাংবাদিক কনৌজ শইকীয়াক শিক্ষাবিদ অশোক বৰগোহাঞি সোঁৱৰণী সাংবাদিকতা বঁটা প্ৰদান

পূব মাজুলী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

অসম বার্তা, উজনী মাজুলী, ১৬ আগষ্ট ঃ মাজুলী জিলাৰ বৃহত্তৰ পূব মাজুলী অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলৰ উচ্চ শিক্ষাৰ সুবিধাৰ বাবে অঞ্চলটোৰ শিক্ষানুৰাগী আৰু দুবদৰী বাইজে ১৯৯০ চনৰ ১৪ আগষ্টত বনাণি অঞ্চলত পূব মাজুলী মহাবিদ্যালয় স্থাপন কৰিছিল। ৩৫ বছৰ অতিক্ৰম কৰা মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠা দিৱসটি আজি কৰ্তৃপক্ষৰ উদ্যোগত আৰু ছাত্ৰ-ছাত্ৰীৰ সহযোগত দিনজোৱা কাৰ্যসূচীৰে উদযাপন কৰা হয়। পূৰা শিক্ষক কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত মহাবিদ্যালয় পতাকা উত্তোলন কৰে অধ্যক্ষ দীপক বৰাই। মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত ১১ বজাৰ পৰা অনুষ্ঠিত মুকলি সভাৰ তৃতীয় যাত্ৰাসিক্ত ছাত্ৰী হিৰুম্ময়ী শইকীয়া আৰু সংগীবন্দৰ শংকৰদেৱ বিৰচিত এটি বৰগীতেৰে মঞ্চ মুকলি কৰে। ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক দিজেন কুমাৰ শইকীয়াই আত ধৰা অনুষ্ঠানটোৰ আৰম্ভণিত বক্তি প্ৰস্তুলন কৰে জ্যেষ্ঠ অধ্যাপক বুধিন বৰাই। আদৰণি ভাষণ প্ৰদান কৰে অসমীয়া বিভাগৰ অধ্যাপক মালা গায়নে। অধ্যক্ষ দীপক বৰাই মহাবিদ্যালয়খন প্ৰতিষ্ঠাকালৰ ঘাট সংঘাত আৰু বৰ্তমানলৈকে অগণতিক খাতিয়ান সভাত দাঙি ধৰে আৰু প্ৰয়াত আৰু জীবিত প্ৰতিষ্ঠাতাসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰে। নিদিষ্ট বক্তব্য ভাষণত উপাধ্যক্ষ প্ৰশান্ত ভড়ালীয়ে "পূব মাজুলী অঞ্চলত উচ্চ শিক্ষা প্ৰসাৰত পূব মাজুলী মহাবিদ্যালয়ৰ ভূমিকা" শীৰ্ষক বিষয়ৰ ওপৰত তথ্য ভিত্তিক বক্তব্য প্ৰদান কৰে। প্ৰাক্তণ কৰী গায়ন হাজৰিকাই সন্মানীয় অতিথিৰ ভাষণ প্ৰদান কৰে। মাজুলী জিলা ছাত্ৰ সম্বাৰ উপদেষ্টা অজিত হাজৰিকা আৰু সম্পাদক দিগাংকৰ বাজবোৱা আৰু ছাত্ৰ একতা সভাৰ গৌতম বৰাই অধ্যক্ষা সম্বৰ্ধনা জনায়। সম্পাদক সহকাৰী অধ্যাপক যুগল হাজৰিকা, বিজু তামোলী, অঞ্জলি বৰা, অৰুণ বৰা, গিৰিশ ওজা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। অধ্যাপক সূর্য কুমাৰ দলে, উষ্ণ শইকীয়া, অমূল্য ভূঞা, অনুপ কুমাৰ বৰা, দিলীপ বৰুৱা, বিপিন বৰাই সমজুৰাৰ ফালৰ পৰা বক্তব্য আগবঢ়ায়। পঞ্চম যাত্ৰাসিক্ত ছাত্ৰসকলে সুৰ সমলয় পৰিবেশন কৰে। ইয়াৰ পিছতে মহাবিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ বাজিক মুক্ত বিশ্ববিদ্যালয়ৰ আঞ্চলিক কেন্দ্ৰৰ উদ্যোগত এখন সজাগতা সভা অনুষ্ঠিত হয়। অধ্যক্ষ দিপক বৰাই সঞ্চালনা কৰা সভাখনিত বিশ্ববিদ্যালয়ৰ লখিমপুৰ আঞ্চলিক কেন্দ্ৰৰ সঞ্চালক ড° ভাস্কৰ ভূঞা উপস্থিত থাকি বিশ্ববিদ্যালয়ৰ বিভিন্ন পাঠ্যক্ৰমৰ বিষয়ে বহলাই কয় আৰু ছাত্ৰ-ছাত্ৰীসকলক পাঠ্যক্ৰম অধ্যয়ন কৰিবলৈ আহ্বান জনায়। সমাহৰণ দ্বিজেন কুমাৰ শইকীয়াই শবাইৰ শবাই আগবঢ়ায়।

বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ একবিংশতিতম প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

ষ্টাফ বিপৰ্টাৰ, ডিব্ৰুগড়, ১৬ আগষ্ট ঃ উজনি অসমৰ অন্যতম সাংবাদিক সংস্থা বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি প্ৰতি বছৰে প্ৰদান কৰি আহা অশোক বৰগোহাঞি সাংবাদিকতা বঁটা'২৫ আজি (১৪-৮-২৫) বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ প্ৰতিষ্ঠা দিৱসত লাহে লাহে ৰাজৰ জ্যেষ্ঠ সাংবাদিক, নিবন্ধকাৰ অসমীয়া সাহিত্যিক ক্ষেত্ৰখনলৈ কেইবাখনো গ্ৰন্থ ৰচনা কৰি খ্যাতি অৰ্জন কৰা কনৌজ শইকীয়াক ডিব্ৰুগড় সাহিত্য সভাৰ লক্ষ্মীনাথ বেজবৰুৱা ভৱনত অনুষ্ঠিত এক গাম্ভিজাপূর্ণ অনুষ্ঠানত প্ৰদান কৰা হয়। বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ গৌৰৱোজ্জ্বল একবিংশতিতম প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত প্ৰদান কৰা এই বঁটাত নগদ ধন, অংগাবস্তু, পিতলৰ জাপি, প্ৰশস্তি পত্ৰ, এটি স্মাৰকেৰে সাংবাদিক গৰাকীক সম্বৰ্ধনা জনোৱা হয়। পূৰা সাংবাদিক সংগঠনটোৰ সভাপতি মনজিৎ বৰাই পতাকা উত্তোলনেৰে শুভাৰম্ভ কৰা সমাম্ভৰাল ভাবে জাতীয় পতাকা উত্তোলন কৰে কাৰ্যকৰী সভাপতি ৰতন হাজৰিকাই। ৰহিদ তপৰ কৰে সম্পাদক ৰাতুল বৃগোগোহাঁই আৰু বৃক্ষ ৰোপণ কৰে উপ-সভাপতি বিভাস দুবৰাই। এই প্ৰতিষ্ঠা দিৱসত ন-পুৰণি সতীৰ্থ সন্মিলন, মুকলি সভা, সাংস্কৃতিক অনুষ্ঠান আদি অনুষ্ঠিত হয়। মুকলি সভাত অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী তথা ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকনে মুখ্য অতিথি হিচাপে উপস্থিত থাকি বৰ্তমান সাংবাদিকতাৰ ক্ষেত্ৰত দেখা দিয়া বিভিন্ন সমস্যাৰ উল্লেখ কৰে। বিশেষকৈ সংবাদ মাধ্যমৰ স্বাধীনতা লগতে সমাজৰ বাবে কৰি যোৱা কৰ্মবাজীৰ শ্ৰদ্ধাৰে মৰ্মন কৰা লগতে বৰ্তমান সমুখীন হোৱা প্ৰত্যাহ্বান সমূহ যাতে হেলাবঙে প্ৰতিহত কৰি দেশ আৰু স্বাজাতিৰ বাবে সেৱা আগবঢ়াই যায় তাকে নিজৰ ভাষণত উল্লেখ কৰা তাত্ত্বিক গঠন মূলক পৰামৰ্শৰ প্ৰদান কৰি বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবে সমাজৰ বাবে কৰি আহা গঠন মূলক কামৰ প্ৰশংসা কৰে। বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি মনজিৎ বৰা সভাপতিত্ব অনুষ্ঠিত হোৱা মুকলি সভাখন উন্মোচন কৰে বিশিষ্ট সমাজকৰ্মী জ্যোতি প্ৰসাদ কাশ্যেয়ে। মুকলি সভাত বিশিষ্টি অতিথি হিচাপে ডিব্ৰুগড় কলেজ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়া, অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ সঞ্জীব কাকতি, পশ্চিম ৰাজহ চক্ৰৰ চক্ৰ বিষয়া সমুজুল বৰা, আৰ ক ভুনিয়ৰ কলেজৰ অধ্যক্ষ বিকাশ গগৈ, মটক স্বাস্থ্য শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী ডেভিদ চেতিয়া, ডিব্ৰুগড় উন্নয়ন প্ৰাধীকৰণ অধ্যক্ষ অসীম দত্ত, ডিব্ৰুগড় পুলিছ সুপাৰিণ্টেণ্ডেণ্ট অফ পুলিছ ৰাজীব বৰগোহাঞি, ভূষণ জ্যোতি সন্দিকৈ, ডঃ লোহিত শইকীয়া, ডিব্ৰুগড় জিলা সাংবাদিক সম্ভাৰ সভাপতি বিপিন শৰ্মা, ৰৰুৱৰুৱা প্ৰেছ ক্লাবৰ সভাপতি মনোৰঞ্জন হাজৰিকা, লাহেৰাল প্ৰেছ ক্লাবৰ সভাপতি হোমেন ফুকন, সম্পাদক দিবাকৰ দত্ত, বাবুল সোণোৱাল, পৰাগ দত্ত, খোৱাং প্ৰেছ ক্লাবৰ সভাপতি সম্পাদক, ডিব্ৰুগড় পুৰেছ ক্লাবৰ সভাপতি সম্পাদক সহ বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত বিশিষ্ট অনাতাঁৰ শিল্পী ভুবন গগৈ, লোকবাদ্য সাধক জিতেন দাস আৰু নৃত্যগুৰু ৰুবী গগৈ সন্দিকৈৰ পৰিচালনাত গীত, নৃত্য, দিহানাম, শিল্পী ৰতন গগৈয়ে গীত পৰিবেশন কৰি অনুষ্ঠানটো জি পাল কৰি তোলে। এই প্ৰতিষ্ঠা দিৱসত ক্লাবৰ প্ৰাক্তন সদস্য ড শশীকান্ত শইকীয়া পুত্ৰ প্ৰীয়ানুজ শইকীয়া, উপ সভাপতি বিভাস দুবৰা পুত্ৰ প্ৰভাকৰে দুবৰাক বিশেষ ভাবে অভিনন্দন জনোৱা হয়। সহ সম্পাদক মুকলামি হাজৰিকা, পত্ৰিকা সম্পাদক যাদব গগৈ, ধনতি শইকীয়া, জেডিম আহমেদ, জিতু দাস, বাহুল মণ্ডল, শানাৰাজ আহমেদ, দীনেশ দাসকে আদি কৰি বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ প্ৰতিষ্ঠাকী সদস্য, কৰ্মকৰী সহযোগত অনুষ্ঠানটো আঁত ধৰে সম্পাদক ৰাতুল বুঢ়াগোহাঁইয়ে।

জাতিস্কাৰ, পৰিৱেশ আৰু শৈক্ষিক প্ৰতিষ্ঠানৰ উদ্যোগ

নলবাৰীৰ গোৱালপাৰাত ৭৯ তম স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি গছপুলি ৰোপণ

অসম বার্তা, ৰৰক্ষেত্ৰী, ১৬ আগষ্ট ঃ নলবাৰী জিলাৰ গোৱালপাৰাস্থিত পৰিবেশ আৰু শৈক্ষিক প্ৰতিষ্ঠান "জাতিস্কাৰ'ৰ উদ্যোগত সমগ্ৰ অঞ্চলজুৰি বিভিন্ন সময়ত ভিন ভিন কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। আজি ১৫ আগষ্ট উপলক্ষ্যে প্ৰতিষ্ঠানটোত মুখ্য কাৰ্যালয় গোৱালপাৰাত পালন কৰা হয় ৭৯ সংখ্যক স্বাধীনতা দিৱস। স্বাধীনতা দিৱসৰ কাৰ্যসূচী অনুসৰি গছপুলি ৰোপণ কৰা হয়। গছপুলি ৰোপণ কৰে ২৬ নং বগুৰিহাটী বাটসৰ গাঁও পঞ্চায়তৰ সভানেত্ৰী মণিষা দেবী, বগুৰিহাটী বাটসৰ অঞ্চলিক পঞ্চায়তৰ সদস্যা অৰ্চনা মেধি, সমাজকৰ্মী প্ৰণব মেধি, সমাজসেৱী মুদুল শৰ্মা, বুধ সভাপতি মন্টু দাস, জাতিস্কাৰ পৰিৱেশ আৰু শৈক্ষিক প্ৰতিষ্ঠানৰ সভাপতি ককণা শৰ্মা, যুব প্ৰজন্মৰ কবি-লিখক-সাংবাদিক পিংকু মণি ৰায় চৌধুৰী, সাংবাদিক ধনজিৎ বৈশ্য আদিয়ে। অনুষ্ঠানটোত উপস্থিত থাকে জাতিস্কাৰ'ৰ সহঃ সম্পাদিকা ককণা বৈশ্য, উপ সভাপতি মানস বৰ্মণ, সম্পাদক মনোজ শৰ্মা, সদস্যবৃন্দ ক্ৰমে প্ৰণিতা বৰ্মণ, সীমান্ত হাজৰিকা, প্ৰশান্ত শৰ্মা, বিপুল শৰ্মা, হীৰক হাজৰিকা, ভৱৰঞ্জন শৰ্মা, মৃণ্ময় বৈশ্য, গণাণ বৈশ্যৰ লগতে উপস্থিত থাকে গোৱালপাৰা হাইস্কুলৰ দশম শ্ৰেণীৰ একাংশ ছাত্ৰ ছাত্ৰীৰ লগতে স্থানীয় সমাজ সচেতন ব্যক্তিসকল। এই উপলক্ষে অনুষ্ঠিত সভাত বিভিন্ন প্ৰান্তৰ লোকসকলে জাতিস্কাৰ পৰিবেশ আৰু শৈক্ষিক প্ৰতিষ্ঠাৰ স্বৰ্ণগামী হয়। জনাবয় চৌকাৰ প্ৰখ্যাত ছোৱালী ৰূপেশ্বৰী চহৰীয়াৰ পূৰ্বে দগীয়াপাৰত বাস কৰা বৰ্তমান ভেৰুৰাদল নিবাসী বসুন্ধৰ সাহনৰ বাবেও পৰাম্মৰ্শ আগবঢ়ায়।

মুকালমুৰাত নিষিদ্ধ মাংসসহ আটক তিনিজনক

ৰৰক্ষেত্ৰীৰ বিভিন্ন প্ৰান্তত এতিয়াও চলি আছে নিষিদ্ধ মাংসৰ অবৈধ বেহা

অসম বার্তা, ৰৰক্ষেত্ৰী, ১৬ আগষ্ট ঃ নলবাৰী জিলাৰ মুকালমুৱা থানাৰ অন্তৰ্গত লাউপাৰা গাঁৱত ১৫ আগষ্টৰ পূৰা গো- মাংসসহ তিনিজন ব্যক্তিক আৰক্ষ কৰে স্থানীয় লোকে। স্থানীয় লোকৰ অভিযোগ অনুসৰি লাউপাৰা গাঁৱৰ সমীপবৰ্তী ৪ নং ভেলামাৰী নিবাসী লক্ষ্মন আলী নামৰ লোকজনে দীৰ্ঘদিন ধৰি অঞ্চলটোত অবৈধভাবে গো-মাংসৰ ব্যবসায় কৰি আহিছিল। কিয়নো ১ নং কাছবাৰী গাঁৱৰ জাফৰ ইকবাল, ৩ নং ভেলামাৰী গাঁৱৰ মেচেৰ আলী আৰু লোকমান আলীয়ে লক্ষ্মন আলীৰ ঘৰৰ পৰা প্ৰায় ৫ কিলোগ্ৰাম গো-মাংস লৈ আহি থকা অৱস্থাত লাউপাৰা গাঁৱৰ স্থানীয় বাইজে শিৰ মন্দিৰৰ সন্মুখত কবাজন কবি আৰক্ষীক গতাই দিয়া ঘটনাই চকু কপালত তুলিছে সচেতন মহলৰ। এই ঘটনাৰ কিছুদিন পূৰ্বে কোনো অচিনাকি লোকে উক্ত মন্দিৰটোৰ সন্মুখৰ লগতে অঞ্চলটোৰ বিভিন্ন ধৰ্মীয় অনুষ্ঠানৰ সন্মুখত গো- মাংস পেলাই থৈ যায় বুলিও অভিযোগ কৰিছে স্থানীয় লোকসকলে। আৰক্ষীৰ উমান পাই দীৰ্ঘদিন ধৰি গো- মাংসৰ অবৈধ ৰমবমীয়া ব্যবসায় চলাই থকা লক্ষ্মন আলী নামৰ লোকজনে পলায়ন কৰে। স্থানীয় লোকে অতিশীঘ্ৰে লক্ষ্মন আলীক কবাগ্ৰহ কৰি উচিত শাস্তি দিবলৈ দাবী জনাই ছে। অঞ্চলটোৰ সনাতনী হিন্দু লোকসকলে অঞ্চলটোক এনে অবৈধ ব্যবসায়ীৰ নিষিদ্ধ মাংসৰ কবলৰ পৰা সুৰক্ষিত কৰাৰ বাবে অসম চৰকাৰৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক আহ্বান জনাইছে।

চাংসাৰি উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত ৰাষ্ট্ৰীয় পতাকা উত্তোলন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ

বৰ্ণাঢ্য কাৰ্যসূচীৰে কামৰূপ জিলাত ৭৯ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপন

ষ্টাফ বিপৰ্টাৰ, অসম বার্তা, ১৬ আগষ্ট ঃ সমগ্ৰ দেশৰ লগতে আজি কামৰূপ জিলাতো দেশৰ ৭৯ সংখ্যক স্বাধীনতা দিবসটি অতি উলহ-মালহেৰে উদযাপন কৰা হয়। আজি কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত জিলাখনৰ চাংসাৰিস্থিত চাংসাৰি উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত ৭৯ সংখ্যক স্বাধীনতা দিবসৰ কাৰ্যসূচীত ৰাজ্য চৰকাৰৰ পৰিবেশ, বন আৰু জলবায়ু পৰিবৰ্তন আদি বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে মুখ্য অতিথিৰূপে উপস্থিত থাকি ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। স্বাধীনতা দিবস উপলক্ষে প্ৰদান কৰা মুখ্য অতিথিৰ ভাষণত মন্ত্ৰী পাটোৱাৰীয়ে দেশৰ স্বাধীনতা সংগ্ৰামত অলেখ ত্যাগ স্বীকাৰ কৰা বীৰ শ্ৰদ্ধেয়সকলক শ্ৰদ্ধাৰে স্মৰণ কৰে। তেওঁ মুখ্য অতিথিৰ ভাষণত কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতে উন্নয়ন আৰু প্ৰগতিৰ দিশত দ্ৰুততাতিত দুচাতাই অগ্ৰসৰ হৈছে। মন্ত্ৰী পাটোৱাৰীয়ে ভাষণ প্ৰসংগত অসমত ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্ব ত্বাধীন ৰাজ্য চৰকাৰখনে ৰাজ্যখনৰ দ্ৰুত বিকাশৰ দিশত গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষ্তৃত আলোকপাত কৰে। ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ দ্বাৰা ৰূপায়িত আঁচনি সমূহে জনসাধাৰণৰ বিকাশৰ দিশত ওকত্বপূৰ্ণ অবিহণা যোগাইছে বুলিও তেওঁ কয়। ৰাষ্ট্ৰীয় পতাকা উত্তোলনৰ পূৰ্বে মুখ্য অতিথি মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে গছপুলি ৰোপণ আৰু মহাত্মা গান্ধীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে তথা পতাকা উত্তোলন কৰি মন্ত্ৰী গৰাকীয়ে আৰক্ষী, অৰসমাৰিক বাহিনী, এন চি চি আদিৰ তৰফৰ পৰা প্ৰদৰ্শন কৰা আকৰ্ষণীয় কুচকাৰাজৰ অভিবাদন গ্ৰহণ কৰে। কাৰ্যসূচীৰ অন্তত স্বাধীনতা দিবসৰ কাৰ্যসূচীসহ তেওঁ সংগতি ৰাখি বিভিন্ন চৰকাৰী বিভাগৰ জলকল্যাণমূলক আঁচনি সমিহকে দাঙি অনুষ্ঠিত কৰা প্ৰদৰ্শনীও তেওঁ পৰিদৰ্শন কৰে। আজিৰ অনুষ্ঠানত কামৰূপ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ, জ্যেষ্ঠ আৰক্ষী অধীক্ষক ৰঞ্জন ভূঞা, বিশিষ্ট লেখিকা ড° বীতা চৌধুৰী, কামৰূপ জিলা পৰিষদৰ সভাপতি নিলন ভূঞাকে ধৰি বহুকেইজন গণ্য মান্য ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত স্বাধীনতা দিৱস উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত ৰচনা আৰু কুইজ প্ৰতিযোগিতাৰ বিজয়ীসকলক পুৰস্কাৰ প্ৰদান কৰা হয়। লগতে মীন, শিক্ষা, ক্ৰীড়া আদি বিভিন্ন খণ্ডৰ সৈতে জড়িত ক্ষেত্ৰত উল্লেখনীয় কাম কৰা হাজোৰ প্ৰথৰ মালাকাৰ, অসম ৰাজিক গ্ৰামীণ জীৱিকা অভিযানৰ ৰামপুৰ উন্নয়ন খণ্ডৰ ডিজিপে সখী দীপিকা ঠাকুৰীয়া, উত্তৰাখণ্ডত অনুষ্ঠিত ৩৮ তম ৰাষ্ট্ৰীয় ক্ৰীড়াত-২০২৫ ত লন বল প্ৰতিযোগিতাত তৃতীয় স্থান প্ৰাপক কৰিণা পাটোৱাৰী আৰু চীনত অনুষ্ঠিত চতুৰ্থ কে আই অ' কেই বাগৰাকীও ব্যক্তিক জিলা প্ৰশাসনৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। এইসকলৰ ভিতৰত মীন পালনৰে জীৱিকা সৃষ্টিৰ উল্লেখনীয়া নিদৰ্শন দাঙি ধৰা ছাগীৰ শৰৎ চন্দ্ৰ দাস, কাছ সংৰক্ষণৰ ক্ষেত্ৰত উল্লেখনীয় কাম কৰা ৰাষ্ট্ৰীয় কাৰাটে চেম্পিয়নশিপত সোণৰ পদক প্ৰাপ্ত দীক্ষা ডেকাক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। তদুপৰি অনুষ্ঠানত আমিনগাঁও বেংগলী নিম্ন প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী অনিতা পালক তেওঁক কভিড ১৯ ৰ সময়ত অনলাইন পদ্ধতিৰে পাঠদান কৰা, শিক্ষাৰ্থীক নিৰীক্ষণ কৰা, পৰীক্ষা অনুষ্ঠিত কৰা আদি দিশত গ্ৰহণ কৰা ভূমিকাৰ বাবে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। উল্লেখ্য যে আজিৰ অনুষ্ঠানতে আই ডি বি আই বেংকৰ চি এছ আৰ পুঁজিৰে আমিনগাঁও বেংগলী নিম্ন প্ৰাথমিক বিদ্যালয়লৈ স্মাৰ্ট শ্ৰেণীকোঠাৰ এবে সকলোলিনি প্ৰয়োজনীয় সা-সঁজুলি প্ৰদান কৰা হয়। অনুষ্ঠানত হৰ ঘৰ তিৰংগাৰ কাৰ্যসূচীত গৰিষ্ঠসংখ্যক ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ নিশ্চিত কৰাৰ লগতে ফটো আপলোডৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰাৰ বাবে শ্ৰেষ্ঠ স্বেচ্ছাসেৰক তথা শিক্ষা বিভাগৰ হাজো আৰু কমলপুৰৰ চি আৰ চি চি ক্ৰমে কৃষ্ণ কলিতা আৰু ৰঞ্জিত মোহন ডেকাকো সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানৰ শেষত আজিৰ প্ৰদৰ্শনীত অংশগ্ৰহণ কৰি প্ৰথম স্থানপ্ৰাপ্ত অসম বাজিক গ্ৰামীণ জীৱিকা অভিযান, দ্বিতীয় স্থানপ্ৰাপ্ত ওগাহাটী বাৰ'কৈ পাৰ্ক আৰু তৃতীয় স্থানপ্ৰাপ্ত কৃষি বিভাগক পুৰস্কাৰ বিতৰণ কৰা হয়। স্বাধীনতা দিবসৰ কাৰ্যসূচীত কৃচকাৱাজত অংশগ্ৰহণ কৰা দলসমূহৰ ভিতৰত পেছাদাৰী শাখাত শ্ৰেষ্ঠ দুটা দল আৰু অপেছাদাৰী শাখাত তিনিটা শ্ৰেষ্ঠ দলকো আজি পুৰস্কাৰ প্ৰদান কৰা হয়। ইয়াৰ পূৰ্বে আজি পুৱা কামৰূপ জিলাৰ আমিনগাঁওস্থিত ভাৰত ৰিজাৰ্ভ বেংক